# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২১/১২/২০২২ বুধবাৰ

**আজি ইংৰাজী ২১-১২-২০২২তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ শীতকালীন অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-২১। আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। কিন্তু মই জানিব বিচাৰিছো যে ভাৰত চৰকাৰৰ দ্বাৰা গঠিত কমিটি এখনৰ প্ৰতিবেদন এতিয়ালৈকে ভাৰত চৰকাৰৰ হাতত জমা দিয়া হৈছে নে অসম চৰকাৰৰ হাততেই আছে? কমিটি গঠন কৰা হৈছিল ভাৰত চৰকাৰৰ দ্বাৰা আৰু অসম চৰকাৰে এইখন কমিটি গঠন কৰা নাছিল। এইখন এখন হাই পাৱাৰ কমিটি। কিন্তু আমি বিভিন্ন মাধ্যমত দেখা পাইছো যে এই কমিটিৰ প্ৰতিবেদন এতিয়ালৈকে ভাৰত চৰকাৰৰ হাতত জমা দিয়া হোৱা নাই। আমাৰ অসমৰ হাততে আছে। প্ৰথমতে মই জানিব বিচাৰিছো যে কমিটিখনৰ প্ৰতিবেদন এতিয়ালৈকে ভাৰত চৰকাৰৰ হাতত জমা দিয়া হৈছে নে নাই? দ্বিতীয়তে, চৰকাৰে চাব-কমিটিৰ দ্বাৰা এই প্ৰতিবেদনখন অধ্যয়ণ কৰি আছে। কিন্তু দেখা গৈছে যে অসম বিধান সভাক বিশ্বাসত লোৱা নাই। অধ্যয়ণ কৰা হওঁক, কিন্তু আমাৰ অসম বিধান সভাকো বিশ্বাসত লোৱা হওঁক আৰু প্ৰতিবেদনখন বিধান সভাত আলোচনা হ'ব নে নহয়?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জাষ্টিচ বিপ্লৱ শৰ্মা দেৱৰ অধ্যক্ষতাত যি কমিটী কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিছিল আৰু সেই কমিটীৰ ৰিপোৰ্ট ৰাজ্য চৰকাৰৰ হাতত দাখিল কৰা হৈছিল। সেই কমিটিৰ ৰিপোৰ্টৰ ওপৰত আমি আলোচনা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কমিটি গঠন কৰি দিছিল। সেই কমিটিত মাননীয় মন্ত্ৰী অজন্তা নেওগ, মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা; সভাপতি আৰু সম্পাদক অন্তৰ্ভুক্ত হৈ আছে। আমি ইতিমধ্যে চাৰি বাৰকৈ এই কমিটিৰ বৈঠক অনুষ্ঠিত কৰিছো। আলোচনা চলি আছে আৰু আলোচনাৰ অন্ত পৰাৰ পিছতেই আমি ৰিপোৰ্ট দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে খুকুজা লাগে যে এই ক্ষেত্ৰত অসম চৰকাৰৰ কৰ্তৃত্ব ক'ত? ভাৰত চৰকাৰে কমিটীখন গঠন কৰিলে। ভাৰত চৰকাৰে যদি অসম চৰকাৰক চাব-কমিটী গঠন কৰিবৰ বাবে আৰু অধ্যয়ণ কৰি ৰিপোৰ্ট দাখিল কৰিবৰ বাবে ক'লেহেঁতেন, কিন্তু ভাৰত চৰকাৰে এই বিষয়ে একো কোৱা নাই। কমিটিয়ে

প্ৰতিবেদন দাখিল কৰিব লাগে ভাৰত চৰকাৰক। কিন্তু এই প্ৰতিবেদন ভাৰত চৰকাৰলৈ যোৱাই নাই। অসম চৰকাৰে জোৰ-জবৰ দস্তিকৈ এই প্ৰতিবেদন হাতত লৈছে নেকি ? নহ'লে অসম চৰকাৰৰ ইয়াত কি কথা আছিল? আমাক আভুৱা ভাবিছে নেকি? প্ৰতিবেদনখন ভাৰত চৰকাৰৰ হাতত নিদি অসম চৰকাৰৰ হাতত ৰাখি থবৰ বাবে ভাৰত চৰকাৰে কোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে সেই কমিটীত তেওঁলোকৰ ৰিপোৰ্ট আমাৰ হাতত দাখিল কৰিবৰ বাবে কোৱা নাছিল। সেই কমিটীয়ে তেওঁলোকৰ ৰিপোৰ্টটো অসম চৰকাৰৰ হাতত দাখিল কৰিছে। সেই ৰিপোৰ্টৰ ওপৰত অধ্যয়ণ কৰাই নহয়, চুক্তিৰ অন্যান্য দফাসমূহো অধ্যয়ণ কৰিব লাগিব কাৰণ এটা দীঘলীয়া আন্দোলনৰ অন্তত অসম চুক্তি হৈছে। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত যি গণ আন্দোলন হৈছিল, সেই গণ আন্দোলনত ৮৫৫ জনতকৈ অধিক লোকক সেই সময়ত কংগ্ৰেছ চৰকাৰে হত্যা কৰিছিল। যাক আন্দোলনকাৰী সকলে শ্বহীদ ঘোষণা কৰিছিল। ইয়াৰ পিছতেই চুক্তিৰ অন্যান্য দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত কিমানখিনি আগবাঢ়িছে সেই বিষয়ে সকলোৱে মুটামুটিকৈ অৱগত আৰু সেই বিষয়ে সদনত ভৱিষ্যতে কিবা যদি ক'বলগীয়া হয় আমি কম। এই ক্ষেত্ৰত অসম চৰকাৰৰ কোনো conspiracy নাই। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ডাঙৰীয়াই বলিষ্ঠভাৱে অসম চুক্তি ৰূপায়ণৰ ইচ্ছা কৰি এনেধৰণৰ এখন কমিটী গঠন কৰিছে। আমি আশা কৰিছো অনাগত দিনত অসম চুক্তি ৰূপায়ণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কমলাক্ষ্য দে ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয় Ministry of Home Affairs এ এইখন ইমপ্লিমেণ্ট কৰিব। কথাটো হৈছে যে চৰকাৰে অসম চুক্তিৰ ছয় নং দফা টো ইমপ্লিমেণ্ট কৰিবৰ বাবে লিখিছে নেকি ? মই এটা কথা ক'ব বিচাৰিছোঁ যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্ব্বাচনৰ আগতে সনাতন সভ্যতা লৈ বহুত বেছি কনচাৰ্ণ হৈ থাকে আৰু বক্তব্য দি থাকে। কিন্তু কথাটো হৈছে যে আমি বেঙ্গলীসকল খিলঞ্জীয়াত পৰো নে নপৰো এই কথটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে অসম চৰকাৰে খুব নিষ্ঠাৰে অসম চুক্তিৰ যিবিলাক দফা আছে, সেইবোৰ ৰূপায়ণৰ বাবে আগবাঢ়িছে। জাষ্টিচ বিপ্লৱ শৰ্মাৰ কমিটিৰ যি ৰিপোৰ্ট আছিল তাত কিছুমান লীগেল চেলেঞ্জ আহিছে। সেয়েহে এই গোটেই কথাবোৰ অধ্যয়ণ কৰিবৰ বাবে এই কমিটি গঠন কৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া প্ৰশ্ন নং-২২। ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ আৰু সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, (কোকৰাঝাৰ পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ বিশেষকৈ পাঁচখন নদীৰ বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে চৰকাৰৰ ওচৰত আঁচনি মঞ্জুৰীৰ পাবৰ কাৰণে যিখিনি প্লেন এষ্টিমেট দাখিল কৰা হৈছিল, তাৰ ওপৰত এতিয়ালৈকে চৰকাৰে অনুমোদন

জনোৱা দেখা নাই। ইয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো আৰু প্ৰশ্ন উত্থাপন কৰিছো। মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পাৰিলো, যোৱা ২০২১-২২ বিত্তীয় বৰ্ষত তেখেতে মোৰ সমষ্টিৰ গুৰুফেলা নদীৰ কমল সিং থুৰিবাৰীত SOPD (G) ৰ অধীনত ৪৯৯.৭৭ লাখ টকাৰ আঁচনি এটা ইতিমধ্যে ইমপ্লিমেণ্টেশ্যন প্ৰক্ৰিয়াত আছে । মই ক'ব খুজিছো যে প্ৰথমতে মই এইখিনি আঁচনি দিয়াৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেখেতে নিজৰ দক্ষতা আৰু ক্ষমতা দেখুৱাই গোটেই অসমৰ বানপানী আৰু গড়াখহনীয়া নিয়ন্ত্ৰণৰ বাবে শক্তিশালী আৰু গঠনমূলকভাৱে ব্যৱস্থা হাতত লৈছে। তেখেতে শক্তিশালী আৰু গঠনমূলকভাৱে ব্যৱস্থা লোৱাৰ বাবে আমি আগতে অসমত বানপানী আৰু গড়াখহনীয়াৰ বাবে প্ৰবলভাৱে ভুগিবলগীয়া হৈছিল। আমি যোৱা বছৰৰ পৰা দেখা পালো যে বানপানী আৰু গড়াখহনীয়া যথেষ্টভাৱে নিয়ন্ত্ৰণ কৰিব পাৰিছো। এনেকুৱাধৰণৰ আঁচনি মই পাঁচখন নদীৰ ওপৰত গড়াখহনীয় আৰু বানপানীৰ প্ৰতিৰোধৰ বাবে আঁচনিৰ আবণ্টন বিচাৰি চৰকাৰৰ ওচৰত প্লেন এষ্টিমেট চাবমিট কৰিছো। সেইখিনি আজিৰ তাৰিখলৈকে কোনো এটা আঁচনিৰ অধীনত মঞ্জুৰী দিয়া নাই বুলি আমাক উত্তৰত দিছে। বিভাগৰ ওচৰত যিখিনি প্লেন এষ্টিমেট দাখিল কৰা হৈছে, নাবাৰ্ডৰ অধীনত কিমানটা লৈছে মই গম নাপাওঁ। SOPD, নাবাৰ্ডৰ অধীনত সেইখিনি মঞ্জুৰী দিবৰ বাবে চৰকাৰৰ ফালৰ পৰা আঁচনি গ্ৰহণ কৰিব নেকি?

**শ্ৰী পিযুষ হাজৰিকা, ( মন্ত্ৰী, জলসম্পদ আৰু সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো আপোনালোকে যাতে বেয়া নাপায়। মই ৰবিৰাম ডাঙৰীয়াক কৈছো। আচলতে বি টি আৰক আমি SDRF বাদ দি SOPD বা RIDF ৰ টকা দিব নলাগে। কিন্তু আমি দিয়া আৰম্ভ কৰিছো। যোৱা বছৰ আমি দিছো আৰু এই বছৰো দিছো। কাৰণ আমাৰ চুক্তিখন তেনেকুৱা। কিন্তু মই এটা কথা উপলব্ধি কৰিছো যে মই যেতিয়া যোৱা বাৰ জলসম্পদ মন্ত্ৰী হ'লো, বি টি আৰৰ জলসম্পদৰ সৰ্বমুঠ বাজেট ওঠৰ কোটি টকা। কিন্তু জিলা চাৰিখন আৰু এৰিয়াটো যথেষ্ট ডাঙৰ। আমি উপলব্ধি কৰিলো ওঠৰ কোটি টকাৰে চাৰিখন জিলা আৰু যোল্ল-সোতৰ টা সমষ্টিত কাম কৰা অসম্ভৱ। যাৰ কাৰণে যোৱাবাৰ আমি প্ৰায় এশ কোটিতকৈ অধিক টকা বি টি আৰ আৰু বিটি চিক দিছো। এইবাৰো আমি দিছো কিন্তু আমি অলপ কথাটো সলনি কৰিছো। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা উপদেশ মানি আমি টেক্‌ন'ল'জি বুলি নকওঁ কিন্তু কাম কৰা ধৰণ সলনি কৰিছো। এই বছৰ আমাৰ ৪১ টা ঠাইত ২৬ টা মঠাউৰি ভাঙিছে আৰু দুটা নে তিনিটা স্থানত Public Cut হৈছে। আমাৰ ওচৰত ৰিপোৰ্টটো আছে মই দি দিব পাৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা ক'লে যে আমি এই ঠাইত এটা কাম কৰিলো, তাত এটা কাম কৰিলো এনে কৰিলে হয় যে ধৰা হওঁক লুঙা নদীৰ দলং। এটা মথাউৰিত ৪ টা breach হৈছে। সেই ৪ টা আমি যদি কৰি দিওঁ তেতিয়া তাৰ আগৰ অংশ দুৰ্বল হৈ থাকিব, ফলত অহা বছৰ সেই আগৰ অংশখিনি ভাঙিব। সেয়েহে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক পৰামৰ্শ দিলে যে এই লুঙা, বা নৰ্নৈ বা পাগলাদিয়া বা বেঠুকান্দি নদী, য'ত য'ত মথাউৰিত breach হৈছে, তাত মথাউৰিৰ যিমান দৈৰ্ঘ্য আছে সম্পূৰ্ণ কৰিব লাগে। আমি বিভিন্ন experiment কৰো, এইটোও experiment হ'ব, কিন্তু, ফলৱতী হ'ব। তাৰ বাবে এইবাৰ concentrate হৈছে। এইবাৰ জলসম্পদ বিভাগক মাননীয় মুখ্যমন্ত্ৰী মহোদয়, বিত্ত মন্ত্ৰী মহোদয়াই অসম চৰকাৰ আৰু SDRF ৰ পৰা প্ৰায় ১১০০ কোটি টকা দিছে। সেই গোটেইখিনি এইবাৰ অলপ concentrate হৈছে। তথাপিও আমি BTR ত আপোনাৰ সমষ্টিতেই হওঁক বা অন্যান্য সমষ্টি বা তামুলপুৰত যথেষ্ট

ধনৰ আৱন্টন দিছো। এইবাৰ SDRF ত এটা নতুন স্কীম আছে। SDRF ত breach like situation হ'লে পুঁজি দিব পাৰে, erosion ত কেৱল ১০% হে দিয়ে। তাৰ বাবেও গাইডলাইনৰ কিছু অসুবিধা । তথাপিও মই মাননীয় সদস্য গৰাকীক কওঁ যে তেখেতৰ যিখিনি অত্যন্ত গুৰুত্বপূৰ্ণ কাম আছে সেইখিনি অতি সোনকালে কৰাৰ বাবে যত্ন কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (পশ্চিম কোকৰাঝাৰ)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে শেষৰ ফালে সদনত যি আশ্বাস দিলে তাৰ বাবে মই ধন্যবাদ জনাইছো। এই পাঁচখন নদীৰ গৰাখহনীয়া যি প্ৰবল ভাৱে হৈ আছে, যাৰ বাবে বহু কেইখন গাওঁ নিশ্চিহ্ন হ'বলৈ গৈ আছে, সেই গাওঁবোৰৰ protection ৰ স্বাৰ্থত, হাজাৰ হাজাৰ ৰাইজৰ ধন সম্পত্তি, মাটি-বাৰী ৰক্ষা কৰাৰ স্বাৰ্থত যাতে বিবেচনা কৰে, তাৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বি.টি.চি. অঞ্চল অসমৰে এটা অংশ, আমি অসমতেই আছো, আমাক বেলেগ বুলি আপোনালোকে ভাৱিব নালাগে। আমি অসমত আপোনালোকৰ মাজতে একেলগে আছো। অসমৰ এই চৰকাৰখন চলোৱা দলৰেই বি.টি.চি.তো যিহেতু মিলি-জুলি চৰকাৰ চলাই আছে, গতিকে আপোনালোকৰ positive দৃষ্টি-ভংগীয়েই আমাৰ ফালে ৰাখিব। তাৰ বাবে মই অনুৰোধ জনাইছো। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** আমি নিজেই নিজক ক'লে বেছি কোৱা হয়। আমি positive নহয় super positive. অধ্যক্ষ মহোদয়, আমি চুক্তিৰ ওপৰত গৈ কাম কৰিছো। যোৱা বছৰ ১২১ কোটি দিছো, এইবাৰো কৰিম। যোৱা বছৰ সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত ৫ কোটি টকা দিছিলো, এইবাৰো দিয়াৰ বাবে যত্ন কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ২৩- শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰ দিছে। (গ) নং প্ৰশ্নৰ উত্তৰত তেখেতে ADB ৰ এটা আঁচনি CWCলৈ প্ৰেৰণ কৰা বুলি কৈছে। কিন্তু, মই বিভিন্ন উৎসৰ পৰা গম পাইছো যে এইটো আকৌ phase manner হ'ব। যদি phase manner হয়, তেন্তে, আমাৰ ধুবুৰী বৰচলৰ যিটো স্কীম, সেইটো first phaseত থাকিব নে নাই?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো second phase ত আহিব আৰু অহাটো খাটাং। যোৱা বছৰ সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত আমি ১০ কোটি টকা দিছিলো। Duplicacy যাতে নহয় তাৰ বাবে এইবাৰ আমি অলপ ৰৈ দিছো। দুবছৰ আগতেই World Bank ৰ স্কীম sanction হৈছিল। এক বছৰ দেৰি হৈ গ'ল। বুঢ়ীদিহিং আৰু বেকী নদীৰ যিখন tender আমি কৰিলো সেইটো অহা সোমবাৰে award কৰিম। এক বছৰ দেৰি হোৱাৰ কাৰণটো হ'ল আমাৰ কিছু কিছু ঠাইত duplicacy হয়। Duplicacy মানে কেনেকুৱা যে আঁচনি এখন এই বছৰত দিয়াৰ পিছত অহা বছৰত ভাঙিলে অসম চৰকাৰৰ টকাৰে বনাই দিয়া হয়। তেতিয়া World Bank য়ে ৱাশ্বিংটনৰ পৰা, ADB য়ে Manila ৰ পৰা চাই থাকে আৰু কয় যে আপোনালোকে ইতিমধ্যে বনাই দিলে, আমি কিয় বনাম? যিটো World Bank ৰ project ত হৈছিল, বেকী আৰু বুঢ়ীদিহিং নদীৰ কামখিনি আৰম্ভ কৰাত একমাত্ৰ duplicacy হোৱাৰ বাবে এবছৰ দেৰি হ'ল। সেয়েহে, আমি এতিয়া চিন্তা কৰি আছো

। আপুনি অকণো চিন্তা কৰিব নালাগে। মই এইখন লিষ্ট যদি পঢ়ি দিওঁ তেন্তে ইয়াত কোনোধৰণৰ কথা নাই যে NABARD আৰু RIDF ৰ particular কেইটামান সমষ্টিতহে হৈছে। ই সকলো সমষ্টিতেই হৈছে। য'ত important , য'ত breach হৈছে, যিটো সমষ্টি SDRF ৰ গাইডলাইনত আহে, প্ৰত্যেকটো সমষ্টিয়েই আছে। ইয়াত ১২৬ টা সমষ্টি নাই। কিন্তু, সকলো দলৰে আছে। গতিকে, আপোনালোকে তেনেদৰে ভাৱিব নালাগে। ADB ৰ project ত যাতে duplicacy বা doubling নহয়, যাৰ বাবে sanction ত অসুবিধা হয় তাৰ বাবে আমি অলপ চিন্তা-চৰ্চা কৰি আছো। আপোনাৰ সমষ্টিক আমি গুৰুত্ব সহকাৰে লৈছো আৰু ভৱিষ্যতে আপোনাৰ সমষ্টিত নিশ্চয়কৈ কাম কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Second supplementary.

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফকিৰগঞ্জত ১০ কোটি টকাৰ আঁচনি এখন যোৱা বছৰেই sanction কৰিছিল। তাৰ কাম আৰম্ভ হোৱা নাছিল। এইবাৰ আৰম্ভ হৈছে। তাৰ area টো আছিল ৩ কিঃমিঃৰ আৰু ১০ কোটি টকাৰে ১ কিঃমিঃ area হে cover হ'ব। বাকী ২ কিঃমিঃ থাকি যাব। এই সম্পৰ্কে মই মন্ত্ৰী মহোদয়ৰ লগত কথাও পাতিছিলো। মন্ত্ৰী মহোদয়ে যোৱা বিধান সভাত ইয়াৰ বাবে separate স্কীম ল'ব বুলি কৈছিল। গতিকে এই স্কীমটো লোৱা হ'ব নেকি?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ জিলাখন বা সমষ্টিটোৰ ক্ষেত্ৰত slow যোৱাৰ কাৰণ হ'ল তেওঁৰ জিলাখন proposed ADB project ত আছে। যদি duplicacy বা doubling হয় তেতিয়া বিশ্ব বেংকে ভাৱে যে আমি কিবা ২ নম্বৰী চিন্তা কৰিছো নেকি। তেওঁলোকে ভাৱে যে অসম চৰকাৰে যিহেতু আঁচনিখন কৰিয়েই দিলে, আকৌ কিয় এই আঁচনিত সোমাই দিলে। তাৰ মানে আমাৰ চিন্তা ধাৰা বেয়া বা নিগেটিভ নেকি? এনে কথাত যাতে নপৰো তাৰ বাবে অলপ slowly কৰিছো কিন্তু, seriously কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী আব্দুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম ( পূৰ গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই ইঞ্জিনীয়াৰৰ পৰা গম পাইছো যে গোৱালপাৰা town protection ৰ পৰা আৰম্ভ কৰি গোৱালপাৰা পূৰ, পশ্চিম আৰু জলেশ্বৰত ADB ৰ এটা ডাঙৰ স্কীম লোৱা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে town protection গলকমাৰী চৰৰ down ৰ পৰা লোৱা হ'ল য'ত আচলতে খহনীয়া হয়। যাৰ পৰা টাউনখনক আচলতে, ঠিক উপায়ুক্তৰ কাৰ্যালয়ৰ পিছফালে। ঠিক ৫-৬ কিঃমিঃ বাদ দি ডাউনৰ পৰা সেই স্কীমটো আৰম্ভ হ'ল। দেশদোৱা পাহাৰ একেবাৰে ৫ কিঃমিঃ আগত আছে। গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তাৰ পৰা যদি আৰম্ভ কৰা হয়, তেতিয়াহে গোটেই টাউনখিনিত যি উদ্দেশ্যেৰে স্কীমটো লোৱা হৈছে সেইয়া হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি ২০২২-২৩ত জলেশ্বৰত ইতিমধ্যে ৮ কোটি টকাৰ স্কীম লৈছো। মই আকৌ কৈছো, আপোনালোকৰ জিলাকেইখন যিহেতু ADBত আছে, এইবাৰ আমি বহুত খৰখেদাকৈ দিয়া নাই। কিন্তু য'ত য'ত খুব বেছিকৈ গৰা-খহনীয়া হ'ব বা মথাউৰি breach হ'ব, সেইখিনিৰ বাবে আমি temporary nature ৰ work কৰিম। গতিকে, আপোনালোকে এনেকুৱা চিন্তা কৰিব নালাগে। মই এটা কথা সদনক

জনাব বিচাৰিছো যে যোৱাবছৰ যিমান কেইটা breach হৈছিল, আমি গোটেই কেইটাৰ ইতিমধ্যে temporary protection কৰি দিলো। আমি বানপানী হোৱাৰ লগে লগেই temporary protection কৰিছো। কিয়নো মানুহ অহা-যোৱা কৰিব লাগে। এইটো temporary protection । কেতিয়াবা এনেকুৰা হয় যে প্ৰথম বানপানীত temporary protection কৰি দিলো, দ্বিতীয়বাৰত আকৌ ভাঙি দিলে। কিন্তু, আমি কৈয়ে থৈছো যে এইটো temporary protection । আমি দুটা কাৰণত temporary protection কৰিছো যে কিজানি এই temporary protection টোৱেই দ্বিতীয়বাৰৰ বানপানীত মানুহখিনিক বচাব পাৰে, নবচাবও পাৰে, যিহেতু temporary protection বুলি কৈছো। আকৌ, দ্বিতীয় কাৰণটো হ'ল যে গাঁৱৰ মানুহখিনিয়ে যাতে ভালদৰে অহা-যোৱা কৰিব পাৰে। মই বহুত কিবা কৰিছো বুলি নকওঁ। কিন্তু, আগতে এবাৰেই prermanent protection কৰি দিয়া হয়। এইবাৰ আমি ৰিং বান্ধি temporary protection কৰিছো ring bund দি আৰু এইবাৰ যি কেইটাত breach হ'ল, গোটেইকেইটাত ইতিমধ্যে sanction হ'ল, tender হ'ল আৰু অহা ৫ জানুৱাৰী,২০২৩ তাৰিখে আমাৰ যিকেইটা RIDF ৰ আঁচনি আছে সেইকেইটা award কৰিম। যিকেইটা SOPD scheme আছে, সেইকেইটা আমি অহা ১১ তাৰিখে award কৰিম। Timeline fix কৰি লৈছো যে ৫ তাৰিখে যিখিনিৰ tender হ'ল ৫৫০ কোটি টকাৰ, সেইখিনি আমি award কৰিমে। ১১ তাৰিখে ৫৫০ কোটি টকাৰ, অলপ অলপ কম হ'ব, হয়তো ৫ কোটি বা ১০ কোটি, মুঠ ১০৫০- ৬০ কোটি টকা, আমি দুদিন Timeline fix কৰি লৈছো। আগতে জানুৱাৰীত এটা tender ওলায়, সেইটো ফেব্ৰুৱাৰীত award হয়। আকৌ ফেব্ৰুৱাৰীত tender ওলায় সেইটো মাৰ্চত award হয়। আমি তেনেকুৰা কৰিব বিচৰা নাই। আমি একেলগে tender উলিয়াইছো দুদিনত। অধ্যক্ষ ডাঙৰীয়া, World Bank ৰ যিখিনি প্ৰায় ৩৫০ কোটি টকাৰ বেকী আৰু বুঢ়ী দিহিংৰ tender অহা সোমবাৰে award কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Question No. 24, শ্ৰী ৰেকিবুদ্দিন আহমেদ। তেখেত অনুপস্থিত। এতিয়া question no.25, শ্ৰী অজয় কুমাৰ ৰয়। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অজয় কুমাৰ ৰয়, (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই খুব় ধুনীয়াকৈ উত্তৰটো দিছে আৰু আমি দেখাও পাইছো যে মন্ত্ৰী ডাঙৰীয়াই দিনে ৰাতিয়ে কাম কৰিছে। কিন্তু যিহেতু মোৰ বিজনী সমষ্টিটো ভূটানৰ একেবাৰে দাতিকাষৰীয়া আৰু ভূটানৰ বাঢ়নি পানীয়ে যেনেকৈ উটুৱাই লৈ যায় আৰু মোৰ সমষ্টিত বিশেষকৈ ৬ টা নদীত বহুত বেছি গৰাখহনীয়া হয়। আই নদী, দুলালী, মানস, ধলা, চিকা আৰু মাক্ৰা, এই ছখন নদীয়ে আমাৰ সমষ্টিটোত বহুত খহনীয়াৰ সৃষ্টি কৰিছে। মন্ত্ৰী মহোদয়ে এই সমূহৰ ওপৰত অতি সোনকালে এটা ব্যৱস্থা ল'লে আমি যথেষ্ঠ উপকৃত হ'ম।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,তেখেতে যিটো প্ৰশ্ন কৰিছে তাৰ উত্তৰখিনি মই দিয়ে আছো। তেখেতে প্ৰশ্ন কৰিছে যে অসমৰ বানপানীৰ ক্ষেত্ৰত আমি কি কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, যেৰাবছৰ আমি আমাৰ গোটেই আঁচনিসমূহ যদি চাওঁ SDRF, SOPD বা FMBAP এই গোটেইবিলাক মিলাই আমি মুঠ ১১ কোটি টকা মানৰ কাম কৰিছো। এই বছৰ আমাৰ এই টকাৰ পৰিমাণ প্ৰায় ১৫০০ কোটি টকা হ'ব। আমাৰ

ধনৰ আবন্টনৰ ওপৰত নিৰ্দ্ধাৰিণ কৰে যে আমি কাম কিমান কৰো। আগতকৈ সেইটো বহুত গুণে বাঢ়িছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সিদ্ধান্তটো লৈছে। গতিকে আমি অসমৰ বানপানীৰ বাবে অত্যন্ত গুৰুত্ব সহকাৰে ব্যৱস্থা লৈছো। কিন্তু এটা কথা ঠিক যে গোটেইখিনি কাম একেলগে কৰিব নোৱাৰি। মাননীয় সদস্য গৰাকীৰ সমষ্টিত বানপানী হয়, যোৱাবাৰো মই নিজে গৈছো। এইবাৰ আমি অলপ বেলেগ দৃষ্টিকোণেৰে কামবোৰ কৰিছো। তেখেতৰ সমষ্টিতো নিশ্চয়কৈ কাম কৰিম আৰু তেখেতৰ পৰামৰ্শ লম। আমি temporary কামো যথেষ্টখিনি কৰিছো। BTR ত আমি temporary কাম কৰিবলৈ Jio bag, Porcupine, sand bag আদি যথেষ্ঠখিনি পঠিয়াইছো। আপোনালোক বিধায়ক সকলৰ লগতো মোৰ কথা হয়, BTR ৰ মুৰব্বী প্ৰমোদ বড়ো ডাঙৰীয়াৰ লগতো মোৰ কথা হয়, মোক যেতিয়াই কয়, তেতিয়াই মই Porcupine, Jio bag, sand bag পঠিয়াইছো। আগতে temporary কাম কৰাৰ কাৰণে আমাৰ procurement টো বানপানীৰ আগতে নহৈছিল। যোৱাবছৰৰ পৰা আমি দেখিছো যে temporary কাম কৰিও যথেষ্ট মথাউৰি বচাব পাৰি। প্ৰায় ১১১ ঠাইত মই মথাউৰি বচাইছো। ইয়াৰ লগতে আমি permanent কামো কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া supplementary, শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে বানপানী মুক্ত এখন অসম গঢ়াৰ কাৰণে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰো দিছে যে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ সকলৰ পৰা আৰম্ভ কৰি বানপানী মুক্ত কৰাৰ কাৰণে বিভাগে বিভিন্ন পদক্ষেপ হাতত লৈছে। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাম যে জলসম্পদ বিভাগে বিশেষকৈ ব্ৰহ্মপুত্ৰ, বৰাক বা ডাঙৰ নদী সমূহৰ ওপৰতহে যথেষ্ট চকু ৰাখে আৰু সেইখিনি কৰিবলৈ তেওঁলোকে যত্ন কৰে। কিন্তু বানপানী মুক্ত এখন অসম গঢ়িবলৈ ব্ৰহ্মপুত্ৰৰ উপনৈসমূহক যদি আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো তেনেহ'লে অসমৰ বানপানী কেতিয়াও নিয়ন্ত্ৰণ নহয়, অসম বানপানী মুক্ত কেতিয়াও নহয়। কিন্তু ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহৰ ওপৰত জলসম্পদৰ বিষয়া সকলৰ যিখিনি তৎপৰতা থাকিব লাগে সেইখিনি নাই। তেওঁলোকে মন-কাণ ইমান নিদিয়ে। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাওঁ যে সঁচাকৈ যদি আমাক বানপানী মুক্ত অসম লাগে তেনেহ'লে ব্ৰহ্মপুত্ৰৰ উপনৈ বা সৰু নদী সমূহৰ ওপৰত মথাউৰিৰ ব্যৱস্থা, খহনীয়া ৰোধৰ ব্যৱস্থা এই কামখিনি যেতিয়ালৈকে আমি নকৰিম তেতিয়ালৈকে বানপানী ৰোধ নহয়। এইখিনিৰ ওপৰত বিভাগে কেতিয়া তৎপৰতা দেখাব, কেতিয়া নিয়ন্ত্ৰণ আনিব, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ এই কথাটোত মই একমত নহয়। আপুনি বিভাগৰ বিষয়া কৰ্মচাৰীক যদি তৎপৰ নহয় বুলি কয়, এই কথাটো মই নামানো। যোৱাবছৰ আমাৰ ৪১ টা breach হৈছে। Breach avoided in 121 locations of 63 embankments. ইয়াৰ অৰ্থটো হৈছে যে ১২১ টা মথাউৰি ভঙাৰ পৰা ৰক্ষা পৰিছে। যোৱাবাৰ মোৰ সমষ্টিৰ কলং নদীত তিনিটা breach ৰখাইছো। ২০০৪ চনত breach আছিলে ৩৫৪ টা। যোৱাবাৰৰ বৰষুণটো ২০০৪ চনৰ বৰষুণৰ সমান আছিলে বুলি সকলোৱে কয়। কিন্তু যোৱাবছৰ আমাৰ ৪১ টা breach হৈছে। ১২১ টা মথাউৰি ভঙাৰ পৰা ৰক্ষা কৰিছো। তাৰ পিছতো যদি আমি কওঁ যে বিভাগৰ বিষয়া সকল তৎপৰ নহয়, সেইটো ভুল কথা।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৬, শ্ৰী ধমেশ্বৰ কোঁৱৰ।

**শ্ৰী কমলাক্ষ দে’ পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীবজাৰত এনেকুৱা breach হৈছিলে, আপোনালোকৰ বিষয়াও তাত গৈছিলে, কিন্তু তাত কোনো sanction হোৱা নাই।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, একেখিনি বিষয়াই আপোনালোকৰ চৰকাৰত কাম কৰিলে পবিত্ৰ হৈ যায়। এতিয়া বেয়া হৈছে, এইটো কেনেকুৱা কথা। ----হুলস্থুল----------

**মাননীয় অধ্যক্ষ ঃ** এইটো বিতৰ্ক হ’ব নালাগে। --------হুলস্থুল----------

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক হ’লে আপুনি বাহিৰ কৰি দিলে হেঁতেন, এতিয়া তেওঁলোক দুজনকো expel কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা অনুগ্ৰহ কৰি জানিব বিচাৰিছো যে, মোৰ প্ৰথম প্ৰশ্ন হৈছে আমাৰ সোণাৰি সমষ্টিৰ গাতে লাগি থকা দুখন চুবুৰীয়া ৰাজ্য অৰুণাচল আৰু নাগালেণ্ড আৰু সোণাৰি সমষ্টিৰ যিধৰণে উন্নয়ণ হ’ব লাগিছিল তেনেদৰে উন্নয়ণ হোৱা পৰিলক্ষিত হোৱা নাই। কাৰণ সীমান্ত অঞ্চলত বহু কেইখন Non cadastral গাওঁ আছে। বৰ্তমান সোণাৰি সমষ্টিত কিমানখন Non cadastral গাওঁ আছে এই বিষয়ে বিভাগৰ হাতত কিবা তথ্য আছে নেকি, মই সবিশেষ জানিব বিচাৰিছো।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, সীমান্ত উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি কেইখন চুবুৰীয়া ৰাজ্যৰ লগত সীমা সমস্যা আছে , এইকেইখন ৰাজ্য অসমৰ পৰাই ফাটি যোৱা ৰাজ্য । যেতিয়া ৰাজ্য সৃষ্টি কৰিছিল কেন্দ্ৰীয় চৰকাৰে সেই সময়ছোৱাত যদি সীমাটো ওৱানচ ফৰ অল চেটেল কৰিলেহেঁতেন তেতিয়া হ’লে বৰ্ত্তমান সময়ত যিবিলাক অসম- নগালেণ্ড সীমান্ততে হওক, অসম -অৰুণাচল সীমান্ততে হওক, অসম- মেঘালয় সীমান্ততে হওক বা অসম -মিজোৰাম সীমান্ততে হওক ৰাইজে এতিয়া মুখামুখি হ’ব লগা হৈছে সেইবিলাক সমস্যা মুখামুখি হ’ব লগা নহ’লহেঁতেন । সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই চুবুৰীয়া ৰাজ্যসমূহৰ লগত থকা সীমা বিবাদ মীমাংসা কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছো আৰু ইতিমধ্যে এইক্ষেত্ৰত আমি যথেষ্ট সফলকাম হৈছো। এতিয়া সোণাৰি সমষ্টিৰ যিকেইটা অঞ্চলৰ কথা সন্মানীয় সদস্যগৰাকীয়ে উল্লেখ কৰিছে, সেই অঞ্চলতো এটা সময়ত এটা ঘটনা সংঘটিত হৈছিল যাৰ ফলত বিভিন্ন সময়ত তাত উত্তেজনা বিৰাজ হৈ থাকে। উন্নয়ণমূলক কাম- কাজবিলাক চৰকাৰ এখনে কৰিবলৈ গ’লে দেখা যায় যে, কেতিয়াবা বাধাও আহে । কাৰণ অসম- নগালেণ্ড সীমান্তৰ কেইটামান চেক্টৰত এতিয়াও তাত নিউট্ৰেল ফোৰ্চ হিচাপে চি আৰ পি এফ আছে । এতিয়া চৰকাৰৰ হাতত যি তথ্য আছে সেই তথ্যমতে সোণাৰি সমষ্টিৰ সাপেখাতী ৰাজহ চক্ৰত এখন নন কেডেষ্ট্ৰেল জৰীপবিহীন গাঁও আছে । সেই গাঁওখনৰ নাম হ’ল চৰাইপুং গাঁও । এই চৰাইপুং এন চি গাঁৱত এতিয়া জৰীপৰ কাম চলি আছে । এই গাঁৱত পি ডব্লিও ডি আৰ আৰৰ অধীনত এক কি.মি পথ সম্প্ৰসাৰণৰ কাম কৰা হৈছে । আমি আশা ৰাখিছো সোনকালে হ’ব । লগতে অৰুণাচলৰ লগত কথা বতৰা চলি আছে এই সমস্যাটো সোনকালে সমাধান হ’ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, চেকেণ্ড চাপ্লিমেন্টৰী ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** অধ্যক্ষ মহোদয়, নন কেডেষ্ট্ৰেল গাঁৱসমূহত উন্নয়ণৰ আঁচনি ৰূপায়ণৰ বাবে যথেষ্ট যে অসুবিধা সেইটো আমি গম পাইছো । কিন্তু এই গাঁৱসমূহত উন্নয়ণমূলক কাম- কাজ কৰিবৰ কাৰণে সীমান্ত উন্নয়ণ বিভাগে চৰকাৰী উন্নয়ণমূলক কাম কৰাৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনেকি ? সবিশেষ জনাব পাৰিবনে ? লগতে যদি ব্যৱস্থা গ্ৰহণ কৰিছে তেতিয়া হ'লে কেতিয়াৰ পৰা উন্নয়ণৰ আঁচনিসমূহ ৰূপায়ণ কৰিব পৰা হ'ব, সবিশেষ জনাবলৈ মই মন্ত্ৰী মহোদয়ক জনালো।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয় , সীমান্ত উন্নয়ণৰ বাবে বিভিন্ন আঁচনি লোৱা হয় । ৰাজ্য চৰকাৰেও ফাণ্ড দিয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰাও কিছুমান ফাণ্ড আমি পাঁও আন্তঃৰাষ্ট্ৰীয় সীমান্তত । কিন্তু কথা হৈছে তেখেতৰ হাতত তাত উন্নয়ণৰ বাবে যদি কিবা আঁচনি আছে উপায়ুক্তৰ জৰিয়তে আমালৈ প্ৰেৰণ কৰিবলৈ মই আপোনাৰ জৰিয়তে সন্মানীয় সদস্যগৰাকীক অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, কোৱেশ্যন নং- ২৭ শ্ৰীমজিবুৰ ৰহমান ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই লিখিত উত্তৰ দিছে । মই এটা কথা উনুকিয়াব খুজিছো । অসমৰ ভিতৰত দলগাঁও সমষ্টি এখন কৃষি প্ৰধান অঞ্চল । ইয়াত শতকৰা নাইনটী পাৰ্চেন্টেই কৃষিৰ ওপৰত নিৰ্ভৰশীল । তাত দুখন বজাৰ আছে - বেছিমাৰী শাক পাচলিৰ দৈনিক বজাৰ আৰু খাৰুপেটীয়া - বালুগাঁও শাক -পাচলিৰ দৈনিক বজাৰ । এই বজাৰ দুখনৰ পৰা দৈনিক শ শ ট্ৰাক পাচলি বিক্ৰী হয় । এই সামগ্ৰীসমূহৰ ভিতৰত ধানৰ মিনিমাম চাপোৰ্ট প্ৰাইছ নিৰ্দ্ধাৰিত কৰা আছে । মৰাপাট, ঘেহুঁৰ চাপোৰ্টি প্ৰাইছ নিৰ্দ্ধাৰিত কৰা আছে লগতে আৰু বহু কৃষিজাত সামগ্ৰী আছে যেনে- বিনজল (বেঙেনা) পটেটো ( আলু) টমেটো ( বিলাহী ) ক'লি ফ্লাৱাৰ (ফুল কবি) কেবেজ (বন্ধা কবি) এনেকুৱা বহু কৃষিজাত সামগ্ৰী আছে। কিন্তু এই সামগ্ৰীখিনিৰ মিনিমাম চাপোৰ্ট প্ৰাইছ নথকা কাৰণে কৃষকসকলে কেতিয়াবা পানীৰ দৰত এই পাচলি বজাৰত বিক্ৰী কৰিব লগা হৈছে । এই সামগ্ৰীখিনি বাহিৰলৈ ৰপ্তানী কৰাৰ বাবে যদি কিবা বিধি ব্যৱস্থা চৰকাৰে কৰে তেতিয়াহ'লে এই কৃষকসকল উপকৃত হ'ব । ইতিমধ্যে আমাৰ খাৰুপেটীয়াৰ পাচলি লণ্ডনৰ মাৰ্কেটত আদৰ লাভ কৰিছে । কিন্তু স্মল স্কেলত ৰপ্তানি কৰি থকা হৈছে , এইটো লাৰ্জ স্কেলত কৰিলে মোৰ সমষ্টিত বহু খেতিয়ক উপকৃত হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী, কৃষি,সীমান্ত উন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীৰ যি প্ৰশ্ন আছিল সেই প্ৰশ্নৰ উত্তৰ আমি লিখিতভাৱে তেখেতক দাখিল কৰিছো । তাৰ ওপৰিও তেখেতে দুটামান কথা কৈছে - হয় আমি স্বীকাৰ কৰো যে তেখেত যিটো অঞ্চলক প্ৰতিনিধিত্ব কৰিছে সেই অঞ্চলৰ খেতিয়কে বছৰটোত কেইবাতৰপীয়া খেতি কৰে । অৱশ্যে তাত কিছুমান সমস্যাও হৈছে , সমস্যাবিলাক এনেকুৱা - অত্যাধিক মাত্ৰাত ৰাসায়নিক দ্ৰব্য আৰু কীটনাশক দ্ৰব্যৰ খেতিত ব্যৱহাৰ ইত্যাদি এনেধৰণৰ অভিযোগবোৰ আছে । আমি সেইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছো তথাপি সেই অঞ্চলৰ ৰাইজে ভালকৈ খেতি কৰে । আমি তেখেতৰ তাত এটা কোল্ড ষ্ট'ৰেজো দিছো সেইটো অতি সোনকালে কাৰ্য্য আৰম্ভ কৰিব । আপোনালোকে জানে মাননীয়

মুখ্যমন্ত্ৰী ডাঙৰীয়াই পেডি প্ৰকিয়ৰমেন্টৰ ওপৰত যোৰাবাৰ কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল, লক্ষ্য আছিল ৰাজ্যখনৰ ১০ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰাৰ । প্ৰায় ৭ লাখৰ ওচৰা- ওচৰি ধান যোৰাবাৰ ক্ৰয় কৰা হৈছে। ১৯৪০ টকা দৰত ক্ৰয় কৰা হৈছিলে । কিন্তু এইবাৰ ইয়াৰ এম এচ পি বৃদ্ধি কৰি ২০৪০ টকালৈ বৃদ্ধি কৰা হৈছে । ইয়াৰোপৰি তেখেতে কোৱা ধৰণে মৰাপাট আৰু তেনেধৰণৰ আমাৰ উৎপাদিত ফচলৰ ওপৰত আমি এম এচ পি ব্যৱহাৰ কৰিব পাৰো। এইখিনি কৰাৰ বাবে চৰকাৰে ইতিমধ্যে ব্যৱস্থা লৈছে । সন্মানীয় বিধায়কে বজাৰৰ কথাও কৈছে - আমি যোৱা ১৭ -১৮ -১৯ ডিচেম্বৰ তাৰিখে আমি এখন ইন্টাৰনেশ্যনেল এগ্ৰি- হৰ্টি শ্বো পাতিছিলো । তাত ৮ খন দেশৰ প্ৰতিনিধিও আহিছিল। বায়াৰছ- চেলাৰছ মীটো আমি তাত পাতিছিলো । সেই মীটত আমি দেখিলো যে আন্তঃৰাষ্ট্ৰীয় কেইবাগৰাকী বায়াৰচ আহিছিলে। আমাৰ ৰাজ্যত এক পি চি , এক পি ও যিবিলাক গঠন হৈছে আৰু বহু ফাৰ্মাৰৰ লগত আমি মুখামুখি আমি কৰি দিছিলো যাতে পোনপটীয়াভাৱে এই বিলাকৰ পৰা বস্তু আমি ক্ৰয় কৰিব পাৰে। সন্মানীয় সদস্যসকলক মই অনুৰোধ জনাম যাতে আহি থকা দিনবিলাকত নিজৰ অঞ্চলৰ খেতিয়কে যাতে উচিত মূল্য পায় তাৰ বাবে চৰকাৰে বাকী য'ত য'ত এম এচ পি আছে এইবিলাক কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব আৰু এইক্ষেত্ৰত আমি আপোনালোকৰ সহযোগীতা কামনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া দিগন্ত বৰ্মন ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মজিবুৰ ৰহমান ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰৰ ক্ষেত্ৰত কৈছো যিটো (ক) প্ৰশ্নোত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে- এপাৰ্টৰ যোগেদি অসমত ১০১ খন বজাৰ আপগ্ৰেডৰ কাম হাতত লৈছে । মই গম পাইছো বৰক্ষেত্ৰী সমষ্টিৰ মুকালমুৱাত এখন বজাৰ হ'ব, কিন্তু বিভাগৰ পৰা স্থানীয় বিধায়কক একো অৱগত কৰা নাই । দ্বিতীয়তে (খ) উত্তৰত কৈছে যে এইবাৰ আপোনালোকে ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিছে এইটো ভাল কথা। প্ৰতি কুইন্টলত ২০৪০ টকাকৈ দিছে। মই যিটো খবৰ যোৱাকালি পালো যে চৰকাৰে অকল বাহাদুৰ আৰু ৰঞ্জিৎ টোহে লৈ আছে । যিবিলাক ধান উৎপাদন হৈছে- বাইশমুঠি, ৰঞ্জণা, মাচুৰী, কাজুলী, থিয়কটা, বোকা ধান,সোৱাদগুৰি, মইনাগিৰী, ফুলপাতী এইবিলাক যিবিলাক আমাৰ ধান আছে সেইবিলাক লোৱা নাই । এইবোৰ ধানৰ মূল্য বজাৰত একেবাৰে পৰি গৈছে । ৭৪০ - ৮০০ টকাতো মানুহে নিকিনে । এইটো লৈ কিন্তু খেতিয়কসকলৰ সমস্যা হৈছে । সকলো খেতিয়কে বাহাদুৰ আৰু ৰঞ্জিৎ নকৰিব পাৰে । গতিকে সেইটোৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা ল'ব ? আৰু এটা কথা অধ্যক্ষ মহোদয়, মোৰ এটা কোৱেশ্বন আছিল যে, বৰক্ষেত্ৰী সমষ্টিত এটা শীতল ঘৰ দিব লাগে , উত্তৰটো দিছে- অনলাইনযোগে এপ্লাই কৰিলে ৫০ শতাংশ ৰাজসাহাৰ্য্য দিব বুলি কৈছে। গতিকে আমাৰ মানুহখিনিয়ে গম পাব লাগিব। চৰকাৰে বিজ্ঞাপন দিয়ক, বিজ্ঞাপন দিলে মানুহ আগুৱাই আহিব। মোৰ এটা প্ৰশ্ন আছিল ৩৭ ত, বৰক্ষেত্ৰীত এটা শীতল গৃহৰ। নাহিব বুলি মই এতিয়াই কৈছোঁ, ৫০ শতাংশ অনলাইনযোগে এপ্লাই কৰিলে ৰাজসাহাৰ্য্য দিব বুলি কৈছে। গতিকে আমাৰ মানুহে গম পাব লাগিব, বিজ্ঞাপন দিব লাগিব। বিজ্ঞাপন দিলে নিশ্চয় কোনোবা আহিব, নহ'লে মুকালমুৱাত এটা শীতল গৃহৰ নিৰ্মাণ কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বাৰ অসম Food and Civil Supply Corporationত চৰকাৰে দায়িত্ব দিছে, ধান ক্ৰয়ৰ বাবে। আপোনালোকে জানে নিজেই যিখিনি চাউল খাব মানুহৰ পচগুৰো হ'ব লাগিব। সেই কাৰণে গুণগত মান বিশিষ্ট আমি খেতি

উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছোঁ। আপোনালোকে দেখিছে যে বতৰৰ জলাবায়ুৰ যথেষ্ট পৰিবৰ্তন ঘটিছে। আজি ৰন্দিতসাহবনৰ দৰে এইধৰণৰ Variety বোৰ হৈছে, short duration আৰু চাপটোলয়ন Variety. গতিকে আমাৰ ৰাজ্যত বহুত খেতিয়কে এই খেতি কৰিবলৈ আগবাঢ়ি আহিছে। বাকী ইয়াৰ বাহিৰেও অন্যবোৰ definitely Food and Civil Supply Corporation য়ে ক্ৰয় কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৮, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানী আৰু গড়াখহনীয়াৰ ফলত ৰাজ্য খনত কিমান মাটি জাহ গৈছিল এই সম্পৰ্কত প্ৰশ্ন সোধাত এটা কথা কৈছে যে তথ্য বিচৰা হৈছে। গতিকে তথ্যটো পামনে নাই, সেইটো মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছোঁ।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিভাগৰ কামটো হ'ল যে Flood control. বাকীখিনি ৰাজহ বিভাগত আহি যাব। আমি তেওঁলোকৰ লগত যোগাযোগ কৰিছোঁ। তেওঁলোকে দিয়া নাই। কিন্তু পৰৱৰ্ত্তীত যদি আনিব লাগে ৰাজহ বিভাগত আনিব লাগিব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰতে এটা খানাজান নদী আছে। এই খানাজান নদীৰ গড়াখনীয়াৰ ফলত এটা পথৰ আধা অংশ ইতিমধ্যে উটি গৈছে। যোৱাবছৰ মই জনামতে প্ৰায় ৫ কোটি টকা SDRFৰ পৰা দিয়া হৈছিল। কিন্তু সেই টকাটোৰ টেণ্ডাৰো হ'ল, work order নোলাল। দ্বিতীয়তে, এতিয়া খানাজান নদীৰ গাৰ্ডৱাল আৰু ইফালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত শদিলাপুৰৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ গড়াখহনীয়া আৰু লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত যি কৃত্ৰিম বানপানী হয়, সেই তিনিটাত কোৱা হৈছে যে আঁচনি প্ৰস্তুত কৰা হৈছে, মই ধন্যবাদ দিছো। কিন্তু প্ৰস্তুত কৰা মানেই মঞ্জুৰী কৰা নহয়। গতিকে এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে এই তিনিটা মঞ্জুৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, আচলতে দুটা প্ৰশ্ন মোৰ Department related. গুৱাহাটী বিশ্ববিদ্যালয়ৰ বানপানীটো ডাইৰেক্টলি Water Resource বিভাগৰ লগত related নহয়। যোৱা বছৰ যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত কৃত্ৰিম বানপানী হৈছিল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক তালৈ পঠিয়াইছিল। মই অভিযন্তাসকলক লৈ গৈছিলোঁ। তাত আমি drain খান্দি দি বা drain বিলাক মানুহে enclose কৰিছে, সেই ড্ৰেইন মোকলাওতে যথেষ্ট পানী ওলাই গৈছিল। কিন্তু সেই গোটেই বস্তুটো আচলতে কৃত্ৰিম বানপানীটো আমি নাচাও। কৃত্ৰিম বানপানীটো গুৱাহাটীৰ ভিতৰত, Guwahati Development Department বা Housing and Urban Department চাব লাগে। তথাপি বিশ্ববিদ্যালয়ৰ বাবে আমি সকলোৰে serious হৈ আছোঁ। বাকী কেইটা, মাননীয় সদস্য ডাঙৰীয়াই যিকেইটা কথা কলে আমি অতি সোনকালে কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, supplementary এটা আছে।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী)**ঃ অধ্যক্ষ ডাঙৰীয়া, SDRF scheme এৱাৰ্ড হৈ গ'ল কাম আৰম্ভ

হ'ব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দীঘল আছিল প্ৰশ্নটো।

**মাননীয় অধ্যক্ষ ঃ** দীঘল নালাগে। আপুনি দুটা কলে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, supplementary এটা আছে। মই আৰু এটা দিছিলো যে বানপানী আৰু গড়াখহনীয়াটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ল'ব নেকি? এই কথাটোৰ উত্তৰ লাগে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, ৰাষ্ট্ৰীয় সমস্যাটো মই ল'ব নোৱাৰো। মই ৰাজ্য চৰকাৰৰ মন্ত্ৰী। কিন্তু এটা মই কৈ আছো, যে আজি ৩ বছৰলৈকে Water Resource Department ৰ বাজেট আছিল ৩০০ কোটি টকা, এতিয়া বাজেট হৈছে ১২০০/১৩০০ কোটি টকা। গতিকে আমি নিজৰ পুঁজিৰেও যথেষ্ট কৰিবলৈ সক্ষম। গতিকে কাম কৰিছোঁ, কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীৰফিকুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** চৰকাৰে এইটো কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব লাগে প্ৰপোজেল।

**মাননীয় অধ্যক্ষ ঃ** Please, please. এতিয়া শ্ৰীৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়া প্ৰতিৰোধৰ চৰকাৰী ব্যৱস্থাৰ কথা উত্তৰত দিছে। তাৰ মাজত আমাৰ বেকী আৰু বুঢ়িদিহিঙো আছে। ইতিমধ্যে মন্ত্ৰী মহোদয়ে কৈছে, ৰেকীৰ কথাও কৈছে World Bank ৰ যিটো sanction.

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি জানিব বিচাৰিছে?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰিছো মই administrative approval দুই এদিনত হ'ব। কিন্তু মন্ত্ৰী মহোদয়ে তাত গৈছিল। ১০০ কোটিৰ যিটো বেকীৰ ওপৰৰ দলং সেইটো disconnect হৈয়ে গৈছিল। উপ-পথ বনাই কোনোমতে ৰাস্তাটো ৰখা হৈছে, straight highway ও চিঙি গৈছে, administrative approval হোৱাৰ পিছত অতি সোনকালে কাম যদি আৰম্ভ নকৰে তেতিয়াহলে অসুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, অহা সোমবাৰ এৱাৰ্ড হ'ব। মই ইতিমধ্যে কৈছে যে Water Resourceৰ কেতিয়া টেণ্ডাৰ হ'ব, কেতিয়া কামৰ এৱাৰ্ড হ'ব, timeline fix কৰিছোঁ।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** ঠিক আছে, মই অনুৰোধ কৰিছোঁ যে এই আৰম্ভণিটো বেকী নদীৰ পৰা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ইতিমধ্যে আপুনি পাই যাব, মন্ত্ৰীয়ে উত্তৰ দিলে। এতিয়া শ্ৰীঅখিল গগৈ, প্ৰশ্ন নং ২৯।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰথম যিটো প্ৰশ্নৰ উত্তৰ দিছে, ইয়াত লিখিছে যে মেঘালয়ৰ লগত আমাৰ বিবাদমান ভূমিৰ পৰিমাণ হ'ল ৩৬.৭৯ বৰ্গ কি.মিটাৰ। অধ্যক্ষ মহোদয়, কেইদিন মানৰ আগতে আমাৰ সন্মানীয় বিধায়িকা নন্দিতা দাসৰ এটা তৰাবিহীন প্ৰশ্ন নং ১৩৩ ৰ উত্তৰত একে বিভাগে উত্তৰ দি থৈছিল যে মেঘালয় আমাৰ ৩৪ বৰ্গ কি. মিটাৰ ভূমি বেদখল কৰি আছে। এতিয়া দিছে বিবাদমান ভূমি ৩৪ বৰ্গ কি. মিটাৰ। দুদিন মানৰ আগৰ চেচনত

উত্তৰ দিছিল যে ৩৬ বৰ্গ কি. মিটাৰ ভূমি অসমৰ মাটি মেঘালয়ে দখল কৰি আছে। এতিয়া উত্তৰটো দিছে যে আমি এৰি দিব লগীয়া মাটিৰ পৰিমাণ ১৮ বৰ্গ কি.মিটাৰ আৰু আমি পাব লগীয়া মাটিৰ পৰিমাণ ১৮ বৰ্গ কি. মিটাৰ। পইন্ট আছে। এতিয়া কথাটো হ'ল যি মাটি আমাৰ অসমৰ মাটি আছিল, যি আমি মাটি পাব লগীয়া আছিল, নন্দিতা দাসৰ প্ৰশ্নৰ উত্তৰত সেই কথাটো ইতিমধ্যে কৈ থৈছে। সেই মাটিকে এতিয়া বিবাদমান মাটি বুলি কৈ এতিয়া কৈছে যে আধা আধা ভাগ হ'ব। তাৰমানে আমাৰে অসমৰ মাটিৰ সেই আধা মাটি মেঘালয়ক দি দিব। সেই কথাটো পোনে পোনে নকয় এতিয়া ওলোটাকৈ আমাক সেই...

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মোৰ প্ৰশ্নটো হ'ল যে অসমৰ যি ৩৪৪১ হেক্টৰ ভূমি, সেই ভূমি ঘুৰাই আনিবলৈ কি ব্যৱস্থা লৈছে আৰু আচলতে মেঘালয় বা অন্যৰাজ্যক অসমৰ ভূমি এনেকৈ গিফ্‌ট দিব খুজিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়েও জানে আৰু আমাৰ সদনৰ সকলো সদস্যই জানে যে চুবুৰীয়া ৰাজ্য সমূহৰ লগত সীমা সমস্যা আছে। মই বক্তব্যত উল্লেখ কৰি গৈছো। যেতিয়া নতুন ৰাজ্যৰ সৃষ্টি কৰিছিল, সেই সৃষ্টিৰ সময়তে যদি জনি মাৰি কামটো কৰিলেহেতেন আৰু যেতিয়াই নতুন ৰাজ্যৰ সৃষ্টি হৈছে আমি দেখিছো যে কিবা এটা সেই সময়ৰ চৰকাৰে অলপ চিত পপোলাৰিটি ল'বৰ কাৰণে বা ইলেকচনৰ আগমুহূৰ্তত এনেধৰণৰ কাম সাধাৰণতে কৰিছিল। গতিকে কামটো জনি নমৰাকৈ কৰাৰ কাৰণে তাত সেই সমস্যাটো থাকি গ'ল আৰু পিছৰ পৰ্য্যায়ত সেই সমস্যা মীমাংসা কৰিবৰ কাৰণে কোনোৱে গুৰুত্ব নিদিলে। এতিয়া মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে নন্দিতা দাস ডাঙৰীয়ানীৰ প্ৰশ্নৰ উত্তৰত এনেকুৱা কিবা এটা উত্তৰ দিয়া হৈছিল, কিন্তু আমি যিখিনি অঞ্চল আমাৰ বুলি কৈ আহিছো অন্যথা তেনেবোৰ কেটবোৰ অঞ্চল আছে, যিবোৰ চুবুৰীয়া ৰাজ্যই কয় যে সেইটো আমাৰ অঞ্চল। সেই কাৰণে আমি বিবাদমান অঞ্চল বুলি কৈছোঁ। বিবাদমান ভূমিৰ পৰিমাণ আমি উল্লেখ কৰিছোঁ। ইয়াত যিটো তথ্য দিছো, ৩৬.৭৯ লাখ। এৰি দিয়াৰ ভূমিৰ পৰিমাণ ১৮.৩৩ পাবলগীয়া ভূমি পৰিমাণ ১৮.৪৪ এইটো কোনো ভূল তথ্য সদনৰ মজিয়াত দিয়া নাই। সদনক আমি কেতিয়াও বিপথে পৰিচালনা নকৰো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ভূল তথ্য দিছে।

(সদনত হুলস্থুলৰ পৰিবেশ)

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপুনি আঙুলি টোৱাব নোৱাৰে, আপুনি মন্ত্ৰীক ক্ষমা খোজক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ক্ষমা নখোজো।

**মাননীয় অধ্যক্ষ** ঃ মই অখিল গগৈ ডাঙৰীয়াক আজিৰ দিনটোৰ বাবে সদনৰ পৰা বহিস্কাৰ কৰিলো। সন্মানীয় সদন বাৰে বাৰে এইটো পৰিবেশ সদনত হৈ আছে আৰু সন্মানীয় সদস্য জনে সদাই সদনৰ ৰুলটো ভংগ কৰে, ৰুলিং নামানে। আমাৰ বিধায়িনী প্ৰক্ৰিয়া নিময়ৰ মাজেৰে হে চলে কাৰো ব্যক্তিগত ইচ্ছামতে এই সদনখন নচলে। আমাৰ দেশখন গণতান্ত্ৰিক দেশ আৰু দেশখন পৰিচালনা কৰিবৰ বাবে এই ব্যৱস্থাটো কৰা হৈছে। ইয়াত কোনো ব্যক্তিৰ চিন্তা মতে দেশখন নচলে। সদনৰ মজিয়াত সকলোৰে যিবোৰ মতামত সেইটো লৈ হে, ইয়াত সিদ্ধান্ত হয়। ইয়াত যিটো সিদ্ধান্ত হৈ যায় সেইটো সকলোৱে মানি পেলাই সেইটোৱে আমাৰ দেশখন পৰিচালনা

কৰা হয়। চৰকাৰ হিচাবে গণতান্ত্রিক ভাবে ৰাইজে জাক নির্বাচিত কৰি দিছে তেওঁলোকে এই সদনত আলোচনা কৰি পেলাই এই চৰকাৰে দেশৰ কাৰণে ৰাজ্যৰ কাৰণে আৰু জনগণৰ বাবে কি ধৰণৰ পৰিকল্পনা লৈ কাম কৰিব, এই সদনতে দাঙি ধৰে। প্রত্যকজন বিধায়কে তাত মতামত দিয়াৰ পিছত ইয়াত সিদ্ধান্ত হয় যায়। তাৰ পিছত হে এইটো কার্য্য ক্ষেত্রত ৰূপান্তিৰত হয়। সদন গুৰুত্বপূর্ণ সদনত কোনেও কাকো ধমকি দিব নোৱাৰে। এইটো খুব বেয়া কথা এইটো কাৰণত মই ক্ষমা খুজিব দিছিলো তেখেতে অবজ্ঞা কৰিছে হাউচত মই উপায়হীন। কোনোৱা এজন ব্যক্তিৰ কাৰণে আমাৰ সদনত কেতিয়াও বন্ধ হ'ব নোৱাৰে। সকলোৰে আমি জানো। যদি কোনো ৰুল নামানে তেতিয়া হ'লে অধ্যক্ষ জনে এটা শব্দৰ দ্বাৰাই এজন বিধায়কৰ পদ খাৰিজ কৰিব পাৰে। এইখিনি নিয়মও কৰি থোৱা আছে। কেতিয়াবা বাতৰি কাকততো ভুল হয় থাকে, তেখেতক বাহিৰ কৰিছে কথা ক'বলৈ দিয়া হোৱা নাই। আমাৰ সকলোৰে ৰুল আছে কথা কোৱাত। পৰিপূৰক প্রশ্নৰ নির্দিষ্ট ভাবে প্রশ্ন কৰিব লাগে। তেতিয়াহে উত্তৰটো পোৱা যায়। ইয়াৰ পিছত যদি ইয়াত ভাষণ দিব খোজে বা অশান্তি কৰি থাকে তেতিয়া হ'লে সদনখনৰ বিষয়ে বাতৰি কাকতত লিখে যে, ৰাইজৰ পইচা ইয়াত খৰচ কৰা হয়। এইবোৰ ৰাইজৰ টকা। প্রত্যকটো মিনিটত কিমান টকা খৰচ হৈ আছে। কনোৱা এজনে নিয়ম ভংগ কৰি পেলাই এই সদনখন যদি আলোচনা কৰাৰ পৰিবেশ নষ্ট কৰে তেতিয়া আমাৰ কিমান সময় বা অর্থনীতিক ভাবে ৰাইজৰ কিমান ক্ষতি হয়। সকলো সদস্যকে মই অনুৰোধ কৰিছো, সকলোৰে প্রতিবাদ কৰক, প্রতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে কিন্তু হাউচৰ ৰুলিংটো শুনি পেলাই আকৌ আমি সদনখন চলাৰ পৰিবেশটো সকলোৰে দাঙি ধৰিব লাগে।

**শ্রী দেৱব্রত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ যি পৰিস্থিতিৰ যি উদ্ভৱ হ'ল এইখিনিৰ কাৰণে আমিও দুখ পাইছো আৰু আমাৰ বহু সময় এনেই গ'ল। যেতিয়া আমাৰ প্রশ্নৰ উত্তৰ হয়, তেতিয়া উত্তৰ বিলাক সঠিক হ'লে এনেকুৱা পৰিস্থিতি নহয়। ১৯৮৫ চনত অসম আৰু মেঘালয় দুয়োপক্ষই এটা বাউণ্ডাৰী কমিশ্যনক দিছিলে আৰু সেইটো আছিল ন্যায়াধীশ Y V Chandrachur and Justic Desai. তেতিয়া মেঘালয়ৰ Claim টো সেই সময়তে নাকচ কৰা হৈছে। মেঘালয়ে সেই নাকচ কৰা আপত্তিটো ইচ্ছাকৃত ভাবে আলোচনালৈ আনিছে। এই ক্ষেত্রত অসম চৰকাৰ যদি কঠোৰ হয় তেতিয়া হ'লে এনে পৰিস্থিতি নহ'ব। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ পৰা এটা চৰকাৰক ৰুলি দিব লাগে যাতে প্রকৃত কথাখিনি পোহৰলৈ আহে।

**শ্রী ৰকিবুল হুছেইন, (চামগুৰি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো ৰায় দিছে আমি মানিবলৈ বাধ্য। আমি আপোনাক সদাই সহায় কৰিব বিচাৰিছো। মই অনুৰোধ কৰিম যে উত্তৰ দি থাকোতে আৰু প্রশ্ন কৰোতে বহি পেলাই যাতে কোনেও ঠাট্টা কৰি নাথাকে। সেইটো অকমান চাব লাগে। সেইটোৰ পৰাই এইটো উদ্ভৱ হয়। আমি যেতিয়া কৈ থাকোতে শাসকীয় পক্ষই নাই কোৱা বুলি কয় মাননীয় অধ্যক্ষ মহোদয় আপুনি চিচি কেমাৰত চায় ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ Question Hour is Over. এতিয়া আছে শূণ্যকালীন ঘন্টা, এই শূণ্যকালীন ঘন্টাত ক'ব কমলাক্ষ দে পুৰকায়স্থই।

**শ্রী আমিনুল ইছলাম, (ধিং,জ্যেষ্ঠ)** ঃ চাৰ, পইন্ট অৱ অর্ডাৰ। ইয়াতে সদনত প্রশ্নকালীন ঘন্টাতে হওঁক বা অন্য ক্ষেত্রত একেলগে কেইবাজনো বিধায়ক ঠিয় হৈ ধমকি দিয়াৰ নিচিনা পৰিবেশ হয়, এই কথাটোৰ ক্ষেত্রত আপুনি এটা ৰুলিং দিব লাগে যে মন্ত্রীৰে কোনোবা এজন সদস্যৰ বাকবিতণ্ডা

হ'লেও, অন্য কোনো সদস্য যাতে মাজতে উঠি এটা হুলস্থুলীয়া পৰিবেশ সৃষ্টি নকৰে, প্ৰয়োজন হ'লে প্ৰশিক্ষণৰ ব্যৱস্থা কৰক চাৰ।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ অধ্যক্ষ মহোদয়, আপোনাৰ discretionary power আছে, আপুনি সিদ্ধান্ত লয় আমি মানি লওঁ । কিন্তু ধমকি গ্ৰুপ হ'ব নালাগে সদনত। এনেকুৱা হ'ব নালাগে যে সচাঁ কথা কলে ধমকি দিব এই প্ৰৱণতা থাকিব নালাগে। সেইখিনি আপুনি চাব লাগে, এইটো আপোনাৰ প্ৰতি আবেদন থাকিল।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। point to be noted.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)**ঃ চাৰ, পইন্ট অৰ অৰ্ডাৰ। এটা লিখিত প্ৰশ্ন আছিল, এই প্ৰশ্নটোত হাতী- মানুহৰ সংঘাতৰ ফলত হাজাৰ বিঘামান মাটিত ৰাইজে খেতি কৰিব পৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম খুব সুন্দৰ উত্তৰ দিছে, আৰু এইটো কাৰ্য্যকৰী কৰিবৰ কাৰণে এটা টিম পঠিয়াবৰ কাৰণে বিধান সভাৰ পিছতে মই আপোনাক আহ্বান জনাম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী মহোদয়,

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)**ঃ অধ্যক্ষ মহোদয়, আমি যোৱাকালি সভাস্থগিত প্ৰস্তাৱ এটা উত্থাপন কৰিছিলো আপুনি পাইছেনে ? মহোদয়, উত্তৰ শেষ হৈ যোৱাৰ পিছত কেনেকৈ উত্তৰ দিয়ে? এনেকে হ'লে আমাৰো বহুত প্ৰশ্ন আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী,(মৰিয়নী)**ঃ মন্ত্ৰী মহোদয় উত্তৰ দিবৰ বাবে উঠিছিলহে। আপুনি তেনেকৈ ক'লে কেনেকৈ হ'ব?

..........(সদনত হুলস্থুল হয়)..........

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)**ঃ অধ্যক্ষ মহোদয়, আমি সভাস্থগিত প্ৰস্তাৱ আনিছিলো।

...........(সদনত হুলস্থুল হয়)...........

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য বহক। বহক ,বহক, বহক ।

**শ্ৰী আশ্ৰাফুল হুছেইন,(চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্যলৈ কিয় আঙুলি টুঁওৱা হৈছে?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্যসকল বহক। বহক ,বহক, বহক । সকলোৰে বহক মই বাৰে বাৰে কৈ আছো সদনৰ এটা মৰ্যাদা আছে। ইয়াত আহি যাৰ যি ইচ্ছা তাকে কৈ থাকিলে কেনেকৈ হ'ব?

(সদনত হুলস্থুল হয়)

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Rules of procedure মতে সভাস্থগিত প্ৰস্তাৱ এদিন হয়।

**মাননীয় অধ্যক্ষ** ঃ এদিনেই হয়, সেই কাৰণে মই কৈছো ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)**ঃ অধ্যক্ষ মহোদয়, Rules ত এই কথাটো নকয়, এদিনেই হ'ব পাৰে বুলি। মই যোৱাকালি যিহেতু সভাস্থগিত প্ৰস্তাৱ দিয়া নাই, মই আজি দিছো, আপুনি গ্ৰহণ কৰেনে নকৰে আপোনাৰ কথা। কিন্তু মই সভা স্থগিত প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো।

(সদনত হুলস্থুল হয়)

**শ্ৰী ফণীভূষণ চৌধুৰী,(বঙাইগাঁও)** ঃ অধ্যক্ষ ডাঙৰীয়া, মই আপোনাক এটা কথা সুধিব বিচাৰিছো, সভাস্থগিত প্ৰস্তাৱ যোৱাকালি দিছিল।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)**ঃ অধ্যক্ষ মহোদয়, নাই, মই যোৱাকালি দাখিল কৰিছো সন্ধিয়া

**মাননীয় অধ্যক্ষ ঃ** তেখেতে আজিৰ কাৰণে দিছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, মই ইমান ভুল কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোৰটো শুনি লওঁকচোন । আপুনি কৈছে, মই ৰেচপন দিছো, সাধাৰণতে সভাস্থগিত প্ৰস্তাৱটো ইয়াতে অকল এদিনহে কৰি আহি থকা হৈছে, আৰু সেইদৰে যোৱাকালি দুয়োটা দলৰ সভাস্থগিত প্ৰস্তাৱটো আহিছিল। গতিকে আপুনি আজি ৰুলৰ কথা কৈছে নিশ্চয়কৈ আমি ৰুলটো চাম, ভৱিষ্যতৰ দিনবোৰত যদি আছে আমাৰ সেইটো চলিব। বৰ্তমান সময়ত সেই হিচাবে চলিছে, আপোনাৰটো নাকচ কৰা হৈছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, উত্থাপন কৰিব দিয়ক।

............(সদনত হুলস্থুল হয়)...........

**মাননীয় অধ্যক্ষ ঃ** আপুনি পইন্ট অৱ অৰ্ডাৰ আনিলে ?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, ৫৬ নং ৰুলটো আপুনি চাওঁক মহোদয়,

**মাননীয় অধ্যক্ষ ঃ** মই কলো, আপুনি পইন্ট অৱ অৰ্ডাৰ হিচাবে সেইটো অৱগত কৰিলে মই ৰেচপন দিলো,

..........(সদনত হুলস্থুল হয়).............

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, মই ৫৬ নং ৰুল মতে সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো আপুনি নাকচ কৰে নে কি কৰে আপোনাৰ কথা। কেৱল মোক উত্থাপন কৰিবলৈ দিয়ক। মোৰ অধিকাৰটো কিয় খৰ্ব কৰে।

............(সদনত হুলস্থুল হয়)........

**মাননীয় অধ্যক্ষ ঃ** মই ইতিমধ্যে ক'লো । মই অধ্যক্ষ, ইয়াত যিটো নিয়ম চলি আহি আছে, আপুনি তেতিয়া হ'লে চকীত আহিব নেকি? যদি অধ্যক্ষক তেনেকৈ প্ৰশ্ন কৰে তেতিয়া কেনেকৈ হ'ব? আমি সকলোৱে সন্মানীয় সদস্য। ৰাইজে আশা কৰি আছে। আমাৰ কথাবতৰা পতাৰ নিয়ম যদি এনেকুৱা হয়, আমাক লৈ মানুহে কি বুলি ভাবিব? অধ্যক্ষ হিচাবে আগৰ পৰা যিটো চলি আহি আছে, সেই মতে । আপুনি আজি নতুন দিছে, মই সেইটো নাকচ কৰিছো কাৰণ এদিনত হ'ব লাগে। ইতিমধ্যে মই আপুনি কোৱা কথাটো গুৰুত্বসহকাৰে লৈছো আৰু সেইটো আমি বিবেচনা কৰি পৰৱৰ্তী পৰ্য্যায়ত প্ৰত্যেক দিনাই যদি সভাস্থগিত প্ৰস্তাৱ অনাৰ ৰুল আছে, মোৰ কোনো আপত্তি নাই। কিন্তু মই ছেকেণ্ডক কেনেকৈ সিদ্ধান্ত দিব পাৰো, যিটো নিয়ম হৈ আহি আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, কিন্তু মই যোৱাকালিয়েই দাখিল কৰিছো।

**................(সদনত হুলস্থূল)...........**

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, আপুনি ঠিকেই কৈছে। ইয়াত চেপ্তাৰ ১০, ১২ পেজ ৩৬ আৰু ৫৭ (১) ত লিখা আছে- Not more than one such motion shall be made at the same sitting গতিকে আপুনি কোৱাটো শুদ্ধ।

**মাননীয় অধ্যক্ষ ঃ** চাওক মই ইমান মেৰিটৰিয়াচ ষ্টুডেন্ট নহয় । মই ইমান আইন জনা মানুহ নহয়। মই বাধ্যত পৰি ইয়াত বহিব লগীয়া হৈছে। মই যি ধৰণৰ মানুহ মোৰ যি স্বভাৱ চৰিত্ৰ মোক ইয়াত শোভা নাপায় । সেই কাৰণেই কৈছো মই চেকেণ্ডতে মুখেৰে আইন এটা কৈ দিলে হ'ব নেকি, তাৰ কাৰণে অধ্যয়ন কৰিব লাগিব । মই এইটো কওঁ যে যদি আপুনি বিচাৰে তেতিয়াহ'লে অহাকালি আকৌ সভা স্থগিত প্ৰস্তাৱ দিব পাৰিব, অসুবিধা নাই । এতিয়া শূণ্যকালীন ঘন্টা। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ) ঃ** আপোনালোকে নাকচ কৰিছে ঠিকেই আছে কিন্তু মোৰ যিটো সভা স্থগিত প্ৰস্তাৱ আছিল সেইটো ৰিকোগনাইজ নকৰাটো মোৰ আপত্তি আছিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীন ঘন্টা। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) :-** মাননীয় অধ্যক্ষ মহোদয়, 'অসমৰ সৰকাৰি স্কুল দখল মিজোৰামৰ' ১৮ তাৰিখ অমসীয় প্ৰতিদিন বাতৰি কাকতত প্ৰকাশিত বিষয়টি উত্থাপন করার সুযোগ দেওয়ার কাৰনে ধন্যবাদ জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, প্রথমেই কয়েকটি লাইন বলতে চাইছি,—— गिरो गिरो गिरो,गिरो तो झर्णा कि तरह गिरो जो पर्बत कि उँचाइ से गिर कर भी अपना सुन्दरता को नही खोता। जमीन से मिलकर भी अपना अस्थित्त को नही खोता। অধ্যক্ষ মহোদয়, বিশেষ করে ডবল ইঞ্জিনের সরকার কেন্দ্রে যেভাবে অসমের ভূমি অর্থাৎ ভারতবর্ষের ভূমি বাংলাদেশকে দিচ্ছে, সমহারে আমরা দেখতে পাচ্ছি যে আমাদের মনানীয় মুখ্যমন্ত্রী বলছেন যে গুয়াহাটি দিয়ে দেব, নলবাড়ি দিয়ে দেব এই মানসিকতা দেখে মনে হচ্ছে সেটা কোন প্রতিযোগীতা শুরু হয়েছে। ভূমি দেওয়ার প্রতিযোগীতা শুরু হয়েছে। অধ্যক্ষ মহোদয়, জাতি, মাটি,ভেটি স্লোগান দেওয়া এই সরকার যে সরকারের মূল উদ্দেশ্য ছিল মাটি ভেটি রক্ষা করা।সেই সরকারের ভয়ানক অবস্থা। ভয়ানক অবস্থা এজন্যই বলছি কারন গত ২৬ জুলাই তারিখে মিজোরামের পুলিশ অসম পুলিশের উপর আক্রমণ করে। ওরা ৩ কিমি ভিতরে ঢুকে গিয়েছিল অসম পুলিশের উপর আক্রমণ করে এবং সেইসময় প্রায় ৬ জন অসম পুলিশ সেখানে নিহত হয়। এবং সেই মর্মে অধ্যক্ষের তৎপরতায় একটি সদন কমিটি সেখানে পাঠানো হয়েছিল ৩১ তারিখে। খুব ভালো সাড়া দিয়েছিলেন আমাদের অধ্যক্ষ। আমরা সেই জায়গায় গিয়ে দেখি প্রায় তিন কিমি ভিতরে মিজোরামের পুলিশ ঢুকে পড়েছে। সেখানে একটি স্কুল আছে ৯৯০ নং ছায়াপুরি এলপি স্কুল । সেওলাতল জিপি ধলাখাল। সেই স্কুলে আমাদের কমিটি গিয়ে দেখি সেখানে আমাদের প্রাক্তন মুখ্যমন্ত্রীর ছবি লাগানো আছে তার সাথে বর্তমান মুখ্যন্ত্রীরও ছবি লাগানো আছে যখন তিনি আমাদের শিক্ষামন্ত্রী ছিলেন। সেই স্কুলটি বম ফাটিয়ে উড়িয়ে দেওয়া হল।আমাদের মুখ্যমন্ত্রীর ছবি মাটিতে পড়ে থাকল ।সেগুলো দেখার পরও আমাদের সরকারে মানসিকতার কোনও পরিবর্তন হয়নি। লজ্জা হচ্ছে আজকের বিধানসভায় বলতে, আমাদের অসমের জনসাধারণ সেই স্কুলে পড়াশোনা করতে পারছে না। বর্তমানে সেই স্কুল মিজোরামের দখলে। আপনারা নেটে সার্চ করলে দেখবেন ধলাখাল ৯৯০ নং ছায়াপুরি এলপি স্কুল মিজোরামের দখলে। অর্থাৎ এই সরকারের নিশচয় আমাদের অসমের জনসাধারণের প্রতি বিশেষ সচেতন নয়। অধ্যক্ষ মহোদয়, একটি কথা বলছি, যে সময় আমরা আমাদের সরকার অসমের জমি সুরক্ষিত করতে পারছিনা, আসমের স্কুল সুরক্ষিত করতে পারছিনা সেই সময় আমাদের বর্তমান সরকার ব্যস্ত বটদ্রবার মাটি উচ্ছেদ করা নিয়ে। যদি সরকারি সরকারি মাটি হয় আপনারা উচ্ছেদ করুন। আপনারা বলেছিলেন যে ল্যাণ্ড পলিসি মতে আমরা জমি দেব। কিন্তু আমাদের সরকার তা দিতে পারছে না। আমাদের মুখ্যমন্ত্রী এখানে আছেন। আমি দেখেছি মুখ্যমন্ত্রী অনেক সময় হেলিক্যাপ্টারে যান সেই মাটিতে। তিনসুকিয়াতে রাস্তার পাশে অনেক মানুষকে উচ্ছেদ করা হচ্ছে। কিন্তু ল্যাণ্ড পলিসি মতে তাদেরকে মাটি দেওয়া হচ্ছেনা। তাই অধ্যক্ষ মহোদয়, আজকের দিনে আমার বিনম্র অনুরোধ, আপনারা আলোচনা করছেন এ বিষয় নিয়ে, মুখ্যমন্ত্রীও আলোচনা করছেন, বিশেষ করে অতুল বরা মহাশয় এ বিষয়ে আলোচনার জন্য মিজোরাম গিয়েছিলেন। আপনারা অরুনাচল,মেঘালয়ের সঙ্গে আলোচনা করেছেন। আলোচনা করুন আমাদের তাতে আপত্তি নেই।

কিন্তু আলোচনার অর্থ কি তাই যে মিজোরাম আমাদের স্কুল নিয়ে নেবে? আলোচনার অর্থ সেটা কি? আমাদের অসম পুলিশকে মিজোরামের পুলিশ নিহত করবে। সহীদ করে দেবে। আলোচনা করার উদ্দেশ্য সেটা নি কি? মেঘালয় আমাদের জমি নিয়ে যাবে। এখানে আমাদের বিধায়ক রূপজ্যোতি কুর্মি আছেন উনি অরুনাচল প্রদেশ গিয়েছিলেন। সেখান থেকে ওনার ওপর গুলি চালানো হল। সেটাই কি ছিল আলোচনার উদ্দেশ্য? আমাদের মুখ্যমন্ত্রীরবর্তমানে ন্যাশনেল ল্যাভেলে ওনার নাম অনেক দেখা যাচ্ছে। উনি ন্যাশনেল ল্যাভেলে অনেক কাজ করছেন। কিন্তু অসমের ক্ষেত্রে অসমের মাটি, অসমের মানুষকে সুরক্ষিত রাখার জন্য যে ধরনের ভূমিকা নেওয়া দরকার ছিল সেই ব্যপারে সরকার কিছুটা উদাশীন। তাই আজকের দিনে আমি মুখ্যমন্ত্রীকে অনুরোধ করব যে আপনাদের ল্যাণ্ড পলিসি মতে জনসাধারণকে মাটি দিন। উচ্ছেদ করুন আমাদের আপত্তি নেই কিন্তু ল্যাণ্ড পলিসি মতে বিকল্প যাতে মাটি দেওয়া হয় এবং আমাদের অসমের জনসাধারণ যাতে সুরক্ষিত থাকে সেটাই আমার মুখ্য উদ্দেশ্য। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্রী, সীমান্ত অঞ্চল উন্নয়ন বিভাগ, উত্তৰ দিব ।

**ড° হিমন্ত বিশ্ব শর্মা, (মুখ্যমন্ত্রী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই অসম-মিজোৰামৰ কথা ক'বলৈ গৈ বটদ্ৰৱা পালেগৈ। প্ৰথম কথা হ'ল আমাৰ চৰকাৰে বটদ্ৰৱাকে ধৰি বিভিন্ন স্থানত যিবিলাক অতিক্ৰমন হৈছে, বনাঞ্চল দখল কৰিছে সেই বিলাক আমি বেদখল মুক্ত কৰিমেই আৰু এইটো নিশ্চিত আৰু যেতিয়ালৈকে বিজেপি চৰকাৰ থাকিব তেতিয়ালৈকে এই কামটো চলিয়েই থাকিব । ইয়াৰ ওপৰত কথা কৈ লাভ নাই। যিবিলাক লেণ্ডলেচ মানুহ আছিলে সেই সকলক পট্টা দিয়াৰ কাম আজি ৭৫ বছৰে কংগ্ৰেছ চৰকাৰে কিয় নকৰিলে। কংগ্ৰেছ চৰকাৰে এই মানুহ খিনিক নিৰাপত্তাহীনতাত থৈ দিলে । কালি মই টি ভিত দেখিছো যে কংগ্ৰেছ দলৰ মানুহ খিনি গৈ সেই ভূমিহীন মানুহ খিনিৰ লগত থিয় দিছে ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ আমি দিব পৰা নাই কাৰণে সেই দায়িত্বটো আপোনালোকক দিছো ।

**ড° হিমন্ত বিশ্ব শর্মা, (মুখ্যমন্ত্রী)** ঃ আমি দায়িত্ব লোৱা নাই । আমি নিৰ্বাচনী ইষ্টাহাৰতে কৈ দিছো যে তোমালোকৰ প্ৰতি আমাৰ দায়িত্ব নাই । মইতো আগতেই কৈ দিছো যে মোক ভোটেই নালাগে, গতিকে আমাৰ ক'ত দায়িত্ব আছে। কথাটো হ'ল যে যোৱা ৭৫ বছৰত কংগ্ৰেছ চৰকাৰে চৰৰ মাটি জৰীপ কৰিব পাৰিলেহেতেন। বটদ্ৰৱা সমষ্টিত একেৰাহে কংগ্ৰেছ দলৰে বিধায়ক আছিল, কংগ্ৰেছ দলে মানুহখিনিকি পট্টা দিব পাৰিলেহেঁতেন । আজি আমি কাক উচ্ছেদ কৰিছো যাৰ মাটিত অধিকাৰ নাই সেই সকলকহে উচ্ছেদ কৰিছো । উচ্ছেদ কৰা মানুহ খিনিৰ ওচৰত কংগ্ৰেছে ক্ষমা খুজিলে যে আপোনালোকক পট্টা দিব নোৱাৰাৰ বাবে আমি আপোনালোকৰ এই অৱস্থা হ'ল। আজি এ আই এউ ডি এফ শাসনত নাই কাৰণে মই তেওঁলোকক সমালোচনা কৰিব যোৱা নাই । আজি আমি যি মিচন বসুন্ধৰা কৰিছো এই মানুহখিনিকলৈও আগতে মিচন বসুন্ধৰা কৰিব পাৰিলেহেঁতেন, চৰৰ মাটি জৰীপ কৰিব পাৰিলেহেঁতেন । গৰুখুঁটিৰ মানুহখিনিকো কংগ্ৰেছে পট্টা দিব পাৰিলেহেতেন। বটদ্ৰৱা মানুহখিনিকো কংগ্ৰেছে পট্টা দিব পাৰিলেহেতেন। কংগ্ৰেছে পট্টা নিদিয়াকৈ কিয় ৰাখিছিল তাৰ কাৰণ এই মানুহখিনি নিৰাপত্তাহীনতাকলৈ ৰাজনীতি কৰিছিল। তেওঁলোক নিৰাপত্তাহীন হৈ থাকক আৰু তাকে লৈ আমি ৰাজনীতি কৰিম। উচ্ছেদৰ পিছত গৈ কিয় কান্দিব লাগে? ৭৫ বছৰত কান্দিব লাগিছিল। আজি ৭৫ বছৰত গৈ আমি কিয় নাকান্দিলো। এই মানুহখিনিক যদি ডেৰ কঠা ডেৰ কঠা মাটি আমি দিলো হেঁতেন, ৭ বিঘা ৭ বিঘা মাটি

দিলেহেঁতেন তেতিয়া আমি উচ্ছেদ কৰাৰ দৰকাৰ নাছিল। এতিয়া প্ৰথম কথা যিকোনো লেণ্ড লেচ মানুহেই উপায়ুক্তক গৈ আবেদন কৰিব পাৰে যে মই লেণ্ডলেচ, মোক মাতি দিব লাগে। ডি.চিয়ে তাৰ তদন্ত কৰিব আৰু যদি সঁচাকৈ লেণ্ডলেচ, তেওঁলোকৰ মাটিৰ ব্যৱস্থা কৰিব। আজি আমি গৰুখুটিত ইমান মানুহ এভেকশ্যন কৰিলো, তাৰে যিখিনি মানুহ লেণ্ডলেচ বুলি প্ৰমাণ হ'ল তেওঁলোকক আমি দলগাওঁত বহোৱাই দিছো। কিন্তু তাৰ পাৰচেনটেজ কিমান? ১০০ জন মানুহ বহি আছিল তাৰে ৯০ জনেই ভূটভূটি লৈ তেওঁলোক ছয়গাওঁলৈ গুছি গ'ল। তাৰমানে এইটো এডিশ্যনেল মাটিহে আছিল। কিন্তু যিখিনি জেনুইন মানুহ আছিল তেওঁলোকক আমি ধুনীয়াকৈ বহাই দিলো। তাত কাৰো আপত্তি নাই। আজি লামডিঙত যিখিনি মানুহ উচ্ছেদিত হ'ল তাৰ ভিতৰত ১৬-১৭ ঘৰ মানুহ আমি দেখিলো, এই মানুহখিনিৰ সঁচাকৈ মাটি নাই। বাকীখিনি ধিং, ৰূপহী আদি ঠাইৰ পৰা আহিছিল। তেওঁলোক ঘূৰি গ'ল। ১৬-১৭ ঘৰ মানুহ যি বাচিল তেওঁলোকক আমি যমুনামুখত বহাই দিলো। আমাৰতো দুখীয়া মানুহৰ লগত শত্ৰুতা নাই। মোৰ এটাই অনুৰোধ যে কংগ্ৰেছ দলে সংখ্যালঘু মানুহৰ হৈ মাত মতাৰ আগতে আমি সংখ্যালঘু মানুহখিনিক ৭৫ বছৰ কেনেকৈ এৰি থৈ আহিলো, মাটিৰ পট্টা নিদিলো, চৰৰ মাটি জৰীপ নকৰিলো, ভাল ঘৰ এটা নিদিলো, ভাল স্কুল এখন নিদিলো, ভাল জীৱন এটা নিদিলো। বিৰোধী পক্ষত থাকোতে যে আমি ইমান সংখ্যালঘু প্ৰীতি হৈ যাওঁ, শাসনত থাকোতে কাম কিয় নকৰো। আমাৰ কামতো শাসনত থাকোতে কৰা কামহে। আজি মোক ভোট দিয়া মানুহখিনিক মই মিশ্যন বসুন্ধৰা কৰি দি কৈছো যে আহক পট্টা দি দিম। আপোনালোকক ভোট দিয়া মানুহখিনিকো আপোনালোকে কৰিব লাগিছিল। এতিয়া আপোনালোকৰ কামো মই কৰিব লাগিব আৰু মোৰ খিনিও মই কৰিব লাগিব। গোটেই ৭৫ বছৰৰ কাম, গোটেই ৭৫ বছৰৰ আপোনলোকে সৃষ্টি কৰা সমস্যা মইটো ডেৰ বছৰত সমাধান কৰিব নোৱাৰো। আজি এটা কথা মনত ভাৱক যে কালি বটদ্ৰৱাত আমি দেখিছো জোৱায়েককো মাতি নি  মাটি দি দিয়ে। জোৱাই গাওঁয়ে হৈ গ'ল। এতিয়া সেই মানুহৰ লগততো আমি থিয় হ'ব নোৱাৰো।  কালিয়েই মই ডি.চ ক কৈছো যে যিখিনি মানুহ সঁচা অৰ্থত লেণ্ডলেচ তেওঁলোকক আপোনালোকে চাই দিব। আমাৰ এইচাম মানুহে বুজি পাব লাগিব যে ৫০ বিঘা মাটি দখল কৰি থকাতো কোনেও  লেণ্ডলেচ বুলি নকয়। তাত এজন পঞ্চায়তৰ প্ৰেচিডেণ্টে ৫০ বিঘা মাটি দখল কৰি থৈ দিছে। চিলিং এক্ট মতেও ইমান মাটি ৰাখিব নোৱাৰে। আজি যদি চৰত থকা সংখ্যালঘু মানুহখিনিয়ে সাত বিঘা সাত বিঘা মাটি যদি ভগাই লয় তেতিয়াতো সমস্যাই নাই। ২০০,৩০০,৮০০ বিঘা মাটি লৈ থৈছে গতিকে তাত সমস্যা হ'বই। আজি সেইকাৰণে লেণ্ড পলিচীৰ কথা কোৱাৰ কাৰণে মই ভাল পালো। কংগ্ৰেছ দলে এটা জাগৰণ সৃষ্টি কৰক যে মানুহে লেণ্ড পলিচীৰ বাহিৰত মাটি ৰাখিব নাপায়। চৰকাৰক নিজে নিজে মাটি দি দিয়ক যে আমি ৫০ ঘৰ মানুহ আছো আমি ৫০০০ বিঘা কেপচাৰ কৰি আছো, আমাক চাৰে তিনিশ বিঘা এলোট কৰি দিয়ক বাকী ৭০০  বিঘা আমি এৰি দিম। চৰকাৰেটো ভালেই পাব। গতিকে আমি যদি সঁচাকৈ লেণ্ড পলিচীৰ কথা কৈছো তেনেহ'লে লেণ্ড পলিচীৰ ওপৰত এটা জাগৰণৰ ও আমি সৃষ্টি কৰিব লাগিব যে বিঅণ্ড লেণ্ড পলিচী আমি  মাটি নধৰো। আজি আমাৰ .মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকদাৰৰ লগত প্ৰায়েই কথা পাতি আছো যে এইখিনিতো এভেকশ্যন কৰিবই লাগিব। কাৰণ তাত মানুহখিনিয়ে ৫০ বিঘাকৈ মাটি ৰাখি থৈ দিছে। আজি  এল এ চি ৰ মেম্বাৰ বিধায়ক গৰাকী। আজিৰ দিনতে কবুলা লওঁক আৰু তাৰ পিছত আবেদন কৰক যে সাত বিঘা সাত বিঘা মাটি দিয়ক তেওঁলোকে পট্টা পাব। পট্টা পালে বাকী মাটিখিনি চৰকাৰৰ হৈ যাব। চৰকাৰ ও সুখী,

মানুহও সুখী। তাকে নকৰি আপোনলোকে মানুহখিনিক পট্টা নিদিয়ে আৰু মানুহখিনিয়েও এশ এশ মাটি দখল কৰি থাকে। বাকী লেণ্ড লেচ মানুহক মই ক'ৰ পৰা মাটি দিম। সেইকাৰণে এনেকুৱা এটা ধৰিব নালাগে যে আমি কোনোবা জাতি-উপজাতিৰ বিৰুদ্ধে কৰি আছো। আমাৰ কথাটো হ'ল যে যি মাটিত মানুহ পট্টা নোপোৱাকৈ বহি আছে তেওঁলোকক আমি এভেকশ্যন কৰিছো। তেতিয়া আপোনালোকে আবেদন কৰক। সেইদিনাখন আমি বৰচলাত মাটি এভেকশ্যন কৰিছো, তাৰে ৫০ ঘৰ মানুহে আমাক আবেদন কৰিলে। সেই ৫০ ঘৰ মানুহৰ আমি কেবিনেটত ক্লিয়াৰ কৰি দিছো। তেওঁলোক হিন্দু বঙালী নে মুছলমান, অসমীয়া আমি সেইবিলাক চোৱা নাই। চাৰে চাৰিশ পৰিয়ালৰ ভিতৰত ৫০ ঘৰ মানুহে আবেদন কৰিব সাহস কৰিলে কাৰণ বাকী সকলৰ ধিং, ৰূপহী আদি ঠাইত মাটি আছিল। পৰিয়ালৰ মাটি আছে। এতিয়া মাটি কমি গৈছে সেইটোতো মোৰ দোষ নহয়। সন্তান কম জন্ম দিব লাগে তেতিয়া মাটি নকমিব। আঠ-বাৰ গৰাকী সন্তান হ'লেতো মাটি কমি যাবই। গতিকে কেৱল এটা বস্তুৰ ওপৰত ফ'কাচ কৰিলে অসমখন ঠিক নহ'ব। আজি আপোনালোকে পাভৈ বনাঞ্চল চাওঁক। তাত আমাৰ সংখ্যালঘু মানুহও সোমাইছে আৰু দু-এঘৰ জনজাতীয় মানুহও সোমাইছে। এতিয়া আমি মানুহ চাইতো এভেকশ্যন নকৰো যে সংখ্যালঘু খিনিক এভেকশ্যন কৰিম আৰু জনজাতী য় খিনিক নকৰিম। আমি জনজাতীয় মানুহখিনিক খৱৰ দিছো যে ২০০৫ চনৰ আগত যদি আপোনালোক ইয়াত আছিল, ফৰেষ্ট ৰাইটমতে আপোনালোকে আবেদন কৰক। সময় দিছো। বিধায়ক সকলক জনাইছো যে আপোনালোক গৈ মানুহখিনিক সচেতন কৰক। কিন্তু যদি ২০০৫ চনৰ আগৰ তেওঁলোকে কাগজ দিব নোৱাৰে তেনেহ'লে মইটো বনাঞ্চল খিনি ক্লিয়াৰ কৰিব লাগিব। তাতে গৈ যদি কংগ্ৰেছৰ ডেলিগেশ্যন এটা উপস্থিত হয় সেইটোৰ বাবে হাই কোৰ্টত এখন পি আই এল কৰিব লাগিব যে আপোনলোকে কোৰ্টে চৰকাৰক যিটো বনাঞ্চল উচ্ছেদ কৰিবলৈ নিৰ্দ্দেশ দিছে সেইটো কেনেচেল কৰক। কাৰণ আমাৰ ইয়াত আপত্তি আছে। এখন পি আই এল কংগ্ৰেছৰ ফালৰ পৰা কোৰ্টত যাব লাগে। এতিয়া আমাক হাইকোৰ্টে নিৰ্দ্দেশ দিছে যে সমগ্ৰ গোৱালপাৰাতে উচ্ছেদ কৰিব লাগে। এই বিষয়ে আমাৰ বিধায়ক মহোদয়ে জানে। চাৰিজনকৈ বিধায়কক গোৱালপাৰাৰ ৰাইজে নিৰ্ব্বাচিত কৰি পঠিয়াইছে। গতিকে তেওঁলোকে হাইকোৰ্টত এখন ও পিটিশ্যন কৰিব নালাগে নেকি যে এনেকুৱা অৰ্ডাৰ দিব নালাগে। উচ্ছেদৰ পিছত তাত গৈ ফটো উঠিলো, কান্দিলো আৰু মানুহখিনিক অলপ চালো। ফটো অপ'ৰচুনিটিটো হৈ গ'ল আৰু দুদিনৰ পিছত পাহৰি গলো। এতিয়াতো গৰুখুটিলৈ কোনো কংগ্ৰেছ নাযায়। সেইকাৰণে আজি হাইকোৰ্টে আমাক ক্লিয়াৰলি কৈছে যে ফৰেষ্টৰ মাটিৰ পৰা আমি মানুহখিনিক উচ্ছেদ কৰিবই লাগিব। কিন্তু আপোনালোকে কৈছে যে বিকল্প মাটি দিয়ক। মই মাটি ক'ৰপৰা জন্ম দিম? গোৱালপাৰাত টো মাটি নায়েই। সেইকাৰণে মই সদায় কৈ আহিছো যে নামনি অসমৰ মানুহে যদি পৰিয়াল পৰিকল্পনা নকৰে তেতিয়াহ'লে আমি ৫০ বছৰৰ পাছত কোনো জীয়াই থাকিব নোৱাৰিম। গতিকে এতিয়া হাইকোৰ্টত গৈ কংগ্ৰেছৰ বিধায়কে আবেদন দিব লাগিব। আপোনালোকক সেই ঠাইৰ মানুহখিনিয়ে ভোট দিছে। আপোনালোকৰ প্ৰতি মানুহখিনিয়ে আশাৰে বাট চাই আছে। আপোনালোকে পিটিশ্যন নিদিলে মইটো তাৰ পিটিশ্যন দিয়াৰ কথা নাহে। মোৰ উকিলে কৈছে যে সেই মানুহখিনি বহুত দিনৰে পৰা তাত আছে। হাইকোৰ্টে কৈছে যে এইবিষয়ে একো কৰিব নোৱাৰি আৰু ফৰেষ্টৰ মাটি আপোনালোকে উচ্ছেদ কৰিবই লাগিব। মই আগতেই কৈছো যে গোৱালপাৰাত এটা ডাঙৰ উচ্ছেদ অভিযান হ'ব। উপায় নাই হাইকোৰ্টে আমাক ক্লিয়াৰ অৰ্ডাৰ দিছে। মই বিধান সভাতেই কৈছো যে কংগ্ৰেছক তাৰ মানুহখিনিয়ে তিনিজনকৈ বিধায়কক জিকাই

পঠিয়াইছে। আপোনালোক তিনিজনে হাইকোৰ্টত এখন আবেদন কৰক যে আমাৰ মানুহখিনিৰ কষ্ট হ'ব কাৰণ তেওঁলোকৰ বিকল্প মাটি নাই। হাইকোৰ্টে ইমান হাৰ্চ অৰ্ডাৰ দিব নালাগে। এতিয়া যদি হাইকোৰ্টে বাৰে বাৰে মোক মাতি আনি কয় যে উচ্ছেদ কৰক, তেতিয়াতো মই কৰিবই লাগিব। সেইটো কৰাৰ পিছত চৰকাৰক কিয় সমালোচনা কৰে? এভেকশ্যন কৰাৰ আগতেই হাইকোৰ্টক এখন আবেদন দিয়ক যে এনেকুৱা নিৰ্দ্দেশ আমাক নিদিব। সমস্যাটো তেতিয়া শেষ হৈ যাব। কিন্তু কোনেও এনেকুৱা ব্যৱস্থা কৰা নাই। কেৱল উপায়ুক্তৰ ওচৰলৈ গৈ আপোনালোকে আপত্তি কৰে। উপায়ুক্ত হাইকোৰ্টৰ ওপৰত যাব পাৰে নেকি? সেইকাৰণে মই আজি সকলো বিধায়কক কৈছো যে ফৰেষ্টৰ মাটি উচ্ছেদ কৰিবৰ কাৰণে হাইকোৰ্টে চৰকাৰক চূড়ান্ত কৰি দিছে। গতিকে আমি উচ্ছেদ কৰিবই লাগিব। যিসকল জনজাতীয় লোক আছে, তেওঁলোক যদি ২০০৫ চনৰ আগৰ পৰাই আছে তেতিয়াহ'লে ফৰেষ্ট ৰাইটত আবেদন কৰিব পাৰিব। কেইদিনমান আগতে আমি ঢেকিয়াজুলিত পট্টা দিছো আৰু দুই-এদিনতে আমি বিশ্বনাথত ও পট্টা দিম। যিখিনিক পাৰো আমি দিয়ে আছো। কিন্তু সাধাৰণ মানুহক পট্টা দিয়াৰ অধিকাৰ আমাৰ নাই। গতিকে আপোনালোকে নিজৰ সমষ্টিৰ মানুহখিনিৰ  কাৰণে হাইকোৰ্টত গৈ পিটিশ্যন দিবই লাগিব। যদি একো নকৰে তেনেহ'লে কেৱল ফটো উঠি মানুহখিনিক উত্তেজিত কৰি দিলো আৰু কলো যে মিজোৰামৰ স্কুলৰ ইচ্ছ্যুৰ নিচিনা বটদ্ৰৱাৰ ইচ্ছ্যুটো আমি বিধান সভাত কৈ দিলো আৰু ইয়াতেই কাম শেষ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটোৰ লগত সম্পৰ্ক আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপোনালোকৰ কি সম্পৰ্ক আছে মই নাজানো। গতিকে আপোনালোকৰ লগত মোৰ সম্পৰ্ক নাই আৰু আপুনি কৈ থাকিব পাৰে ইয়াত কোনো নাই। হাইকোৰ্টৰ নিৰ্দ্দেশৰ পিছত কোনো সম্পৰ্ক থাকিব নোৱাৰে। মোৰ কথাটো হ'ল যোৱা ৭৫ বছৰত যদি আমি মানুহখিনিক পট্টা দিব পাৰিলো হেঁতেন তেতিয়াহ'লে মানুহখিনি আজি বিপদত নপৰিলহেঁতেন। এতিয়াও যদি সঁচাকৈ ভূমিহীন লোক আছে তেতিয়াহ'লে তেওঁলোকে ডি.চি ক আবেদন কৰিব পাৰিব আৰু ডি.চি য়ে নিয়মৰ মাজেৰে পৰীক্ষা কৰিব। কিন্তু উচ্ছেদ চলিয়েই থাকিব। উচ্ছেদ ৰখা বস্তু নহয়। It is a continous process. বানপানী আহিলে আমি সেইটো ৰখাই দিম, মানুহখিনিক আগতে নটিচ দিম আৰু যিখিনি নিয়ম-নীতি পালন কৰিব লাগে সেইখিনি কৰিম। কিন্তু অন্যথ্য উচ্ছেদ অভিযান চলি থাকিব।

দ্বিতীয় কথা হ'ল, মই সদনত বহুবাৰ কৈছো যে সত্ৰৰ যিবিলাক মাটি  হিন্দুয়ে হওঁক, মুছলমানে হওঁক যিয়ে নহওঁক, যদি দখল কৰি আছে, লাহে লাহে আঁতৰিব লাগে। কাৰণ সত্ৰবিলাক আমাৰ institutions হয়। অসমীয়া বুলি ক'লে ১০০ বছৰ পিছত আমি বিলাকটো নোহোৱা হৈ যাম। কিন্তু অসমীয়াৰ চিনাক্তটো সত্ৰবিলাকৰ মাজত লুকাই আছে আৰু আমি সকলোৱে অসমীয়া। ইয়াত ধৰ্ম যিয়ে নহওঁক, এইটো সংস্কৃতি। ইয়াৰ ধৰ্মৰ লগত কথা নাই। that is a culture of Assam আমি সংস্কৃতিটোক বদলাব নোৱাৰো। গতিকে মই সকলোকে বিনম্ৰতাৰে আবেদন কৰিম যে সত্ৰৰ মাটি যিবিলাক হিন্দু, মুছলমানে দখল কৰি বহি আছে, তেওঁলোকক লাহে লাহে আঁতৰাই দিয়ক, LAC তেওঁলোকৰ নামত popular form লৈ যাওঁক। যদি উপায়ুক্তই পাৰে, তেওঁলোকক বিকল্প মাটি দি দিব । আমাৰ মাটি দিয়াত বাধা নাই। এতিয়া ধিঙত Ex-Army ৰ নামত মাটি দিছে, মানুহে গৈ বহি আছে। আৰ্মি কেইজনে দেশৰ কাৰণে যুঁজ দিছে। তেওঁলোকৰ মাটিখিনি খালী কৰি দিয়াটো আমাৰ দায়িত্ব। আমি সেই দায়িত্বটো কিয় পালন নকৰিম। সেই

কাৰণে এইবিলাক হৈছে Typical একোটা কেছ। আজি বকো, ছয়গাওঁ আৰু ধিঙতে হওঁক, Ex-Army ক মাটি দিছে। সেই Ex-Army ৰ মাটি ক'ৰবাত ক'ৰবাত দখল কৰি লৈছো। ক'ৰবত ক'ৰবাত চৰকাৰে অলপ eviction কৰিব লাগিব। নহ'লে আৰ্মিৰ ম'ৰেল ক'ত থাকিব। যদি বিক্ৰী কৰিছে তেতিয়া হলে sub-registrer, register কৰিব লাগিব। আমিটো Ex-Army মানুহখিনিক অসন্তুষ্ট কৰিব নোৱাৰো। আজি যদি আমি তেওঁলোকক অসন্তুষ্ট কৰো, ভাৰত- চীন সীমান্তত গৈ কোনে যুঁজ দিব। গতিকে এই কথাবিলাক আপোনালোকে অলপ নিজৰ বিবেচনাত ৰাখিব। মিজোৰামৰ সিমান্তৰ কথা কৈছে, আপোনালোকে জানে যে মিজোৰামৰ সীমান্তত গৈ অসমৰ পুলিচে কিমান চৰম ত্যাগ কৰি দিলে। আজি এজন আই পি এছ অফিচাৰ এতিয়াও হস্পিতালৰ পৰা ওলোৱা নাই। এজন এছ পি আজিও বোম্বাইত চিকিৎসাধীন হৈ আছে। ছয়জনকৈ মানুহৰ মৃত্যু হ'ল, তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে Neutral Force ৰাখি থলে। Neutral Force বাহিৰত স্কুল আছে, ভিতৰতো স্কুল নাই। কেন্দ্ৰীয় চৰকাৰে কৈছে যে আপোনালোকে আলোচনা কৰি মীমাংসা কৰি লওঁক। আমি প্ৰথমবাৰ মেঘালয়ত মীমাংসা কৰিলো, অৰুণাচলত মীমাংসাৰ পথত গৈ আছে। মিজোৰামত মীমাংসাৰ কাৰণে আগবাঢ়িছে। সেই ঠাইখিনিলৈকে এছ পি গৈছে, তাৰে লোকেল মানুহে আমাৰ পুলিচক শিলগুটি মাৰিছে যে আপোনালোকে ইয়াত আহিব নোৱাৰে এই স্কুলখনত আমি মিজোৰামত মিজো ভাষা চলাম। ইয়াতে কোনো ধৰণৰ অসমীয়া, বঙালী আদি ভাষা নচলিব। সেই স্কুলৰ সন্মুখত আজিৰ দিনতো কেম্প বহি আছে, কেম্পত মহিলাসকলে ওলাই আহি কৈছে যে আমি ইয়াত মিজো মাধ্যম চলাম। আমি মহিলাসকলক ক'ৰপৰা গুলিয়াম, তেওঁলোক ভাৰতীয় নাগৰিক। সদায় দুখন ৰাজ্যৰ মাজত আলাপ আলোচনাৰ মাজেৰে হ'ব লাগিব। সদনত উত্তেজিত কথা কৈ কৰিব পাৰিলে, আজি ইমান দিন মিজোৰামত মাটি আছিল, কংগ্ৰেছে কেতিয়াবাই খালী কৰিব পাৰিলেহেঁতেন। আমি হে যোৱাবাৰ মিজোৰামৰ পৰা **১৮ শ** একৰ মাটি খালী কৰিলো। আজি ইমানদিনে কোনেও কৰিব পৰা নাছিল। আজি ধুনীয়াকৈ মেঘালয়ৰ লগত আলোচনা কৰি ঠিক কৰিলো। আজি মেঘালয়ৰ মানুহে কোৰ্টত গৈ আছে, agreement টো বেয়া হৈছে বুলি। কিন্তু এতিয়ালৈকে অসমৰ কোনো মানুহে কোৰ্টলৈ যোৱা নাই। তাৰ মানে through agreement Assam has gain, নহ'লে অসমৰ মানুহে কোৰ্টত গ'লহেতেন। আজি মেঘালয়ৰ মানুহে কোৰ্টত গৈ আছে যে agreement cancel কৰিব লাগে।

এতিয়া অৰুণাচল প্ৰদেশ, নাগালেণ্ডৰ লগত আগবাঢ়িছো। গতিকে শক্তিশালী উত্তৰ পূৰ্বাঞ্চল, এইটো আমাৰ মানুহৰ শিৰাই শিৰাই বৈ আছে। যোৱাবাৰ যেতিয়া মিজোৰামৰ লগত conflict হৈছিল, অসমৰ কেইবাজনো বুদ্ধিজীৱিয়ে Article লিখিছিল যে নহয় আমি মিজোৰামৰ লগত ভালে থাকিব লাগে, কাৰণ মিজোৰাম আমাৰ সাতভনীৰ ভিতৰত পৰে। গতিকে অসমত কংগ্ৰেছৰ দৃষ্টিভঙ্গী কি আছে নাজানো, কিন্তু বাকী সাধাৰণ অসমীয়া মানুহখিনিয়ে সাতভনীৰ লগত ভালে থাকিব খোজে। That is the spirit of Assamese ethos & culture, সেই কাৰণে আমি অলপ আলোচনাৰ মাজেৰে সীমান্তৰ সমস্যা সমাধান কৰিছোঁ আৰু য'ত য'ত strong হ'ব লাগে, আমি যিমান strong হৈছো, কোনো চৰকাৰে strong হ'ব পৰা নাই।

গতিকে মই আশা কৰিম, কংগ্ৰেছ দলে সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আমি যিটো সৌহাৰ্দ্যমূলক পৰিৱেশ সৃষ্টি কৰিছো, তাত provocation কৰিব নালাগে।মিজোৰামৰ স্কুলৰ বাতৰিটো নতুন বাতৰি নহয় যে সদন ত্যাগ কৰিব লাগে। দুই বছৰৰ পৰা সেই স্কুল অসমৰ দখলত নাই। আজি আমিও তাত যাব পাৰিলোহেতেন, কিন্তু ভাৰত চৰকাৰে তাত CRPF দি কৈছে যে

ইয়াত অসমো নাহিব, মেঘালয়ো নাহিব। These are under constutional boundary of Assam, আমি আলোচনা কৰি সমাধান কৰিম। গতিকে আমি ভাৰত চৰকাৰৰ বিপক্ষে গৈ মিজোৰামৰ লগত সন্মুখা সন্মুখি গুলিচালনা কৰিব নোৱাৰো। সেইবিলাক কৰিলে আমাৰ পৰিৱেশ বেয়া হ'ব। অসমৰ investment climate বেয়া হ'ব। অসমৰ ওপৰত negative news আহিব। মই আৰু এটা উদাহৰণ দিছো, গোটেই উত্তৰ পূৰ্ব অসমৰ লগত conflict হৈছে, কোনো opposition National Party য়ে অসমৰ হৈ statement দিয়া নাই। যেতিয়া মিজোৰামৰ লগত অসমৰ conflict হ'ল, congress blamed Assam government in Delhi, আজি মেঘালয়ৰ লগত যেতিয়া conflict হয়, congress blamed Assam, তৃণমূল কংগ্ৰেছৰ টীম গৈছে, they blamed Assam, they never say that other state এ কিবা কৰিছে। আপোনালোকে দিল্লীটো পৰিবেশটো কি হৈ আছে বুজক। আজি সংসদত কোনেও অসমৰ মাটিৰ কথা কোৱা নাই। আমাৰ কংগ্ৰেছ পাৰ্লিয়ামেণ্ট পাৰ্টিয়ে এই সমস্যাটো দিল্লীত উঠাওক যে অসমৰ স্কুল মিজোৰামৰ অধীনত আছে বুলি। তেতিয়া চৰকাৰে উত্তৰ দিব। সেই কাৰণে মোৰ এটা অনুৰোধ provocation কৰিব নালাগে। আমি সুন্দৰ আলোচনাৰ পথত আছো আৰু মই জানো যে এই পাঁচ বছৰৰ ভিতৰত most of the border problem will be resolved. আমি ইমান ধুনীয়াকৈ কাম কৰি আছো আৰু আমি এটা লক্ষ্য লৈ আগবাঢ়ি আছো। গতিকে আমাক derail কৰিব নালাগে। মোৰ এটাই কথা যে মিজোৰাম আৰু অসম চৰকাৰ, অৰুণাচল আৰু অসম চৰকাৰ, মেঘালয় আৰু অসম চৰকাৰৰ মাজত আলোচনা চলি আছে আৰু অসমৰ ক্ষতি নোহোৱাকৈ আমি সীমা সমস্যা সমাধান কৰিম। এইটোৱে হৈছে আমাৰ লক্ষ্য।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কলে, তেখেতে স্পষ্টকৈ তেওঁৰ দৃষ্টিভঙ্গী দাঙি ধৰিছে। সেই বিষয়ে বিশেষ মোৰ কব লগীয়া নাই। কেৱল বিনম্ৰতাৰে এটা অনুৰোধ কৰিব বিচাৰিছো যে কেতিয়াবা যুদ্ধ হ'লেও বন্দীসকলক পানী বা পঢ়িবলৈ কিতাপ দিয়ে। তাত আমি যাওঁতে দেখিলো তাৰ ল'ৰা -ছোৱালীৰ কিতাপ পত্ৰৰ অসুবিধা হৈছে। চৰকাৰে অকনমান সেইখিনি চালে ভাল হয় আৰু যিখিনি মানুহ উচ্ছেদিত হৈছে, তেওঁলোকে নোখোৱাকৈ আছে, থাকিবলৈ ঠাই নাই। চৰকাৰে যদি তেওঁলোকক ৰিলিফ কেম্প হ'লেও কৰি দিয়ে।

তৃতীয়া কথাটো হ'ল, তাত যাৰ মাটি নাই, তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰি দিলে ভাল হয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ দিছে যে যিসকলৰ মাটি নাই, সেই সকলক মাটি দিয়াৰ ব্যৱস্থা কৰা হ'ব। সেই কথাখিনি যদি হয়, তেতিয়া হ'লে মই ভাৱো যে তেওঁলোকৰ যিটো দৃষ্টিভঙ্গী সেইটো আমাৰ লগত নিমিলিলেও সদ্যহতে বটদ্ৰবাৰ ক্ষেত্ৰত যিখিনি হৈছে, সেইখিনি বৰ দুখ লগা হৈছে। আকাশে বতাহে, মুকলি অকাশৰ তলত সৰু সৰু ল'ৰা-ছোৱালী আছে, পৰীক্ষা চলি আছে, পঢ়া শুনা কৰিব পৰা নাই, দোকান দি আছিল, দোকান ভাঙি দিছে, চলিব পৰা নাই। এই কথাখিনি চোৱাৰ কাৰণে অনুৰোধ কৰিছোঁ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৭৫ বছৰ কংগ্ৰেছৰ কথা কৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, ৭৫ বছৰ, ৭৫ বছৰে কংগ্ৰেছ দিল্লী নহলে অসমত আছিল বাদ দিয়াৰ অৱস্থাতো নাইয়ে। দ্বিতীয় কথা যে evicted মানুহক আকৌ পানী আদি দিয়াতো আমাৰ চৰকাৰৰ তাত কোনো পলিচিৰ ভিতৰত নপৰে। আপোনালোক কালি গৈছিল, আপোনালোকে দিয়ক। সেইটো এন, জি অ' ৰ কাম। যিজনে আইনক বিৰোধিতা কৰে, তাক আকৌ আমি কেনেকৈ

পানী খুৱাব পাৰো। আমি সেইটো কৰিব নোৱাৰো। আমি মেডিকেল ট্ৰিটমেণ্ট কৰিব পাৰো কাৰোবাক, কিন্তু তাতে গৈ কেম্প বহুৱাই flood relief camp আমি কৰিব নোৱাৰো। আপোনালোকে আগবাঢ়ি যাওঁক। ব্যক্তিগতভাৱে মইও যি কৰিব লাগে কৰিম। কিন্তু চৰকাৰৰ দৃষ্টিভংগীত they have violated the law গতিকে আইন ভংগকাৰী মানুহক আমি আকৌ তাতে গৈ কেম্প পাতি তেওঁলোকক খোৱা-বোৱা দি eviction টো কৰিবই নালাগিছিল। তেওঁলোকে আগতে নিজৰ খৰচত খাইছিল, এতিয়া চৰকাৰৰ খৰচত খাব। কথাটো ওলোটাই হ'ল দেখোন। They will become guest of Government now from the eviction. তেনেকুৱা ব্যৱস্থা নাই. কিন্তু সেই জিলাৰ সন্মানীয় বিধায়িকাই যিখিনি মানুহ সচাঁই landless it is a continous process. তেওঁলোকৰ আবেদন ডি চিৰ তাত গৈ দি দিয়ক। তাত LAC বহিব decide কৰিব য'ত মাটি আছে। বিধায়িকাই দেখুৱাই দিয়ক যে এইখিনি মাটিৰ এটা portion তআমি landless মানুহ এইখিনিক বহুৱাম। চৰকাৰে এচ বি ৰিপোৰ্ট ল'ব। কোন জোৱাই ক'ৰ পৰা আহিছিল তাতে মাটি আছে নে নাই কোন ক'ৰ পৰা আহিছিল, It is a time consuming process যেনেকৈ গৰুখুটিত আমি কৰি দিছো যিকেইজন অৱশিষ্ট মানুহ ৰখি গৈছিল, কোনো ব্যৱস্থা নাই। অৱশিষ্ট মানুহখিনিক আমি কৰিব পাৰো এতিয়া ৰাস্তাৰ কাষত বহি থাকিলে মইটো আৰু দ্বিতীয়াবাৰ তাত eviction কৰিব লাগিব। আজি আমি চৰকাৰৰ ফালৰ পৰা আকৌ কৈছো যে, ৰাস্তাত বহি নাথাকিব। কাৰণ আমি sufficient warning দিছো যে আপোনালোক যাওঁক তাৰপৰা maximum মানুহ গুচি গৈছে। যিখিনি মানুহ landless তেওঁলোকৰ ক্ষেত্ৰত বিধায়িকাই আগভাগ ল'ব লাগিব popular fillup কৰিব লাগিব। আমি কিয় landless ক সংস্থাপন কৰিম। Land থকা মানুহক আমি সংস্থাপন কৰিব পৰা নাই। আমি আইন ভংগকাৰী মানুহ কিয় সংস্থাপন কৰিম। বসুন্ধৰা দিছো, বসুন্ধৰা পৰ্টেলত আবেদন কৰিব. আজি আমাৰ কিমান মানুহৰ অসমত মাটি নাই। সেইবুলি মাটি নোহোৱা মানুহক চৰকাৰে ৰিলিফ কেম্পত আনি খুৱাব নেকি? এইটো নিয়ম আছে যে, বসুন্ধৰা পৰ্টেল আছে। পৰ্টেলত আবেদন কৰিব। মানুহে পপুলাৰ ফৰ্ম দিব। বিধায়িকাই নেতৃত্ব লৈ মানুহখিনি মাটি দিয়াৰ ব্যৱস্থা কৰিব। যদি তেওঁৰ সমষ্টিৰ হয়, যেনেকৈ মোৰ সমষ্টিত মানুহৰ মাটি নোহোৱা হয় মই এইখিনি কাম কৰো। সেইকাৰণে মানুহে মোক ভোট দিয়ে। এতিয়া মই যদি আকৌ eviction কৰা মানুহখিনিক লৈ ৰিলিফ কেম্পত আনি খুৱাব খুজো, তাতকৈ eviction কৰিব নালাগিছিল. তেতিয়া eviction কিয় কৰিলো। সেইটোতো কোনো কথা নহয়। কিন্তু চৰকাৰৰ স্থায়ী যিটো সমস্যাৰ সমাধান যে ইয়াৰ ভিতৰত দুশঘৰ মানুহ আছিল, দুশঘৰ মানুহৰ এশ ঘৰৰ ঘৰ আছে, ধিঙত এশ ঘৰৰ, ৰূপহীত একশ ঘৰৰ, শুৱালকুছিত তেওঁলোক যাব। চেকি চেকি যে এই পচিশ জন মানুহৰ কতো ব্যৱস্থা নাই। বটদ্ৰবা সমষ্টিৰ বিধায়িকা মহোদয়াই তেওঁৰ সমষ্টিৰ মাটি আমাক উলিয়াই দিব যে সত্ৰৰ পৰা দূৰত এই মাটিত আপোনালোকে পচিশটা পৰিয়ালক সংস্থাপন দিয়ক। ডি চি য়ে গ্ৰহণ কৰিব। মাটিৰ পট্টা বিধায়িকাই মিটিং পাতি আনুষ্ঠানিকভাৱে বিতৰণ কৰিব। এইটোৱেই প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত খোৱা-বোৱাৰ কথাটো ক'ৰপৰা আহিল। তেনেকৈ খোৱা-বোৱা হ'লেতো আজি যাৰ চাকৰি নাই, তাকো আমি খুৱাব লাগিব। যাৰ অন্ন নাই, যাৰ বস্ত্ৰ নাই তাকো আমি খুৱাব লাগিব। তেওঁলোকে অৰুণোদয়ত আবেদন কৰক। মই অৰুণোদয় কৰি দিম। যদি দুখীয়া মানুহ হয়, ছয়হাজাৰ অৰুণোদয় গৈছে বটদ্ৰবাত। বিধায়িকা মহোদয়াই তাৰপৰা অৰুণোদয় দিয়ক মানুহখিনিক স্কীমত দিব লাগিব। evicted মানুহক লৈ ৰিলিফ কেম্প পতাতো আমাক কোনো manual য়ে নকয়। মই evicted

মানুহৰ কাৰণে ৰিলিফ কেম্প কেনেকৈ পাতিব পাৰো। এইটোতো কোনো manual তে নাই। মই পইচা ক'ৰপৰা দিম? আপোনালোকেতো কোনো বাজেটেই চেংশ্যন কৰা নাই সেইটো কথাৰ কাৰণে। Natural disaster ৰ কাৰণেহে ৰিলিফ কেম্প হ'ব পাৰে। গতিকে এইটো ক্ষেত্ৰত সমস্যাৰ সমাধান এটাই, লিষ্ট কৰক MLA য়ে কষ্ট কৰিব লাগিব। বিধায়িকা মহোদয়াই মানুহখিনিৰ লগত বহক। কাৰ কাৰ ক'ত নাই, কি আছে, কি নাই উলিয়াওক। উলিওৱাৰ পিছত একেবাৰে যিখিনি landless মানুহ, সেইখিনি মানুহৰ দায়িত্ব চৰকাৰে পৰ্য্যায়মানে ল'ব। কিন্তু তাত বিধায়িকাই সহায় কৰিব লাগিব। বটদ্ৰবা সমষ্টিৰে মাটি বিচাৰি উলিয়াই দিব লাগিব যে, আপোনালোকে বহক আৰু নহ'লে ওচৰৰ বিধায়ককেইজনে সহায় কৰিব লাগিব। শ্ৰী নুৰুল হুদা ডাঙৰীয়াৰ ওচৰত আমি হাত পাতিম নহ'লে লাহৰীঘাটত আমি হাত পাতিম যে, আপোনালোকে মাটি অলপ অলপ উলিয়াই দিয়ক। তেওঁলোকে উলিয়াই দিব। গতিকে তাতে আমি বহুৱাম। সেইটো লৈ কোনো কথা নাই। এটাই মই কৈছো যে, চৰকাৰৰ জলজীৱন মিছনৰ পানী আছে, পানীটো মানুহে খায় কেনেকৈ খোৱা মই বন্ধ কৰিব পাৰিম। এতিয়া যদি আপুনি কয় যে মই বিছলাৰী বটল দিব লাগে সেইটো মই দিব নোৱাৰো। সেইটো মই clear কৈছো। পানী খোৱাত কোনে বাধা দিছে।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি)ঃ** বিছলাৰী খুৱাব নালাগে কিন্তু আমাৰ যিটো পানী থাকে।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** কি বুজাব খুজিছে? বুজি পোৱা নাই।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মই কৈ আছো যে কালি পানীৰ অভাৱত কেইটামান পৰিয়ালে পুখুৰীৰ পানী খাইছিলে।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** পুখুৰীৰ পানী আমাৰ অসমীয়া মানুহে সদায় খায়। এইটো কি কথা।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** যদি পৰা যায় অলপ চাফা পানী খোৱাৰ কাৰণে যত্ন কৰিব লাগে। সেই কথাটোকে ভয় ভয় কৈ অনুৰোধ কৰিছো।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই এটা কথা বুজি নাপাওঁ যে, evicted মানুহক মই কেনেকৈ পানী খুৱাম under what law. পানী খোৱাত বাধাতো দিয়া নাই তাতে জলজীৱনৰ মিছনৰ পানীৰ টেঙ্কি আছে, তাতে পুখুৰী আছে, নল-নদী আছে, অসমীয়া মানুহেইতো তেনেকৈই পানী খায়। আমাৰতো অসমখন মৰুভূমি নহয় যে পানীৰ অভাৱ আছে। যদি সচাঁই মানুহৰ পানীৰ অভাৱ আছে, মই পানীৰ কথা ক'ব পাৰো। কিন্তু মোৰ লগত এনেকুৱা কেনো ৰিৰ্পোট নাই যে বটদ্ৰবা অঞ্চলত পানীৰ অভাৱ আছে। যিকোনো মানুহৰ ঘৰত দমকলত গ'লে মানুহে পানী পাব। মই এটা কথা clear কৈছো যে, যি মানুহে আমি আজি ইয়াত পানীৰ কথা কৈছো সেই মানুহে তেওঁলোকক মাটিৰ পট্টাও দিব পাৰিলোহেঁতেন। মই কথাখিনি harsh কৰি কৈছো কিন্তু মোৰ মনটো ইমান harsh নহয়। যি কৰিব লাগে, আমি কৰিম আৰু ভিতৰুৱাকৈ মই বহুত ক'ব পাৰো। আজি গৰুখুটিৰ সময়তো আমি মানুহৰ প্ৰতি কি ধৰণে মানবীয়তা কৰিছিলো তাত আমি কেনেকৈ কি কৰিব লাগে আমি সদায় জানো। সেইখিনি আমাৰ দায়িত্ব আমি আমাৰ চেনেলত পালন কৰি থাকো। সেইটোলৈকে কোনো কথা নাই। জনাই জানে সেইবিলাক কথা। কিন্তু আইনৰ provision টো এইটোৱেই যে evict কৰা মানুহক আকৌ মই ৰিলিফ কেম্পত পাতিব নোৱাৰো তেনেকুৱা বাজেটত কোনো head of account য়ে নাই। সেইটো হ'ল আইনৰ কথা। মাননীয় উপাধ্যক্ষ মহোদয়, এই মানুহখিনিৰ কাৰণে আজি কন্দাতোতকৈ কামত থাকোতে মাটিৰ পট্টা দি দিব লাগিছিল।

**শ্ৰীদেৱব্ৰত শইকীয়া, ( নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাত আছিল মিজোৰামৰ পৰা আমি আহি eviction লৈ আহিলো। যোৱাকালি অন্য এটা দলে eviction ৰ ওপৰত দিছিল। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিছু কথা কোৱাৰ কাৰণে মই আশা কৰিছো মোক কিছু কথা কোৱাৰ সুযোগ দিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি শূন্যকালীন ঘণ্টাত সেই topic টো আনক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মই শূন্যকালীন ঘণ্টাৰ ওপৰত ক'ব লাগিব নেকি? মই ভাবিছিলো মুখ্যমন্ত্ৰী মহোদয়ে বেলেগ কথা ক'লে অকনমান ক'বলৈ দিব।

**মাননীয় উপাধ্যক্ষ ঃ** শূন্যকালীন ঘণ্টাত সময় দিয়া হৈছে। সেইটো debate ৰ scope নাথাকিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** Debate ৰ scope নাই, মই জানো। তথাপিতো কোৱাৰ আগতে ১৯৬৪ চনত মই ফৌজিত ভৰ্তি হৈছিলো আজি উচ্ছেদ হ'ব লগা হৈছে। সেইখিনি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে এই ক্ষেত্ৰত বিভিন্ন Supreme Court ৰ Ruling আছে । সেইখিনি আপোনাৰ জৰিয়তে অসম চৰকাৰক পৰ্য্যবেক্ষণৰ কাৰণে দিম। যিখিনি Parliament তো Ractify কৰিছে। Human Rights Act 1933 and Particular Section 2 F ICESCR is one of the Human covenant Recognise by the Indian Parliament to be enforceable Supreme Court ৰ অলগা আৰু টেলিচ আৰু অজয় মাকেন ইত্যাদি কেছবিলাকৰ reference দিম। আপুনি অনুমতি দিয়া নাই কাৰণে এইটোৰ বিষয়ে বিশেষ নকওঁ। মাননীয় উপাধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাত এটা সুযোগ দিয়া বাবে ধন্যবাদ জনাইছো। আমাৰ অসম কাকতৰ আজিৰ কাকতত ২১ ডিচেম্বৰত নাজিৰাৰ বিহুবৰ লক্ষ্মীজানত অবৈধ শিলখনন আৰু এই শিল খননৰ ফলত বৈশিষ্ট গংগা বুলি কোৱা দিখৌ নৈ বুকু আৰু পাৰে পাৰে শিল খনন কৰি বৰশিলৰ ঐতিহ্য আৰু সৌন্দৰ্য্যলৈ ভয়াবহ ভাবুকি ৰাজহ আদায় দি খনন নকৰাকৈ কৰ ফাকি দিয়া বনবিষয়া আৰু অবাধ গতিত হোৱা শিলৰ অবৈধ খননে নৈ সীমামুৰীয়া অঞ্চলত বসবাস কৰা ৰাইজৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি এটা বাতৰি উল্লেখ হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই ক'ব বিচাৰিম যে, এই বিষয়টোৰ সন্দৰ্ভত যোৱা সময়ছোৱাত মই অসম বিধান সভাত বহুবাৰ মন্ত্ৰীলৈ চিঠি লিখিছিলো ২০ ডিচেম্বৰ, ২০১৮ ত এই সম্পৰ্কে চিঠি লিখিছিলো। তাৰ পৰৱৰ্তী সময়ত আকৌ মাননীয় মন্ত্ৰী মহোদয়ক ০৮-০৬-২০১৯ তাৰিখে চিঠি দিলো। তাৰ পৰৱৰ্তী সময়ত অসমৰ পৰিৱেশ আৰু বন বিভাগৰ অতিৰিক্ত মুখ্য সচিবক ০৯ -১২-২০১৯ ত পত্ৰ যোগে অৱগত কৰিছিলো। ইয়াৰ উপৰিও এটা পি আই এল দিছিলো। ২০১৮ চনত দিয়া পি আই এলৰ অৰ্ডাৰ হৈছিল ২০১৯ চনত দিখৌ নৈৰ ওপৰত অবৈধ খনন ৰোধ কৰিবৰ বাবে টাস্ক ফ'ৰ্চ গঠন কৰিবৰ বাবে। এইখিনি কাম নকৰাৰ বাবে Contempt of the Guwahati High Court ত ২০২১ চনত এটা Case হৈছিল। পৰৱৰ্তী সময়ত এতিয়াও অবৈধ শিল-বালিৰ খনন চলি আছে। অসম চৰকাৰে নদীয়ে Breach কৰিলে মঠাউৰি বনায়। মই জলসম্পদ বিভাগৰ অভিযন্তাৰ যোগেদিও তদন্ত কৰাইছিলো। তেখেতেসকলে কৈছিল যে দিখৌ নৈত Excavate হৈছে Stone, matel, Sand আৰু ইয়াৰ ফলতRiver configuration in near future may cause devastation to the life and property of near by areas. It may also be affect down stream of river Dikhow.The excavation away from the river bank and near the high land is very deep.The same phenomenon have been obseved in the

opposite bank of the Tea Estate in the Dikhow Right Bank of Chantak. এই সন্দৰ্ভত যেতিয়া বিধান সভাত প্ৰশ্ন সুধিলো সেই প্ৰশ্নৰ উত্তৰত হোৱা নাই বুলি ক'লে। এই ক্ষেত্ৰত চৰকাৰে যিখিনি কৰিব লাগে সেইখিনি কৰিব বুলি আশা কৰিছো। ইয়াৰ লগতে আৰু এটা কথা ক'ব বিচাৰিছো আৰু আমি যোৱাকালি কৈছিলো যে আমাৰ নতুন নতুন ৰিজাৰ্ভ ফৰেষ্ট কৰিবলৈ বিচাৰিছে। এহাতে প্ৰাকৃতিক সংৰক্ষণ কৰিব বিচাৰিছে আৰু প্ৰকৃতি সংৰক্ষণৰ নামত আজি বছৰ বছৰ ধৰি যিসমূহ মানুহ বহি আছে, তেখেতসকলক এভিকশ্যন কৰাৰ কথা কৈ আছে। যদি এনেধৰণে চৰকাৰৰ এভিকশ্যন হয়, এই বিলাক প্ৰকৃততে কাৰ দোষত হৈছে। তেখেতসকলৰ এজনে কংগ্ৰেছ দলক দোষ দিছে। কিন্তু চৰকাৰী বিষয়াসকল যদি ইয়াৰ কাৰণে জগৰীয়া হয়, তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে। তেওঁলোকৰ দৰমহা পেঞ্চন আদি কৰ্তন কৰিব লাগে। চৰকাৰৰ ওচৰত আবেদন দিয়াৰ পিছতো যদি এই লোকসকলে মাটি পোৱা নাই আৰু তাৰ ফলত তেওঁলোকক এতিয়া নিয়মীয়াকৰণ কৰিব পৰা নাই চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ অহাৰ কাৰণে। কিন্তু আজি বহু বছৰ ধৰি এই লোকসকল বহি আছিল। এই গোটেইবোৰ কথাৰ লগত প্ৰকৃতি সংৰক্ষণ, Water Resource Eviction, Forest Eviction, Forest Creation আৰু সংবিধানে দিয়া মানুহৰ নিৰপত্তা এই সকলোখিনি জড়িত হৈ আছে। মই কোৱাৰ দৰে আমাৰ নতুনকৈ বনাঞ্চল ধ্বংস হোৱাৰ কাৰণে প্ৰাকৃতিক পৰিৱেশ ধ্বংস হৈছে আৰু এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'ব লাগে। চৰকাৰে নতুনকৈ Forest Create কৰিব বিচাৰিছে। কিন্তু Forest Creation ৰ নামত তিনিটা জেনেৰেশ্যন ধৰি যিসকল লোক আছে, তেওঁলোককো উচ্ছেদ কৰিবলৈ বিচাৰিছে। এই উচ্ছেদ কিমান দূৰ যুক্তিসংগত হ'ব, আইনসংগত হ'ব সেয়াও নিশ্চয় প্ৰশ্নৰ বিষয়। হাই কোৰ্টত যোৱাৰ কথা কৈছে, পি আই এল দিয়া হৈছে। কিন্তু Justice delayed is justice denied. আজি মোৰ সমষ্টিৰ কথা ক'বলৈ গ'লে মোৰ সমষ্টিতো এটা সমস্যা হ'ব। মোৰ সমষ্টিত একচল্লিছ খন VGR আৰু PGR আছে। চৰকাৰী মাটি নাই। তাত আদৰ্শ গাঁও ছয়-সাতখনকৈ আছে। তেওঁলোকক এতিয়া কেনেকৈ দিয়া হ'ব। তেওঁলোক এতিয়া অন্য ঠাইলৈ উঠি যাব লাগিব নেকি? তাত এজনো দ্বি-ভোটাৰ নাই আৰু কোনো বিদেশী নাগৰিক আজিলৈকে চিনাক্তকৰণ হোৱা নাই। তেওঁলোকক খিলঞ্জীয়া, ভূমিপুত্ৰ, অসমীয়া মানুহ বুলি কোৱা হয়। আমি তেওঁলোকক অসমীয়া বুলি কওঁ কাৰণ খিলঞ্জীয়াৰ সংজ্ঞা আজিলৈকে নিৰ্ধাৰণ হোৱা নাই। মিশ্যন ভূমিপুত্ৰ তেওঁলোকে পাব নে নাই এইক্ষেত্ৰত এটা সন্দেহ হৈছে। সেয়েহে মিশ্যন ভূমিপুত্ৰ 'বসুন্ধৰাৰ' বিষয়ে আৰু কথা আলোচনা কৰা দৰকাৰ আছে। এইক্ষেত্ৰত মই দুদিন আগতে চাৰ্কোল অফিচাৰৰ ৰিপোৰ্ট আনিছো। তেখেতে মোক কৈছে যে তেখেতসকলক আগতে যি L.A.C. দিছিল, সেই L.A.C. মতে নহ'ব। তেওঁলোকে বসুন্ধৰাত আবেদন কৰিব লাগিব আৰু বসুন্ধৰাত অনলাইন আবেদন কৰিবলৈ হ'লে শিক্ষিত হ'ব লাগিব। আমি বিধায়কসকলে যদি তেওঁলোকক সহায় কৰো আমাক যাতে দালাল ৰূপে অভিহিত কৰা নহয়। এই কথটো আমি চাব লাগিব। কাৰণ 'মাটি-বাৰীৰ ক্ষেত্ৰত দালালেহে কাম কৰিছিল আৰু দালাল গ্ৰেপ্তাৰ' বুলি এটা ঢৌ আহিছিল। আগতে নিৰক্ষৰ মানুহখিনি কোৰ্টত গ'লে কাৰোবাৰ দ্বাৰা লিখাই লৈছিল। কিন্তু এতিয়া সেই লিখি দিয়া মানুহখিনি পুলিচে গ্ৰেপ্তাৰ কৰিব বুলি তাত নাথাকে। তেওঁলোকে বহু ফৰ্ম জমা দিব লাগিব আৰু বহুতে এই বিষয়ে নাজানে। যাৰ ফলত বহুলোক বাদ পৰি যাব পাৰে। আজি যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে, আজি দিখৌ নৈৰ Water Resource বা দিখৌ নৈৰ অবৈধ খননৰ লগতে নতুন ভূমি নীতি বা বসুন্ধৰাত যে সকলো মানুহ যোগ্য নহ'ব, এই বিষয়ে

ক'ব বিচাৰিছো। এই বিষয়ে মই আগতেও বহুবাৰ কৈছো। মোৰ সমষ্টিতো এনেকুৱা অসুবিধা হৈছে। আমি বাৰম্বাৰ কৈ আছো যে বিদেশীক দিব নালাগে। চুপ্ৰিম কোৰ্ট বা অন্য কোৰ্টত আছে যে এটা Meaningfull engagement কৰিহে তেওঁলোকক Eviction কৰিব লাগে। এই ক্ষেত্ৰত চুপ্ৰিম কোৰ্টৰ দুই-তিনিটা ৰায় আছে। এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈছে। পানীৰ কথা কৈছে, প্ৰকৃততে তাত টিউৱেল আছিল। তাত বুলড্জাৰেৰে যোৱা হৈছিল আৰু টিউৱেল সমূহ ভাঙি দিয়া হৈছে। ফলত খোৱা পানী নাইকিয়া হৈছে। খোৱা পানী নহ'লে স্বাস্থ্যৰ ভাবুকি আহিব পাৰে। গতিকে এই কথাখিনি মানৱতাৰ দিশত লক্ষ্য কৰা উচিত। এইখিনি জনাই মোক শূন্যকালীন ঘণ্টাৰ বিষয়টো উত্থাপন কৰিবৰ দিয়াৰ বাবে ধন্যবাদ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ইয়াত কেইবাটাও কথাও সন্নিবিষ্ট হৈ আছে। মই এটা এটা কৈ দিছো। প্ৰথমবাৰৰ বাবে ভূমিহীন মানুহক বা চৰকাৰী মাটি দখল কৰি থকা মানুহক মাটিৰ পট্টা দিয়াৰ এটা প্ৰচেষ্টা আৰম্ভ হৈছে। বিৰোধী দলপতি ডাঙৰীয়াৰ বক্তব্য যদি শুনো মনত এনেকুৱা লাগিব যে কাৰোবাৰ মাটি কাটিবহে খোজা হৈছে নেকি? প্ৰথম কথাটো হৈছে, 'মিশ্যন বসুন্ধৰা' ৰ জৰিয়তে পৰ্য্যায়ক্ৰমে মাটিৰ অধিকাৰ দিয়াৰ ব্যৱস্থা কৰিছো। 'মিশ্যন বসুন্ধৰা-১' হ'ল আৰু চাৰে পাঁচ লাখ মানুহে মাটিৰ অধিকাৰ পালে। এতিয়া 'মিশ্যন বসুন্ধৰা-২' হ'ল আৰু ইয়াত হয়তো এশ জনে আবেদন কৰিব আৰু আশী জনে পাব। পঁয়সত্তৰ বছৰে নোপোৱা আশী জনেতো পালে। তাৰ পিছত আকৌ 'মিশ্যন বসুন্ধৰা-৩' হ'ব। মাটি-বাৰীৰ সমস্যা এটা পৰ্বত শেষ কৰিব নোৱাৰি। আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই উচ্চতম ন্যায়ালয়ৰ Judgment Quote- কৰিছে। উচ্চতম ন্যায়ালয়ৰ ৰায়বোৰ পঢ়ো তেনেহ'লে 'মিশ্যন বসুন্ধৰা' অসমত নহ'ব। উচ্চতম ন্যায়ালয়ে কৈছে যে VGR আৰু PGR ৰ পৰা মানুহবোৰক Eviction কৰিব লাগে। যদি আমি উচ্চতম ন্যায়ালয়ৰ ৰায়বোৰ পঢ়ো আৰু গাঁৱৰ মানুহবোৰক যদি কওঁ উচ্চতম ন্যায়ালয়ৰ মতে বিৰোধী দলৰ দলপতিয়ে যাবলৈ দিছে। তেতিয়া এইটো Eviction হ'ব। কাৰণ পাঞ্জাৰ কেচত ........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বহুক্ষেত্ৰত Negotiated Settlement ৰ কথা আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মই আপোনাক Judgment টো পঠিয়াই দিম। চুপ্ৰিম কোৰ্টে কৈছে যে সেইখিনি মাটি গৰুৰ হয়। তাত Generalized কৰি কৈছে যে VGR আৰু PGR ৰ মাটিত ট্ৰাইবেল মানুহ থাকিলেও Eviction কৰিব লাগিব। খিলঞ্জীয়াৰ কথাটো পিছত আহিব। এইটো হ'ল চুপ্ৰিম কোৰ্টৰ জাজমেণ্ট। তাত চুপ্ৰিম কোৰ্টে দুটা অধিকাৰ দিছে যে কাষৰ মাটিত যদি সমান মাটিত VGR, PGR কৰে তেতিয়াহ'লে সেই মানুহখিনিক আপোনালোকে পট্টা দিব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ নাজিৰা সমষ্টিত দিব পাৰিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ নাজিৰা সমষ্টিত যদি আমাক বেলেগ মানুহে VGR, PGR ৰ মাটি দি দিয়ে মই আজি ৰাতিয়েই SDO ক কৈ দিম আৰু সাত দিনৰ ভিতৰত মাটিৰ পট্টা দি দিম। কিন্তু তেনেকুৱা মাটি নাই কাৰণে সমস্যা হৈছে। সেই কাৰণে আমি 'মিশ্যন বসুন্ধৰা-১' কৰিলো আৰু এটা কেটেগ'ৰীক বিদায় দিলো। 'মিশ্যন বসুন্ধৰা-২' হ'ল আৰু এটা কেটেগ'ৰীত কৰিলো। থাৰ্ড কেটেগ'ৰীত চুপ্ৰিম কোৰ্টৰ জাজমেণ্টটো মানিও VGR, PGR মানুহক মাটি দিব পাৰো

তাৰ বাবে গৱেষণা চলি আছে। পয়সত্তৰ বছৰত কৰিব নোৱাৰা কামখিনি ডেৰ বছৰত কৰিব নোৱাৰি। ইয়াৰ বাবে এটা প্ৰক্ৰিয়া লাগিব। কিন্তু চৰকাৰখনৰ ইচ্ছা হ'ল যে সকলো ভূমিহীন লোক খিলঞ্জীয়াই হওক বা ভাৰতীয়ই হওঁক ভূমিৰ অধিকাৰ পাব লাগে, except some specified land. যিখিনি Forest Land হওক বা Ecologically disturb হ'ব পাৰে। সেইখিনি মাটিক বাদ দি পাব লাগে। এইবাৰ VGR, PGR ত তিনিটা কেটেগ'ৰী আমি খুলি দিছো। সেইটো হ'ল চৰকাৰে যদি বহুৱাইছিল, M.N.P. Scheme ত মাটি পাইছিল। তেওঁলোকে এইবাৰ পাব। পৰৱৰ্তী সময়ত আমি VGR, PGR ৰ ওপৰত অসম বিধান সভাত আলোচনা আনিম। যাৰ জৰিয়তে অৱশিষ্ট মানুহখিনিৰো আমি কামখিনি কৰি দিব পাৰিম। গতিকে, এইটো আমাৰ প্ৰতিবদ্ধতা। ভূমিহীন মানুহখিনিয়ে যি কোনো কাৰণতে চৰকাৰী মাটিত বহিছিল তেওঁলোকক আমি ৰেগুলাৰাইজ কৰাৰ বাবে চেষ্টা কৰি আহিছো। আমি যদি মিশ্যন বসুন্ধৰা আগতে আৰম্ভ কৰিলোহেঁতেন, তেতিয়া অসমত উচ্ছেদিত বা মাটি দখল কৰাৰ দৰে শব্দ নাথাকিলহেঁতেন। সেই কাৰণে মই মাননীয় বিধায়ক সকলক আহ্বান জনাম যে মিশ্যন বসুন্ধৰাৰ বাবে আপোনালোকে লাগি পৰক। অন্ততঃ এপ্লিকেশ্যনখনটো কৰি দিয়ক। VGR, PGR মানুহৰ আবেদন কৰাত কোনো অসুবিধা নাই। আবেদনখন কৰিলে ৰেকৰ্ডত আহি যাব যে ইমানখিনি মানুহে VGR, PGR ত আছে। দ্বিতীয় কথাটো হ'ল যে আমি কোনো কাৰণতে ফৰেষ্ট বনাব বিচৰা নাই। Prpose Reserve Forest বুলি এটা কেটেগৰী আছে। এইবাৰ আমি সেই কেটেগৰীটো শেষ কৰিব বিচাৰিছো। সেইকাৰণে Revenue ADC সকলে এটা accessment কৰি আছে যে যিখিনি Propose Reserve Forest খালী হৈ আছে তাত আমি ফৰেষ্ট ঘোষণা কৰি দিম। য'ত মানুহ বহি আছে তাত হয়তো পট্টা দিব লাগিব। আজি ইমান বছৰে P R F বুলি মাটিখিনি পেলাই থ'লে। এতিয়া মানুহখিনি কোনোফালে যাব নোৱাৰে। আজি আমি P R F খিনিও সমাধান কৰাৰ বাবে চেষ্টা কৰিছো। মুঠৰ ওপৰত কথাটো হ'ল অসমৰ Revenue ৰ সমস্যাবোৰ আমাৰ কাৰ্য্যকালত সমাধান কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছো। হয়তো ১০০% সফল নহ'লেও ৬০% সফল হ'ব পাৰিম। গতিকে, মিছ্ন বসুন্ধৰাটো নিগেটিভলি ল'ব নালাগে। কোনোবাই নোৱাৰিলেও কোনোবাই হয়তো পাৰিব। ১০০ জন মানুহৰ পট্টা নাছিল। তাৰে ৮০ জনেই পট্টা পালে। ২০ জনে হয়তো নাপাবও পাৰে আৰু এই ২০ জন মানুহৰ বাবে বসুন্ধৰা-৩, ৪ আনিব লাগিব, মহামান্য উচ্চ ন্যায়ালয়, উচ্চতম ন্যায়ালয়ৰ পৰা relaxation আনিব লাগিব। আমি সেই ধৰণে systematically কাম কৰি আছো। মোক যোৱা কালি বহু সদস্যই সুধিছিল যে বসুন্ধৰাত এপ্লাই কৰাৰ অন্তিম তাৰিখ ১০ জানুৱাৰী ২০২৩, গতিকে এতিয়া কি হ'ব? সেয়েহে মই সদনতে ক'ব বিচাৰিছো যে বসুন্ধৰাত এপ্লিকেচনৰ অন্তিম তাৰিখ ৩১ মাৰ্চ, ২০২৩ লৈ বঢ়াই দিম যাতে মানুহখিনিয়ে সুন্দৰ ভাৱে আবেদন কৰিব পাৰে। তাৰ পিছত আমি যেনেকৈ যি পাৰো কৰি গৈ থাকিম।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বক্তব্যৰ ...**Interruptions....** এটা বাক্যত শেষ কৰিম....**Interruptions....**

**মাননীয় উপাধ্যক্ষঃ** Please sit down. এনেকৈ নহয়।

এতিয়া নুৰুল হুদা।....Interruptions....

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** যিটো judgement ৰ কথা কৈছে....Interruptions

...

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী ....Interruptions ...

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** তাত land blocks ৰ বাবে এটা exception দিয়া আছে....Interruptions...

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী ....Interruptions ...

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Landless মানুহখিনিৰ VGR-PGR ত ৰেহাই দিয়া আছে... .....Interruptions.....

**মাননীয় উপাধ্যক্ষঃ** শ্বেৰমান আলী ডাঙৰীয়া Please sit down.

নুৰুল হুদা ডাঙৰীয়া আপুনি এক মিনিট সময় ৰৈ দিয়ক। আমাৰ বিহুবৰৰ শিলখননৰ ওপৰত চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই চমুকৈ দু-আষাৰ ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিৰোধী দলপতিয়ে শূন্যকালীন ঘণ্টাত অনা বিষয়টো "নাজিৰাৰ বিহুবৰ- লক্ষীজানত অবৈধ শিলখনন"- এই সম্পৰ্কত আমি নটিচখন আজি ৰাতিপুৱা ৯ বজাতহে পাইছো। এই বিষয়ত ইতিমধ্যে Principal CCF আৰু Additional Chief Secretaryক নিৰ্দেশ দিয়া হৈছে। তেওঁলোকে আজিৰ ভিতৰত গোটেইখিনি তদন্ত কৰি আমাক ৰিপ'ৰ্ট দিব আৰু মই এই সম্পৰ্কত statement দিম। আপোনালোকে ভুলকৈ হয়তো বেলেগ বিভাগত নটিচখন দিছিল। কিন্তু, আজি ৰাতিপুৱা ৯ বজাতহে আমাৰ বিভাগত আহিছে।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি গণ অধিকাৰ বাতৰি কাকতত ওলাইছে যে ভূমি পুত্ৰ ভূমি পট্টাৰ পৰা বঞ্চিত। ১৯৫০ চনৰ বৰ ভূঁইকপত গৃহহীন তিনিচুকীয়াৰ শ শ পৰিয়ালে আজিও নাপালে ভূমি পট্টা। উপাধ্যক্ষ মহোদয়, ১৯৫০ চনত বৰ ভূঁইকপ হৈছিল আৰু ১৯৫২ চনত ডাঙৰ বানপানী হৈছিল। সেই বানপানীত তিনিচুকীয়া জিলাৰ ডিগবৈ বিধান সভা সমষ্টিত ডাঙৰি নামৰ অঞ্চলটো সম্পূৰ্ণ প্লাৱিত হোৱাত তাৰ মানুহখিনি সেই ঠাইৰ পৰা উঠি আহিবলগীয়া হৈছিল। সেই সময়ৰ ডিগবৈৰ ডুমডুমাৰ বিধায়ক হৰিহৰ চৌধুৰীদেৱে এই বিধান সভাৰ মজিয়াত এখন বিধেয়ক উত্থাপন কৰিছিল আৰু সেই বিধেয়কৰ জৰিয়তে সেই লোকসকলক ১ টকা মূল্য নিৰ্ধাৰণ কৰি বন ভূমিত দখলীয় স্বত্ব ভূমি প্ৰদান কৰিছিল। সেই গাওঁখনৰ নাম আছিল চিৰিং মামৰনী বনগাওঁ। এই গাওঁখনত Hmar সম্প্ৰদায়ৰ লোকে বসবাস কৰি আছে। কিন্তু, অতি পৰিতাপৰ বিষয় যে এখন গাওঁ বানপানীত উটি যোৱাৰ পিছত সেই গাঁৱৰ জনজাতীয় লোকসকলে বসবাস কৰা ঠাইখিনি চিৰিং মামৰনী বনগাওঁ হিচাপে নামাকৰণ কৰি সংস্থাপিত কৰাৰ পিছত বন ভূমিৰ মাটি যে দিছে তাৰ স্বত্বও দিছে। তেওঁলোকৰ কাগজত উপায়ুক্ত ডাঙৰীয়া, বন সংমণ্ডল বিষয়া, প্ৰকল্প সঞ্চালকে চহী কৰিছে আৰু তেওঁলোকক বাউণ্ডেৰী দি মাটি দিছে। কাৰোবাক ৪ বিঘা, কাৰোবাক ৫-৬ বিঘাকৈ মাটি দিছে। যুগ যুগ ধৰি তেওঁলোকে সেই মাটিত বসবাস কৰি আছে। কিন্তু আজিলৈকে তেওঁলোকে সেই মাটিৰ পট্টা পোৱা নাই। বিধান সভাত আলোচনা কৰি, বিধেয়ক গৃহীত কৰি যিহেতু এই লোকসকল বন ভূমিত আশ্ৰয় দিয়া হৈছিল, গতিকে, এই লোকসকলক মাটিৰ ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। উপাধ্যক্ষ মহোদয়, বন ভূমিত কেৱল এই লোকসকলেই যে আছে, তেনে নহয়। অসমৰ বহু ভূমিহীন লোক চৰকাৰী মাটিত আছে। সেই মাটিত যি সকল ভূমিহীন ভাৰতীয় নাগৰিক আছে তেওঁলোক ভাৰতীয় নাগৰিক হয়

নে নহয় চৰকাৰে প্ৰশাসনৰ দ্বাৰা তদন্ত কৰিব লাগে। যদি ভাৰতীয় নাগৰিক হয় তেন্তে বিভিন্ন ঠাইত দখল কৰি থকা সেই ভূমিহীন ভাৰতীয় নাগৰিক সকলক মাটিৰ পট্টা দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগে। তেওঁলোকৰ নাগৰিকত্ব তদন্ত নকৰি, মাটিৰ পট্টা নিদি সন্দেহজনক বুলি কৈ উচ্ছেদ কৰে। এজন ভাৰতীয় নাগৰিক, অসমৰ সন্তানৰ ভূমিৰ অধিকাৰ আছে। এখন কল্যাণকামী চৰকাৰৰ প্ৰধান দায়িত্ব হ'ল মানুহৰ জীৱন তথা সম্পত্তিৰ সুৰক্ষা দিয়া। মানুহৰ সম্পত্তিৰ সুৰক্ষা নিদি যদি তেওঁলোকক উচ্ছেদ কৰা হয় তেন্তে ই কেনেকৈ মানৱীয়তা হ'ব? গতিকে, মানৱীয়তাৰ খাতিৰত মই চৰকাৰক অনুৰোধ জনাইছো যে আমাৰ অসমৰ চৰ অঞ্চলকে আদি কৰি বিভিন্ন অঞ্চলত যি সকল ভূমিহীন লোক সংস্থাপিত হৈ আছে সেই সকল যদি ভাৰতীয় নাগৰিক হয় তেন্তে তেওঁলোকক উচ্ছেদ নকৰি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিয়ে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই শূন্যকালীন ঘণ্টাত যিটো প্ৰশ্ন আনিছে, প্ৰকৃততে এইটো বন বিভাগৰ প্ৰশ্ন হ'ব লাগে। ডিগবৈ Division ৰ ঢেকীয়াজান, চিৰিং মামৰনী, টিংৰাই আদি অঞ্চলৰ বিষয় । যিসকল ১৯৫০ চনৰ বৰ ভূঁইকপত গৃহহীন হৈছিল তেওঁলোকক Forest Right Act ৰ অধীনত সেই সময়ৰ চৰকাৰে সংস্থাপন দিছিল। এই ক্ষেত্ৰত বৰ্তমান তিনিচুকীয়াৰ উপায়ুক্তৰ পৰা অহা ৰিপোৰ্টৰ মতে ১৪২ টা পৰিয়ালক Forest ৰ আইনৰ অনুসৰি সংস্থাপন দিয়া হৈছে। বাকীখিনি চাৰ্ভে কৰি আছে আৰু যদি eligible হয়, Forest Dwellers Act মতে তেওঁলোকক সংস্থাপন দিব। VGR, PGR হোৱা হ'লে আমি ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব পাৰিলোহেঁতেন। আমাৰ Mission Basundhara App টোত এপ্লাই কৰি কেনেধৰণে দিব পাৰি সেই বিষয়ে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টকৈ কৈছে। ফৰেষ্টৰ ক্ষেত্ৰত strong Act আছে, Supreme Court ৰো তাত order আছে। গতিকে, ফৰেষ্টৰ মাটি দিয়া যিখন Act আছে, সেই Act ত পৰিব লাগিব। এই গোটেইখিনি বন বিভাগে চাই আছে। মই মহন, কিন্তু, আমাৰ জ্যেষ্ঠ- চন্দ্ৰমোহনে এই বিষয়টো ভালকৈ আৰু স্পষ্ট উত্তৰ দিব পাৰিলেহেঁতেন। মই থূল মূলকৈ এইটো কথাই জনালো যে ভূমিকম্প বা গৰাখহনীয়াই হওঁক, ST সকলে পাইছেই। Forest ৰ মাটি দিয়াত General মানুহৰ কাৰণে অলপ আইনী ভাষা থাকে। যেনে ৩ টা প্ৰজন্মৰ ৭৫ বছৰ হ'ব লাগে। ০৫ চনৰ আগত থাকিলে ST খিনিয়ে মাটি পায়। গতিকে, সেই গোটেই কথাখিনি চৰকাৰে বিবেচনা কৰি আছে। আমি যদি পৰৱৰ্তী সময়ত আইন সংশোধন কৰিবলগীয়া হয়, Forestত যিখিনি আছে, যদি Forest de-reservation কৰি অন্যান্য এনেকুৱা ধৰণৰ পলিচি, Mission Basundhara ৰ Phase-III যেতিয়া আহিব, তাত সেই কথাখিনি আলোচনা কৰিম। এতিয়া যিখিনি ভূমিহীন মানুহ আছে তেওঁলোকে জিলা উপায়ুক্তৰ যোগেদি আবেদন কৰক। ইতিমধ্যে RTPS portal চলি আছে। আজিকালি Mission Basundharaটো Public Facilitation Centre, CSC এইবিলাকতো দিয়া হৈছে। আপোনালোকে জানিবই মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে Share Chat তো নতুনকৈ launch কৰিছে আৰু ইয়াৰ যোগেৰেও online apply হ'ব। গতিকে, মাটিখিনি বন সংমণ্ডলত থকাৰ কাৰণে আমি ৰাজহ বিভাগে তাত ঘপকৈ সোমাব নোৱাৰো। বন বিভাগৰ যি নিয়ম আছে, Forest Dwellers Act মতে, তেওঁলোকৰ ৩০% অসুবিধাৰ সমাধান হৈ গৈছে। বাকী ৭০% খিনি

উপায়ুক্তই  তদন্ত কৰি আছে। যদি তেওঁলোক eligible হয়, সেইখিনি তেওঁলোকক  immediate  দিয়া হ'ব। Forest Department  ৰ যি নিয়ম আছে, Forest Dwellers Act ৰ মতে, তেখেতসকলৰ ইতিমধ্যে ৩০ শতাংশ problem solve  হৈছে আৰু বাকী যি ৭০ শতাংশ আছে, DC য়ে কৈছে তেওঁলোকে enquiry  কৰি আছে। যদি তেওঁলোক  elligible হয় সেইখিনি তেওঁলোকক সোনকালে দিব। আমিও এইখিনি কথা পৰৱৰ্তী সময়ত আলোচনা কৰিম। মাননীয় বিধায়কজন যিহেতু SDLC member, তেখেতে জিলা উপায়ুক্তৰ লগত কথা পাতি লগতে Circle Office  ৰ লগত কথা পাতি যদি ইয়াত নহয়, বেলেগ ঠাইত হ'লেও মাটি পাবই যিহেতু তেওঁলোক landless. এতিয়া VGR,PGR ত আমি তিনিটা category ত মাটি দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীৰ সমস্যা সমাধান হ'ব, Rule  টো modify  কৰিলে।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** পৰ্য্যায়ক্ৰমে যিখিনি পাৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইখিনি clear কৰি গৈছে। কোনো খিলঞ্জীয়া ভূমিহীন ভাৰতীয় মানুহ আমি থাকিবলৈ নিদিও। এতিয়া কোনো একচনীয়া পট্টা নহ'ব। এতিয়া ম্যাদী পট্টা হ'ব। এই কথাটো মিছ্ন বসুন্ধৰাত clear কৰা আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে যিখিনি তেওঁলোকক অধিকাৰ কাগজ দিছিল, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক  প্ৰেৰণ কৰিছো।তেখেতে যাতে এই ব্যৱস্থাটো লয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি তেখেতৰ চেম্বাৰত বহি যিখিনি অসুবিধা আছে, সেইখি নি আলোচনা কৰি ল'ব। নিশ্চয় তেখেতে গুৰুত্ব দিব। এতিয়া Rule 54. কাৰ্য্যসূচী নং-২, মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা প্ৰতিজন ব্যক্তিৰ নাম প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ তালিকাত অন্তৰ্ভূক্তি সম্পৰ্কত বিষয়টো আপোনাৰ জৰিয়তে মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। লগতে এই বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে আপোনাৰ লগতে মাননীয় অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জনাইছো। আমি জানো যে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা প্ৰতিটো পৰিয়ালক ২০১১ চনৰ লোকপিয়ল মতে যিসকলে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে, তেওঁলোকক চৰকাৰীভাৱে ঘৰ দিয়া হৈছে। UPI  চৰকাৰ থাকোতে ইন্দিৰা আৱাস যোজনা আৰু ২০১৪ চনৰ পিছৰ পৰা প্ৰধান মন্ত্ৰী আৱাস যোজনা হিচাপে নামাকৰণেৰে প্ৰতিটো পৰিয়ালক সহায় কৰি থকা হৈছে। উপাধ্যক্ষ মহোদয়, আজিৰ তাৰিখত অসমত প্ৰতিখন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ত সেই গাওঁ পঞ্চায়তৰ সভাপতি, সভানেত্ৰী, সচিব, GRA, GPC,BDO  ৰ

কাৰ্য্যালয়ৰ পৰা আৰম্ভ কৰি সকলোৱে এটা প্ৰশ্নৰে সন্মুখীন হৈছে, দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক সকলৰ এটাই প্ৰশ্ন হৈছে যে মোৰ নামটো কিয় ঘৰ পোৱাৰ তালিকাত নাই। যোগ্য তালিকাত মোৰ নামটো কিয় অন্তৰ্ভূক্ত নহ'ল, এই প্ৰশ্নৰে আজিৰ তাৰিখত পঞ্চায়ত বিভাগৰ সকলো বিষয়া কৰ্মচাৰী জবাবদিহী হ'বলৈ ধৰিছে। গতিকে এই প্ৰশ্নৰ উত্তৰ দিবলৈ পঞ্চায়তৰ BDO ডাঙৰীয়াৰ পৰা বা জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি GPC পৰ্য্যন্ত কাৰো হাততে উপযুক্ত উত্তৰ নাই। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম এই যে যিসকল দুখীয়া মানুহ ঘৰ পোৱাৰ পৰা বঞ্চিত হৈছে সেই মানুহখিনিয়ে কেনেকৈ ঘৰ পাব পাৰে আৰু তেওঁলোকে কিহৰ কাৰণে বঞ্চিত হ'ল এই দুটা বিষয়ৰ ওপৰত মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু বিষয়া সকলে গুৰুত্ব আৰোপ কৰিব লাগে। আমি দেখিছিলো ২০১১ চনৰ লোকপিয়ল অনুসৰি বহুত মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত থাকিব লাগে, কিন্তু census ত তেওঁলোকৰ নাম নপৰিল। যাৰকাৰণে ২০১৮ চনত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে সমূহ অসমৰ পঞ্চায়তক নিৰ্দেশ দিলে যে দৰিদ্ৰ সীমাৰেখাৰ তলত যিসকলৰ ২০১১ চনৰ census ত নাম নাই, তেওঁলোকৰ এখন তালিকা কৰিব লাগে। প্ৰতিটো পঞ্চায়তে পঞ্চায়তে তালিকা পঠাই দিলে আৰু সেই তালিকা অনুসৰি Geo tag ৰ আৰম্ভ হ'ল। আৱাস প্লাচত geo tag কৰা হ'ল। আৱাস প্লাচত geo tag কৰাৰ পাছতো আকৌ এখন তালিকা উলিয়াই দিলে। Geo tag কৰা পৰ্য্যন্ত তালিকা যেতিয়া উলিয়াই দিলে তাত দুটা কথা ওলাই গ'ল। ২০১৮ চনত যি তালিকা কৰিছিল বহু দুখীয়া পৰিয়াললৈ Geo tag কৰি বলৈ বিষয়া কৰ্মচাৰী সকল নগ'ল। আমি যিহেতু গাওঁৰ মানুহৰ লগত জড়িত হৈ থাকো তেতিয়া লক্ষ্য কৰিছিলো যে যিমান বিষয়া কৰ্মচাৰী Geo tag ৰ লগত জড়িত কৰিব লাগে সিমান খিনি জড়িত কৰিব নোৱাৰিলে। এই সময়ত লোকসভাৰ নিৰ্বাচন অহাৰ লগে-লগে Geo tag কৰা বন্ধ কৰি দিলে। যাৰকাৰণে প্ৰথম কথা হ'ল- প্ৰথমে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো তেখেতে এই কথাটো গুৰুত্ব সহকাৰে ল'ব লাগে যে সেই সময়তো তালিকা কৰা বহুত দুখীয়া মানুহৰ ঘৰত Geo tag কৰিবলৈ বিষয়াসকল নগ'ল। যাৰকাৰণে তেওঁলোক তালিকাৰ অন্তৰ্ভূক্ত নহ'ল। আকৌ যেতিয়া তালিকা ওলাল, যিসকলৰ ঘৰত Geo Tag কৰিবলৈ গৈছিল তেওঁলোকৰ নাম তালিকাত নাহিল। গতিকে যিসকল বিষয়া Geo Tag কৰিবলৈ গৈছিল তেওঁলোকৰ ভুল নে ওপৰত য'ত list final হয়, তেওঁলোকে নামবোৰ কাটি দিলে, সেইবিলাক নিশ্চিতভাৱে আজিৰ তাৰিখত অসমৰ মানুহে জানিব বিচাৰিছে। অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ বিষয়া -কৰ্মচাৰী সকলে যাতে উত্তৰ দিব পাৰে, তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বা অসম চৰকাৰে উপযুক্ত ব্যৱস্থা ল'ব।

দ্বিতীয় কথাটো হৈছে যে, আৱাস প্লাচৰ জৰিয়তে যিসকল মানুহৰ নামত ঘৰ ইতিমধ্যে আহিছে, সেই মানুহখিনিকো চৰকাৰৰ ফালৰ পৰা কিবা নিৰ্দেশ দিয়া হৈছে নেকি যে আকৌ বিষয়া কৰ্মচাৰী যাব লাগে। তেওঁলোকৰ নামবোৰ তেওঁলোকে পাইছে, সেইবিলাকৰ আকৌ এটা নিৰিখ কৰিব লাগে, তেওঁলোকৰ নামবোৰ ক'ৰবাত ক'ৰবাত কৰ্তন কৰা হৈছে সেই কথাবিলাকো আজিৰ তাৰিখত এটা প্ৰশ্ন আহিছে। গতিকে মই চমুৱাইছো। মই আপোনাৰ জৰিয়তে মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে আজিৰ তাৰিখত ই এটা অসমৰ জলন্ত সমস্যা, বহুত মানুহে পঞ্চায়তত ঘূৰিব ধৰিছে। এতিয়াও বহু দৰিদ্ৰ মানুহ আছে, যিসকলৰ ঘৰ পোৱাৰ তালিকাত নাম নাই। আমি বহু ঠাইত এনেকুৱা দেখিছো যে কিছুমান এনেকুৱা মানুহে ঘৰ পাইছে, যিসকলৰ কাষত তেওঁলোকতকৈও দুখীয়া মানুহ আছে কিন্তু ঘৰ পোৱা নাই।

যেতিয়া তেনেকুৱা মানুহে আমাক প্ৰশ্ন কৰে আমি দুখ পাওঁ, লাজ পাওঁ। গতিকে এনেকুৱা ব্যৱস্থা কিহৰ কাৰণে হ'ল? ইয়াৰ ওপৰত এটা সঠিক তদন্ত কৰি যিসকল উপযুক্ত, ঘৰ পোৱাৰ যোগ্য তেওঁলোকে যাতে ঘৰ পায়। এই ব্যৱস্থা মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৰিব বুলি আহ্বান জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো কৰাৰ কাৰণে মই ভাল পাইছো। কাৰণ এই বিষয়টোলৈ বিভিন্ন সময়ত বিভিন্ন জনে আমাকো প্ৰশ্ন শুধি থাকে। আমাৰ শাসকীয় পক্ষৰ বিধায়ক আৰু মন্ত্ৰী সকলেও মোক এই প্ৰশ্নটো শুধি থাকে। গতিকে মই সদনৰ সকলোকে এই বিষয়টোৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমি প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আশীৰ্বাদত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমেও লাভ কৰিছিলো। যেতিয়া আমি ২০১১ চনৰ Socio Economic survey ৰ জৰিয়তে এখন তালিকা প্ৰস্তুত কৰিছিলো ,সেই তালিকাত প্ৰথম পৰ্য্যায়ত ৭,৬৬,০০০ ঘৰ লাভ কৰিছিলো আৰু সেই ৭,৬৬,০০০ ঘৰৰ ভিতৰত ৬,৮২,০০০ ঘৰ সম্পূৰ্ণ কৰিছো আৰু বাকীখিনি ongoing আছে। বহুতে এই বিষয়টো ভালদৰে নাজানে। কিছুমান হয়তো migrant মানুহ আছে, যিসকলে আগতে অসমত আছিল আৰু এতিয়া কেৰেলালৈ গুছি গ'ল বা বাঙ্গালোৰলৈ গুছি গ'ল, তেওঁ second installment পালে আৰু third installment টো use কৰিব পৰা নাই বা কেতিয়াবা এনেকুৱাও হৈছে যে ২১,০০০ টকা আমি MGNREGA ৰ জৰিয়তে দিওঁ তেওঁ সেইখিনি লোৱা নাই। তাত কিছুমান লেগুলেছ আছে, পি এম এ ৱাই ঘৰৰ ক্ষেত্ৰত আমাৰ টোটেল লেগুলেছ আছিল ৬৪ হাজাৰ ৪১০ গৰাকী আছিল তাৰ ভিতৰত প্ৰায় ৩৬,৬৮৯ গৰাকীক আমি মাটি দি থৈছো, গতিকে তেনেকুৱা আমি যদি চাওঁ এতিয়াও আমাৰ প্ৰায় ১১ শতাংশ তালিকাৰ পৰা বৈ আছে। অৰ্থাৎ পাৰ্ফমেন্স যদি চাওঁ তেন্তে ৮৯ শতাংশ। আমাৰ সৰ্ব্বমুঠ পুৰণি পি এম এ ৱাই ঘৰৰ ক্ষেত্ৰত আমি সফলতা লাভ কৰিছো। আৰু তাৰ পিছত আমি যি ঘৰ পাবলৈ ২০২১- ২২ বৰ্ষত সক্ষম হ'লো তাৰ সংখ্যা হ'ল ৮ লাখ ৭১ হাজাৰ ৪৪ টা । এই দুয়োটা মিলোৱাৰ পিচত আমি দেখিলো যে এতিয়া যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কৰ্ম সংস্কৃতিৰ ক্ষেত্ৰত যিটো ৱৰ্ক কালচাৰ এটা বেলেগ ৰূপ লৈছে । যি পূৰ্ব্বৰ চৰকাৰৰ ৫ টা বছৰত আমি প্ৰায় ৪ লাখ ৬১ হাজাৰ ঘৰ সম্পূৰ্ণ কৰিছিলো। কিন্তু আমি সমূহীয়াভাৱে আপোনালোকক জনাব বিচাৰিছো যে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যি কৰ্ম সংস্কৃতি গঢ়ি উঠিছে তাৰ আধাৰতে আমাৰ বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সহযোগত ২০ মাহত আমি প্ৰায় ৩ লাখ ঘৰ সম্পূৰ্ণ কৰিলো। আমাৰ যি অগ্ৰগতি হৈ আছে, তাৰ পিছত আমি যদি হিচাপ কৰো আৰু আমাৰ জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিটো কথা ক'লে যে ২০১৮ চনত যেতিয়া আমাৰ মাননীয় সৰ্ব্বানন্দ ডাঙৰীয়াই মুখ্যমন্ত্ৰী আছিলে তেতিয়া এই ঘৰ বিলাকৰ ছাৰ্ভে কৰা হৈছিল । সেই সময়ত যদি কোনোবা বাদ পৰি গৈছে তেওঁলোকৰ পৰা আবেদন লোৱাৰ বাবে কোৱা হৈছিল আৰু তেতিয়া আমাৰ আবেদনকাৰী ওলাল প্ৰায় ২৩ লাখ ৯৪ হাজাৰ ৮০৯ গৰাকী। সেই আবেদনকাৰীসকলক ভেৰীফিকেশ্যন কৰাৰ পিছত আমি দেখিলো তাৰ পৰা প্ৰায় ২০ লাখ ৮৪

হাজাৰ মানুহ ইলিজিবল্ হিচাপে চিহ্নিত হ'ল। এই চিহ্নিতকৰণ আমি কিন্তু কৰা নাই । পি এম এ ৰাই আৱাস যোজনাৰ যি অটো জেনেৰেট চিষ্টেম এই চিষ্টেমটোৱে কৰিছে। এই চিষ্টেমৰ পৰাই কিছু মানুহৰ নাম বাদ পৰিছে। তেনেকুৱা বাদ পৰা নাম যদি আমি হিচাপ কৰো তেন্তে প্ৰায় ২ লাখ ৬৯ হাজাৰ মানুহৰ নাম বাদ পৰা দেখিবলৈ পোৱা গৈছে। এই বাদ পৰা সকলৰ বাবে আমি পুনৰ ভাৰত চৰকাৰলৈ পত্ৰ লিখিছো। মানুহৰ যিটো অভিযোগ যে জি আৰ এচ সকলে তাত নগ'ল। লোকসভাৰ নিৰ্ব্বাচনৰ কোড অৱ কনডাক্ট লগাৰ বাবে হয়তো যথোপযুক্ত geotag কৰা সময় নাপালে। সেই কাৰণে হয়তো ইনকমপ্লিট থাকিব পাৰে গতিকে ডাটা দিয়াৰ সময়ত আমি ভাৰত চৰকাৰলৈ লিখিছো যে বাদ পৰা হিতাধিকাৰীসকলক পুনৰবাৰ চাৰ্ভে কৰাৰ বাবে যাতে আমাক সুযোগ দিয়ে । উপাধ্যক্ষ ডাঙৰীয়া, আজি যদি আমি অন্য দিশটো চাওঁ, ২০১১ চনৰ ঘৰসমূহৰ যি হাউচহোল্ড চাৰ্ভে হৈছিলে তাৰে ৰুৰেল এৰিয়াত আছিলে প্ৰায় ৫৯ লাখ ৩২ হাজাৰ ৩৩৭ টা আৰু ইয়াৰ ভিতৰত আমাৰ পুৰণি পি এম এ ৰাইৰ ঘৰ ৭ লাখ ৬৬ হাজাৰ ৯১ টা আছিল। কাচ্ছা ঘৰ ৮ লাখ ২৮ হাজাৰ ৯৩৩ টা। এই কাচ্ছা ঘৰটোৰ ক্ষেত্ৰত আমি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ আৰ্শীবাদ পাইছো কাৰণ পূৰ্ব্বতে পি এম এ ৰাই ত যি কনডিশ্যন আছিলে হিতাধিকাৰীৰ কাচ্ছা ঘৰটোত টিনপাত থাকিলে তেওঁলোকে পি এম ৰাই ঘৰৰ তালিকাত অৰ্ন্তভূক্ত কৰিব নোৱাৰে কিন্তু আমাৰ চৰকাৰে কেন্দ্ৰক ক'লে যে অসমৰ মানুহৰ ঘৰসমূহত টিনপাত থাকে কিন্তু বেৰসমূহ কেঁচা, ফ্লʼৰ সমূহো কেঁচা গতিকে এই ক্ষেত্ৰত আমাক এটা বিশেষ কনচিডাৰ কৰিব লাগে । আমাৰ লগতে ত্ৰিপুৰাতো বিশেষ কনচিডাৰ কৰাৰ ফলস্বৰূপে আমি ৮ লাখ ২৮ হাজাৰ ৯৩৩ টা ঘৰ কাচ্ছা হাউচৰ জৰিয়তে পাইছো আৰু ১৮ লাখ ২৬ হাজাৰ ৫২৭ টা ঘৰ এতিয়ালৈ ইল্লিজিবল হৈছে। দুয়োটা হিচাপ যদি আমি যোগ কৰি চাওঁ তেতিয়া দেখিম যে অসমে ৩৪ লাখ ২১ হাজাৰ ৫৫১ টা ঘৰ লাভ কৰিব। এইটো যদি আমি হিচাপ কৰো তেন্তে অসমৰ গ্ৰাম্য অঞ্চলৰ ৫৮ শতাংশ মানুহে এই ঘৰ লাভ কৰিব। এতিয়াতো মোৰেই সন্দেহ হৈছে যে ৫৮ শতাংশ ঘৰ নোহোৱা মানুহ অসমত আছেনে নাই ? যদি আছে, তেন্তে সেইটো অসমৰ কাৰণে এটা উদ্বেগজনক কথা হ'ব। কাৰণ আমি ইমানে দুখীয়ানে যে আমাক ৫৮ শতাংশ ঘৰৰ প্ৰয়োজন হৈছে। এই বিষয়টো মই ভাবো আমি পিছলৈ ভালকৈ এবাৰ চাব লাগিব। তথাপি যিকি নহওঁক আমি ৩৪ লাখ ২১ হাজাৰ আমি ঘৰ পাইছো । যিখিনি আমাৰ বাদ পৰিছে- আৰু বিধায়ক ডাঙৰীয়াৰ সমষ্টিৰ কথা যদি আমি কওঁ পুৰণি পি এম এ ৰাই আৰু আৱাস প্লাছ লৈ ২১ হাজাৰ ৪০৭ টা ঘৰ পাইছে আৰু ৰিজেকশ্যন হৈছে মাত্ৰ ১৬৭৮ টা । আমাৰ কথা হ'ল যদি দুখীয়া মানুহো কোনোবা আছে এজনো মানুহ বাদ পৰিব নালাগে। এই বিষয়টো লৈ আমি ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিছো। কোড অৱ কনডাক্টৰ বাবে যিহেতু জি আৰ এচসকল যাব নোৱাৰিলে আৰু তাৰ বাবে এই টেন পাৰ্চেন্টৰ ক্ষেত্ৰত যিখিনি সমস্যা আছে, সেই সমস্যাখিনি দুৰীকৰণৰ বাবে আমি চেষ্টা কৰিম। আমি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব কাৰণ তেখেতে অকল আমাক গৃহই দিয়া নাই, তেখেতে কনৰ্ভাজেন্স কৰি শৌচালয় দিলে, উজ্বলাৰ জৰিয়তে গেছ দিলে, সোভাগ্যৰ জৰিয়তে বিদ্যুৎ দিলে । জলজীৱনৰ জৰিয়তে আমাক পানী দিলে । এই যিটো বৃহৎ কনচেপ্ট প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ সেই কাৰণে আমি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক এই সদনে ধন্যবাদ জনাব লাগে । আৰু ইয়াক ত্বৰান্বিত কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি চেষ্টা চলাইছে তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব লাগে যাৰ বাবে সমীক্ষাত গোটেই ভাৰতৰ ভিতৰত হায়েষ্ট স্পীডত উন্নয়ণ কৰা ৰাজ্যৰ তালিকাত অসমে প্ৰথম স্থান অধিকাৰ কৰিছে । গতিকে মই সকলো মাননীয় বিধায়কক সহায় সহযোগিতা

আগবঢ়াবলৈ অনুৰোধ জনালো যাতে আমি আৰু অধিক স্পীডত উন্নয়ণ কৰিব পাৰো ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী মহোদয় প্ৰধান মন্ত্ৰী আৱাস যোজনাত খুব ভাল কাম হৈছে , ঘৰ বিলাকো হৈছে । কিন্তু মই দুটা কথা মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব বিচাৰিছো । নোট কৰি ল'ব । পি এম এ ৱাই কিছু দুখীয়া যুৱকসকলৰ নামত আবন্টণ হৈছে কিন্তু তেওঁলোকে বহিঃৰাজ্যত কাম কৰিবলৈ গৈছে তাৰ বাবে ঘৰৰ কাম আৰম্ভ কৰিব পৰা নাই । এইটো অলপ চাব লাগে । দ্বিতীয়তে, কিছুমান দুৰ্গম অঞ্চলত ইন্টাৰনেট কানেশ্যন নাই যাৰ বাবে geotag কৰিব পৰা নাই । যাৰ বাবে কিছুমান বাদ পৰি গৈছে । এইখিনি চাই ল'ব ।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগ) ঃ** হয়, এইটো সমগ্ৰ অসমৰে সমস্যা । ইয়াৰ বাবে আমি ভাৰত চৰকাৰলৈ লিখিছো । উপাধ্যক্ষ মহোদয় , আপোনাক জনাবলৈ পাই মই সুখী হৈছো যে, এতিয়ালৈ আমি পি এম এ ৱাই ঘৰৰ কাৰণে ১৪,৮১৮ কোটি টকা খৰছ কৰিলো। এইবাৰ আকৌ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে ৫ হাজাৰ ৬৭১ কোটি টকা আবন্টণ দিছে যাতে সোনকালে দুখীয়া মানুহৰ ঘৰ সম্পূৰ্ণ হয় । ইতিমধ্যে আমি বাদ পৰা খিনিৰ geotagৰ বাবে কেন্দ্ৰলৈ চিঠি লিখিছো। সিকদাৰ ডাঙৰীয়াই যিটো নতুনকৈ চাৰ্ভে কৰিবলৈ পৰামৰ্শ দিছে সেইটো আৱাস প্লাছত এনেকুৱা হ'ল যে, পুৰণি পি এম এ ৱাই মানুহৰ নামো দুইবাৰকৈ উঠিছে। গতিকে এজন মানুহক দুটা ঘৰ দিব নোৱাৰি , সেই কাৰণে এই চাৰ্ভেটো চলি আছে ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ , মাননীয় সদস্যসকলক লগতে মন্ত্ৰীসকলোকো এটা কথা জনাওঁ যে, আমাৰ অল পাৰ্টি মিটিঙত সিদ্ধান্ত লোৱা হৈছিল যে, আমাৰ যিবিলাক আলোচনা সেইটোত পাঁচ মিনিটকৈ বিধায়কসকলে ক'ব আৰু উত্তৰো পাঁচ মিনিটেই হ'ব । গতিকে, আপোনালোকে তেনেকৈ ক'ব কাৰণ টাইমটো তেনেকুৱাকৈ বনোৱা হৈছে । এই ৰুল নং ৫৪ ত ডিচকাশ্যন নাহে, ডিবেটও নহয় । মই পজিটিভলী কথাখিনি কৈছো ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে । এই কথাখিনি আমি ভালেই পাইছো। কেৱল ৰিজাল্ট ওলাব লাগে । মন্ত্ৰী মহোদয়ে এইটোত অলপ মনোযোগ দিলে ভাল পাম উপাধ্যক্ষ মহোদয় । আমি এতিয়া মন্ত্ৰী মহোদয়ক আধা ধন্যবাদ দিছো। সম্পূৰ্ণ হ'লে সম্পূৰ্ণ ধন্যবাদ দিম ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং- ৩ ¼

**শ্ৰীভূবন গাম, (মাজুলী) ঃ** মোৰ তাত এটা সমস্যা হৈছে কাৰণ মাজুলীত জলাশয় বেছি, কৃষিভূমি কম। এই কৃষিভূমি যদি পুখুৰী খান্দি দিওঁ তেতিয়া আমাৰ যথেষ্ট সমস্যা হ'ব। সেয়েহে বিভাগীয় মন্ত্ৰীক মই অনুৰোধ কৰিছো যে জালশয়বোৰহে যাতে উন্নয়ন কৰিব দিয়ে। সেয়ে তেখেতলৈ অনুৰোধ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগ) ঃ** মাননীয় উপধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ভূৱন গাম ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। এই বিষয়টো আমাৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ। কাৰণ অমৃত সৰোবৰৰ সৃষ্টি কৰাৰ কাৰণে দেশৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এক অভিলাসী আঁচনি সমগ্ৰ ভাৰত বৰ্ষৰ কাৰণে চিন্তা কৰিছিল আৰু সেইটোৰ উদ্দেশ্য আছিল জল সংৰক্ষণ আৰু মৎস্য পালন যাতে কৰিব পাৰোঁ। মোডী ডাঙৰীয়াৰ সেই ইচ্ছাকে আমি সাৰোগত কৰি ইতিমধ্যে ২০২২ চনৰ ২৮ এপ্ৰিল তাৰিখে ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম আমি অমৃত সৰোবৰৰ কাম আৰম্ভ কৰিছিলোঁ। এই অমৃত সৰোবৰৰ কাম এই কাৰণে কৰা হৈছিল যে

দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছিল যে পূৰ্বতে বিভিন্ন ধৰণৰ ৰজা-মহাৰজা সকলে ডাঙৰ ডাঙৰ পুখুৰী খান্দিছিল, ডাঙৰ ডাঙৰ সৰোবৰ খান্দিছিল। কিন্তু পিছলৈ সেই কনচেপ্‌টো নোহোৱা হৈ গ'ল। আমি জনাত শিৱসাগৰতে হওক বা বিভিন্ন ঠাইত ডাঙৰ ডাঙৰ পুখুৰী আছে। আজিকালি আমাৰ সৰু সৰু পুখুৰী খন্দাৰ পদ্ধতি হ'ল, যাৰ কাৰণে অসমক বাদ দি অন্য ঠাইত যিহেতু পানীৰ কিছু সমস্যা আছিল জল সংৰক্ষণৰ লগতে মৎস্য পালনৰ কাৰণে এই ব্যৱস্থা কৰা হৈছিল। আমিও প্ৰতিখন জিলাত ৭৫ টা তেনেকুৱাকৈ আমি অমৃত সৰোবৰ নিৰ্মাণৰ কাৰণে ইতিমধ্যে ব্যৱস্থা কৰিছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এক বিশেষ গতি দি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত এচ ও পি ডি আদি নিৰ্মাণ কৰিছিল, ৰাজ্যিক পৰ্য্যায়ৰ কমিটী গঠন কৰিছিল, জিলা পৰ্য্যায়ৰ কমিটী গঠন কৰিছিল, ব্লক পৰ্য্যায়ৰ কমিটী গঠন কৰিছিল। এই যি অমৃত সৰোবৰ এই অমৃত সৰোবৰ নিৰ্মাণ কৰাৰ কাৰণে ইতিমধ্যে আমি ১২০৮ কোটি টকা ব্যায় সাপেক্ষে এই অমৃত সৰোবৰ ৩০০৭ টা নিৰ্মাণ হ'ব। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ পৰা খৰচ কৰা হ'ব ৬৬৯.২৩ কোটি টকা, MGNREGA ৰ পৰা খৰচ কৰা হ'ব ৪৯৩.৬৮ কোটি টকা আৰু বিত্তীয় আয়োগৰ পৰা খৰচ কৰা হ'ব ৪৫১ কোটি টকা। এই সৰোবৰ বোৰত আমি কি কৰিম solar lightৰ ব্যৱস্থা কৰিম। তাত চকীদাৰ safe থাকিব, ১৫ আগষ্ট, ২৬ জানুৱাৰীত তাত flag hosting হ'ব আৰু ধুনীয়া এটা যাতে পৰিৱেশ আহে আৰু খনন কাৰ্য্যত মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ পৰা টকাতো লোৱা হ'ব। MGNREGA ৰ টকাৰ জৰিয়তে 3 layer plantation, medicinal plantation, fruits য়ে হওক বা ডাঙৰ গছ চেগুনেই হওক বা শাল গছেই হওক এনেকুৱা 3 layer plantation কৰি ধুনীয়া view এনেকুৱাকৈ অসমত আমি ৩০০৭ টা নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছো। এই সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত আমাৰ কিছু অসুবিধাৰ সন্মুখীন হৈছে, বিশেষকৈ মাজুলীত। মাজুলীত ইতিমধ্যে বিষয়টো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰো দৃষ্টি আকৰ্ষণ কৰিছিল আৰু ময়ো যেতিয়া মাজুলীলৈ গৈছিলো তেতিয়া মোক এই বিষয়টো কৈছিল আৰু সেই কাৰণে অমৃত সৰোবৰৰ কাৰণে মাজুলীৰ কাৰণে আৰু লগতে দক্ষিণ শালমাৰাৰ কাৰণে আমি এটা বিশেষ ব্যৱস্থা কৰিব বিচাৰিছোঁ। যিটো SOP কৰি দিয়া হৈছিল সেই এচ ও পি যিহেতুকে আমাৰ মাজুলীত যদি এই সৰোবৰ নিৰ্মাণ কৰা হয়, তেতিয়াহ'লে প্ৰায় ১৬৮ হেক্টৰ মাটিৰ প্ৰয়োজন হ'ব। গতিকে মাজুলীক যিহেতুকে আমি সকলোৱে নদী দ্বীপ হিচাপে জানো সেই গতিকে এই নদী দ্বীপত যদি আমি ১৬৮ হেক্টৰ মাটি খান্দি আৰু লগতে আশে পাশে থকা যি বোৰ আমাৰ plantation হ'ব, প্ৰায় তেনেকুৱাকৈ ১০০০ বিঘাতকৈ অধিক মাটি লাগিব। গতিকে সেই কাৰণে আমি মাজুলীৰ ক্ষেত্ৰত যি সমূহ জলাশয় আছে সেই জলাশয়, কাৰণ কিয় মাজুলীত যিহেতু বালিচহীয়া মাটি, ১৩ ফুট খান্দিলেও তাত পানী ওলোৱাৰ সম্ভাৱনা কম। গতিকে partial যি সমূহ জলাশয় আছে, জলাশয় সমূহত এই সৰোবৰ নিৰ্মাণ কৰাৰ কাৰণে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দ্দেশ এটা দিছে যে অন্ততঃ আমাৰ যি এচ ও পি, সেই এচ ও পি আমাৰ মাজুলীৰ ক্ষেত্ৰত আৰু দক্ষিণ শালমাৰাৰ ক্ষেত্ৰত যাতে কিছু সলনি কৰি ডি পি আৰ প্ৰস্তুত কৰা হয় আৰু মই ভাৱো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ব্যৱস্থা লৈছে গতিকে সেই ব্যৱস্থা লোৱাৰ পিছত আমাৰ মাজুলীৰ যিখিনি সমস্যা সেই খিনি নোহোৱা হ'ব। মই আশা ৰাখিছো, আমাৰ বিধায়ক সকলক মই আহ্বান জনাইছোঁ যে এই সৰোবৰ বোৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আপোনালোকে যাতে বিশেষ দৃষ্টি ৰাখে। যদিও আমাৰ ইয়াত block level construction committee ত BDO কে Chairman হিচাপে দায়িত্ব অৰ্পন কৰিছোঁ আৰু জ্যেষ্ঠ Civil Engineer জনক মেম্বাৰ চেক্ৰেটাৰী ৰাখিছো আৰু Sub Divi-

sional fishery Officer, Agriculture Development Officer, Senior most Account Officer এই পাঁচ জনীয়া committee যদিও গঠন কৰি দিছোঁ যিহেতু আমাৰ Block Level Vigilance Committee ৰ chairman আমাৰ বিধায়ক সকল, বিধায়ক সকলে যাতে এই অমৃত সৰোবৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত তেওঁলোকে যাতে সহায়-সহযোগীতা কৰে তাকে মই আহ্বান জনাই এই অমৃত সৰোবৰৰ সন্দৰ্ভত এইখিনিয়ে বক্তব্য ৰাখিছো আৰু লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়ীক পুনৰ বাৰ ধন্যবাদ জনাইছো আমাৰ অসমত এই সৰোবৰ ৩০০৭ টাৰ বাবে আৰু এই সৰোবৰ সোনকালে কৰি উঠাৰ কাৰণে ত্বৰান্বিত গতি লোৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো ধন্যবাদ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী)** ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনৰ মজিয়াত এক্ট ইষ্ট পলিচী এফিয়াৰ্চৰ কিছু কথা কবলৈ সুযোগ দিয়াৰ বাবে আপোনাক বিশেষভাৱে ধন্যবাদ জনাইছোঁ। এই আপাহতে ২০১৪ চনত নবেম্বৰ মাহত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ঘোষণা কৰা এক্ট ইষ্ট পলিচীৰ বাবে তেখেতলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ। ভাৰত চৰকাৰে উত্তৰ-পূৰ্ব অঞ্চলৰ অৰ্থনৈতিক বিকাশ আৰু ঔদ্যোগিক উন্নয়নৰ বাবে দক্ষিণ-পূৰ্ব এছিয়াৰ লগত নিকট সংযোগ স্থাপনৰ বাবে এক্ট ইষ্ট পলিচী গ্ৰহণ কৰিছে। ই এক ভাৰত চৰকাৰৰ প্ৰশংসনীয় পদক্ষেপ। ঐতিহাসিক দৃষ্টিকোনেৰে যদি আমি চাওঁ উত্তৰ-পূৰ্বাঞ্চলৰ লগত পূব এছিয়াৰ দেশ সমূহৰ লগত এক যোগসূত্ৰ দেখা যায়। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ যোগাযোগৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটী মহানগৰ পূব এছিয়াৰ দুৱাৰ মুখ বুলি অভিহিত কৰিব পাৰি। পূব এছিয়াৰ দেশ সমূহ যেনে ম্যানমাৰ, থাইলেণ্ড, হংকং, ছিঙ্গাপুৰ, ভিয়েটনাম, আদি দেশ সমূহৰ লগত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ লগত অৰ্থনৈতিক সম্প্ৰসাৰন, পৰ্য্যটন আৰু সাংস্কৃতিক আদান-প্ৰদান গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে। এই সম্ভাৱনাক বাস্তৱত ৰূপ দি কিছু পথেৰে আভ্যন্তৰীণ যোগাযোগৰ ব্যৱস্থা কৰিছে, যিবিলাক বৰ্তমান সময়ত অনুন্নত হৈ আছে আৰু আন কিছুমান হেৰাই থকা সংযোগ উন্নত কৰিবলগীয়া আছে।

অৰ্থনৈতিক সহযোগিতা, সাংস্কৃতিক সম্বন্ধ আৰু উন্নয়ন সহযোগিতাৰ দ্বাৰা দক্ষিণ পূৰ এছিয়াৰ দেশ সমূহৰ লগত পথ, বিমান পৰিবহণ, শক্তিখণ্ডৰ উন্নয়ন সাধন কৰিলে অসম অৰ্থনৈতিক ভাৱে নদন বদন হ'ব। এই ক্ষেত্ৰত কিছুমান বিশেষ প্ৰকল্প মুখ্য প্ৰকল্প হিচাপে গ্ৰহণ কৰাতো উচিত হ'ব। যেনে Kaladan Multi Model Transit Transport Project, ভাৰতবৰ্ষ ম্যানমাৰ, থাইলেণ্ড ত্ৰিপাক্ষিক Highway Project, Rhitidim Road Project আৰু সীমান্তৰ বজাৰৰ উন্নতি সাধন কৰিলে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ক্ষীপ্ৰতৰ হ'ব। পথ যোগাযোগৰ ক্ষেত্ৰত মণিপুৰৰ সীমান্ত অঞ্চলত থকা মুৰে আৰু ম্যানমাৰৰ তুমু সংযোগী মাত্ৰ তিনি কি. মিটাৰ দৈৰ্ঘ্যৰ দুৰত্বৰ পথ। এছিয়ান হাইৱে নেটৱৰ্ক, ৰাষ্ট্ৰীয় ঘাইপথ ৩৯ আৰু ৰাষ্ট্ৰীয় ঘাইপথ ৩৬ অসমৰ মাজেদি ডিমাপুৰ, কহিমা ইম্ফল হৈ ম্যানমাৰৰ সীমান্তৰ মুৰে নগৰ খনত উপস্থিত হ'ব পৰা পথ যোগাযোগৰ ৰাষ্ট্ৰীয় ঘাইপথ সমূহ বহল কৰাৰ আৰু উন্নত কৰাৰ প্ৰয়োজনীয়তা আছে। ৰাষ্ট্ৰীয় ঘাইপথ ৩৯ আৰু ৰাষ্ট্ৰীয় ঘাইপথ ৩৬ য়ে থাইলেণ্ডৰ লগত লাওচ, ভিয়েটনাম, কম্বোদিয়া, মালয়েছিয়াৰ লগত যোগাযোগ আৰু যাতায়তৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে আৰু ই নিশ্চিতভাৱে ভাৰত বৰ্ষৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব। মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আদিৰ পৰাও অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত পথ নিৰ্মাণ কৰি দক্ষিণ-পূৰ এছিয়াৰ দেশ সমূহৰ লগত সহজতে যোগাযোগ স্থাপন কৰিব পাৰি। উত্তৰ পূৰ্বাঞ্চলৰ যোগাযোগৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটীৰ পৰা এই ভূ-খণ্ডৰ লগত

উন্নত যোগাযোগ আৰু যাতায়তৰ বাবে দুটা ৰাষ্ট্ৰীয় ঘাইপথ উন্নীত কৰণৰ বিষয়ে উল্লেখ কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, সীমান্তৰ মূৰে নগৰখনত উপস্থিত হ'ব পৰা পথ যোগাযোগৰ ৰাষ্ট্ৰীয় ঘাইপথ সমূহ বহল কৰাৰ, উন্নত কৰাৰ প্ৰয়োজনীয়তা আছে। ৰাষ্ট্ৰীয় ঘাইপথ ৩৯ আৰু ৰাষ্ট্ৰীয় ঘাইপথ ৩৬ য়ে থাইলেণ্ডৰ লগত লাওচ, ভিয়েটনাম, কম্বোদিয়া, মালেচিয়াৰ লগত যোগাযোগ আৰু যাতায়তৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে আৰু ই নিশ্চিত ভাবে ভাৰতবৰ্ষৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব। মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আদিৰ পৰাও অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত পথ নিৰ্মাণ কৰি দক্ষিণ পূৱ এছিয়াৰ দেশ সমূহৰ লগত সহজতে যোগাযোগ স্থাপন কৰিব পাৰি। উত্তৰ পূৰ্বাঞ্চলৰ যোগাযোগৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটীৰ পৰা এই ভূ খণ্ডৰ লগত উন্নত যোগাযোগ আৰু যাতায়তৰ বাবে দুটা ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণৰ বিষয়ে উল্লেখ কৰা হৈছে। গুৱাহাটী, যোৰাবাট, শ্বিলং, ডাওকী, চিলেট, ঢাকা ৪৬৭ কিঃমিঃ। গুৱাহাটী যোৰাবাট, শ্বিলং, কৰিমগঞ্জ, সুতাৰকাণ্ডি, চিলেট ঢাকা পথ, ৰাষ্ট্ৰীয় ঘাইপথ ৩৭,৪০,৪৪,১৫১ মুঠ ৬৫৭ কিঃমিঃ দৈৰ্ঘ্যৰ পথটি বহল কৰাৰ প্ৰয়োজনীয়তা আছে। উজনি অসমৰ তিনিচুকীয়া জিলাৰ লিডুৰ পৰা মাত্ৰ ৩৬ মাইল দূৰত্বত থকা চীন দেশলৈ যাবলৈ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ব্যৱহৃত ঐতিহাসিক ষ্টীলৱেল পথটো পুনৰ মুকলি কৰাটো ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ অঞ্চলটোৰ বাবে অত্যন্ত প্ৰয়োজন। এই পথটো চীনৰ য়ুনান প্ৰদেশৰ কোমিংৰ লগত সংযোগ হৈ আছে। যিটো পথ উন্নত কৰিলে ম্যানমাৰৰ লগত আন্তৰ্জাতিক বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিব আৰু ইয়াৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশত বহুখিনি আগবাঢ়ি যাব। এটা অঞ্চলৰ লগত আন এটা অঞ্চলৰ ব্যৱসায় বাণিজ্যৰ প্ৰথম চৰ্ত্তটো হৈছে যোগাযোগ। যোগাযোগৰ ক্ষেত্ৰত অসম তথা উত্তৰ পূৰ্বাঞ্চলেই অতি সহজতে স্থল পথৰ জৰিয়তে পূৱ এচিয়াৰ দেশ সমূহৰ লগত যোগাযোগ স্থাপন কৰিব পাৰে। অসমীয়া জাতিৰ পিতৃপূৰুষ মহামতি চাওলুঙ চ্যুকাফাই ১২২৮ খ্ৰীষ্টাব্দতেই মাঙলুঙ অৰ্থাৎ বৰ্ত্তমানৰ চীনৰ য়ুনান প্ৰদেশৰ পৰা পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। অৰ্থাৎ আজিৰ পৰা প্ৰায় ৮০০ বছৰৰ পূৰ্বে এছিয়াৰ লগত অসমৰ যোগাযোগ স্থাপন হৈছিল। এইখিনিতে আমি উল্লেখ কৰিব পাৰো পূৱ এছিয়াৰ টাই ভাষী লোক সকলৰ সাদৃশ্য টাই আহোম, টাই খামতি, টাই ফাকে, টাই খামিয়াং, টাই আইতন, টাউ টুৰুং অসমৰ এই ছটা জনগোষ্ঠীৰ লগত পূৱ এছিয়াৰ দেশ থাইলেণ্ড, হংকং, ছিঙ্গাপুৰ, ভিয়েটনাম, কম্বোদিয়া, আদি দেশৰ ভাষাগত সাদৃশ্য দেখিবলৈ পোৱা যায়। এনে ধৰণৰ সাদৃশ্য, কৃষি পদ্ধতিৰ সাদৃশ্য শাৰিৰীক গঠনৰ সাদৃশ্য দেখা সকলে সহজে মিলি এক আবেগিক অনুভূতিৰ সৃষ্টি কৰি অৰ্থনৈতিক বিনিময়ৰ জৰিয়তে এখন দেশৰ লগত সম্পৰ্ণ স্থাপন কৰি অৰ্থনৈতিক বিকাশ সাধন কৰিব পাৰি। অহা-যোৱা আৰু সাংস্কৃতিক বিনিময়ৰ জৰিয়তে অসমৰ পৰ্য্যটন উদ্যোগৰ বিকাশ সাধন কৰিব পাৰি। পূৱ এছিয়াৰ লগত যোগাযোগৰ বাবে মই দুটা পথৰ উন্নতি সাধনৰ বাবে চৰকাৰক পৰামৰ্শ আগবঢ়াইছো। ৰাষ্ট্ৰীয় ঘাইপথ ১২৭ চি, আৰু ১২৭ ডি ভূটানৰ লগত সংযোগ। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ ৫২ বাইহাটা চাৰিআলিৰ ধেমাজিৰ লগত সংযোগ হৈ অৰুণাচলৰ লগত সংলগ্ন কৰা আৰু ইয়াক অধিক সম্প্ৰসাৰণ কৰি অৰুণাচল প্ৰদেশৰ টাৱাংৰ লগত সংযোগ কৰি চীন প্ৰজাতন্ত্ৰ আৰু তিবেতৰ সংযোগ কৰা। এই দুয়োটা পথ বহলকৈ চাৰিলেন যুক্ত কৰি নিৰ্মাণ কৰিলে অসম তথা উত্তৰ পূৰ্বাঞ্চল অৰ্থনৈতিক ভাবে লাভবান হ'ব। অধ্যক্ষ মহোদয়, পূৱ এছিয়াৰ দেশ সমূহৰ লগত অসমৰ বয়ন শিল্প, হস্ত শিল্প আৰু কুটীৰ শিল্পৰ খাদ্য অভ্যাসৰ সাদৃশ্য আছে। গতিকে উত্তৰ পূৰ্বাঞ্চল তথা অসমত উৎপাদিত সামগ্ৰীৰ এখন বজাৰ বা বিপনণ ক্ষেত্ৰ অতি সহজতে পূৱ এছিয়াৰ দেশ সমূহত প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা

আছে। ঐতিহাসিক ভাবে আমি যদি চাও তেনেহ'লে দেখা পাওঁ যে, উত্তৰ পূব এছিয়াৰ লগত জলপথ, স্থলপথৰ জৰিয়তে বেপাৰ বাণিজ্য কৰাৰ উদাহৰণ বহুত আছে। খ্ৰীষ্টীয় প্ৰথম শতিকাত টেলেমী নামৰ এজন ৰোমান ইতিহাসবিদে তেখেতৰ গ্ৰন্থত অসমৰ নদী সমূহৰ পৰা আহৰণ কৰা সোণ ত্ৰিপুৰাৰ মাজেদি অন্যান্য ৰাষ্ট্ৰ সমূহলৈ পঠিওৱাৰ কথা উল্লেখ আছে। অধ্যক্ষ মহোদয়, ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৪ চনৰ নৱেম্বৰ মাহত ঘোষণা কৰা এক্ট ইষ্ট পলিচি এফিয়াৰ্চৰ ওপৰত আলোচনা হোৱাটো অত্যন্ত প্ৰশংসনীয় পদক্ষেপ। এক্ট ইষ্ট পলিচি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰাৰ অন্যতম আধাৰ। অসমৰ বৰ্ধিত নিবনুৱা সমস্যা সমাধানত পথৰ সন্ধান দিব। অসমৰ উৎপাদিত কৃষিজাত সামগ্ৰী, বয়নশিল্প, হস্তশিল্প, কাঁহ-পিতলৰ উদ্যোগ, কুটীৰ শিল্পত উৎপাদিত সামগ্ৰী বোৰৰ যদি পূৱ এছিয়াত এক আন্তৰ্জাতিক বাণিজ্য সৃষ্টি কৰিব পাৰি তেন্তে অসমৰ প্ৰতিখন গাঁৱত প্ৰতি ঘৰে ঘৰে ক্ষুদ্ৰ উদ্যোগ গঢ় লৈ উঠিব। এই চমু বক্তব্যত যিবোৰ উদ্দেশ্যমুখী কথা উল্লেখ কৰা হৈছে, সেইবোৰ নিশ্চয় চৰকাৰ তথা বিভাগীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে ল'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Minister Act East Policy Affairs.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে সন্মানীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াক ধন্যবাদ দিছো। আমাৰ এক্ট ইষ্ট পলিচিৰ ক্ষেত্ৰত বিধান সভাত প্ৰথমবাৰৰ বাবে তেখেতে এটা বিষয় উত্থাপন কৰিছে। আচলতে ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগত আমাৰ ৰাজ্যখন অৰ্থনৈতিক ভাবে ধনী আছিল। আমাৰ অসমৰ পাৰ কেপিটেল ইনকাম আছিল সেইটো National Per Capita income ৰ ওপৰত আছিল। এই কাৰণে আছিল যে, আমাৰ দক্ষিন পূব এছিয়াত ভি ভি এন আৰু ASEAN এই দেশ সমূহৰ লগত আমাৰ সঘনাই বেপাৰ বাণিজ্য হৈছিল। সাগৰৰ লগত আমি সংযুক্ত আছিলো আৰু সাগৰৰ লগত সংযুক্ত হোৱাৰ কাৰণে আমি বিশ্বৰ বজাৰখন পাবলৈ সক্ষম হৈছিলো। সেই সক্ষম হোৱাৰ কাৰণে আমাৰ অসমৰ চাহ, তেল, কয়লা আৰু কাঠ আমি বিভিন্ন দেশ সমূহলৈ ৰপ্তানি কৰিব পাৰিছিলো। যাৰ জৰিয়তে আমি ধনী ৰাজ্য হৈছিলো। আমি হাইড্ৰ চেক্টৰত ধনী থকা কাৰণে পৃথিৱীৰ দ্বিতীয় ৰিফাইনাৰী আৰু এচিয়াৰ প্ৰথম ৰিফাইনাৰীটো ১৯০১ চনত ডিগবৈত স্থাপিত হৈছিল। গতিকে তাৰ পৰৱৰ্তী দিনত স্বাধীনতাৰ পিছত আমি দুখীয়া ৰাজ্য হৈ গ'লো। দুখীয়া ৰাজ্য এই কাৰণে হৈ গ'লো যে, ১৯৬৭ ত ভাৰত, পাকিস্তানৰ যিখন যুদ্ধ হৈছিল তাৰ পিছত আমাৰ এনেকুৱা পৰিস্থিতি হ'ল যে আমি সাগৰৰ লগত সংযোগ বিহীন হৈ পৰিলো। আমাৰ মংলা আৰু চিতাগং বন্দৰ যিটো বাংলাদেশত আছে। মংলা আৰু চিতাগং বন্দৰ সংযোগ বিহীন হৈ পৰিলো। তেতিয়া আমি মাটিৰে আৱৰা ৰাজ্যলৈ ৰূপান্তৰিত হ'লো। আজিৰ দিনটো প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই যেতিয়া প্ৰধান মন্ত্ৰী হ'ল তেখেতে ক'লে আগতে লকু ইষ্ট পলিচি আছিল ১৯৯১ ত তেতিয়া প্ৰধান মন্ত্ৰী ড° মনমোহন সিং থকা অৱস্থাত। তাৰ পিছত এক্ট ইষ্ট পলিচি লৈকে গ'ল আৰু এক্ট ইষ্ট পলিচি প্ৰধান মন্ত্ৰী কৰাৰ লগতে বাংলাদেশ আৰু দক্ষিণ পূব এছিয়াৰ দেশ সমূহৰ লগতো ভি ভি এন দেশ সমূহৰ লগত আমাৰ চুক্তি স্বাক্ষৰ হ'ল। আমাৰ মংলা আৰু চিতাগং বন্দৰৰ ব্যৱহাৰৰ অনুমতি পালো। আমি অনুমতি পোৱাৰ ল'গে ল'গে আমি আকৌ সাগৰৰ লগত সংযোগ হৈ গ'লো। তাৰ মানে স্বাধীনতাৰ আগৰ অসমখনলৈকে যোৱাৰ কাৰণে আমাৰ বাণিজ্যিক আৰু উদ্যোগ ক্ষেত্ৰখন আমাৰ সম্প্ৰাসাৰিত হ'ল। ইতিমধ্যে বৰাক নদী খান্দিলো আৰু বৰাক নদীৰ জাকিগঞ্জৰ পৰা বাংলাদেশলৈ যিটো পাৰ্ট খান্দিবলগীয়া আছে, ব্ৰহ্মপুত্ৰ আমাৰ খন্দা কামৰ ভিতৰতে আছে, ধুবুৰীৰ দৈ খোৱাৰ পৰা বাংলাদেশৰ

এই অংশটো খন্দাৰ কাৰণে ভাৰত চৰকাৰে  ইতিমধ্যে বাংলাদেশ চৰকাৰক ২৫০ কোটি টকা আৱন্টন দিছে। যেতিয়া বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ লগত আমাৰ যেতিয়া কথা হৈছিল, তেতিয়া তেখেত সকলে কৈছিল যে,  তেখেত সকলৰ ফালৰ পৰা ব্ৰহ্মপুত্ৰ খন্দা কামটো আৰম্ভ কৰিছে। আগতে অসমৰ প্ৰতি মানুহৰ এটা ধাৰণা আছিল যে, অসম একেবাৰে দূৰৰ ঠাই। কিন্তু এক্ট ইষ্ট পলিচি অহাৰ লগে লগে The Assam is not the peripheral Zone toady but is the center of South East Asian Countries and VBN Country. ইয়াৰ উপৰি আমি পুনৰবাৰ সাগৰৰ লগত সংযোজিত হৈ গ'লো। গতিকে সেই সন্দৰ্ভত মাননীয় সদস্য গৰাকী কোৱাৰ দৰে আন্তঃগাঠনিৰ প্ৰতি আমি গুৰুত্ব দিব লাগিব। এই আন্তঃগাঠনিৰ  ক্ষেত্ৰত আমি বহুখিনি কাম ইতিমধ্যে এক্ট ইষ্ট পলিচি জৰিয়তে কৰিছো। তাৰ ভিতৰত মই দুই এটা কথা উল্লেখ কৰিছো যে,  মংলা আৰু চিতাগং বন্দৰৰ লগত আমাৰ সংযোগ স্থাপন হ'ল। দ্বিতীয়তে, আমাৰ যি ৰেলৱে আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ ব্যৱস্থা আছে যিবোৰ আমাৰ মোডী ডাঙৰীয়াই ৫ টা কথা কৈছে যে, ৰাজ্য এখন উন্নয়ন হ'ব লাগিলে আমাৰ ৫ টা সংযোগৰ ব্যৱস্থা থাকিব লাগিব। এটা হ'ল ৰেলুৱে আৰু ইতিমধ্যে বেছি ভাগ ঠাইতে বিদ্যুৎ সংযুক্ত ৰেলৰ ব্যৱস্থা হ'ল। ৰাষ্ট্ৰীয় ঘাইপথো আমাৰ বহু ঠাইত হ'ল। আমাৰ যিবোৰ পানীৰ যাতায়তৰ ব্যৱস্থা আছে সেইটো ইতিমধ্যে খান্দি থকা হৈছে। ইয়াৰ পিছত আকাশীপথ ক্ষেত্ৰত আমাৰ গুৱাহাটীত চেকেণ্ড টাৰমিনেল এটা বনাই থকা হৈছে, এইটোও অতি সোনকালে হ'ব।  তাত ১২৪৩ কোটি টকা  খৰচ কৰা হৈছে। তেনেকৈ যোৰহাট বিমান বন্দৰ extend কৰা হৈছে। লক্ষীমপুৰ বিমান বন্দৰ extend কৰা হৈছে।  ডিব্ৰুগড় বিমান বন্দৰ extend কৰা হৈছে, আৰু ২য় বিশ্ব যুদ্ধৰ পিছত যিটো  পৰিত্যক্ত বিমান বন্দৰ আছিল, ৰূপশ্ৰী সেইটো সম্পূৰ্ণৰূপে আমি নিৰ্মাণ কৰি যোৱা চৰকাৰৰ সময়ত তাৰ পৰা আজিৰ দিনটোত গুৱাহাটী ৰূপশ্ৰী, কলিকতা, দিল্লী আদিৰ  Flight connection আৰম্ভ হৈছে। তাৰ উপৰিও আপোনালেকে শুনি সুখ পাব যে আমাৰ যিখন UDAN Scheme আছে International UDAN Scheme ৰ জৰিয়তে  Act east policy affairs ৰ পৰা আমি ভাৰত চৰকাৰক অনুৰোধ কৰিছিলো আৰু ভাৰত চৰকাৰৰ Civil Administrative Department এ এই কথাখিনি  সন্মতি দিছে, যে  VGF  ৰ জৰিয়তে অতি সোনকালে  চাউথ ইষ্ট এছিয়াৰ ৬খন দেশৰ লগত গুৱাহাটীৰ পৰা air connectivity আৰম্ভ হ'ব, সেইটো অতি সোনকালে আৰম্ভ হ'ব। দুখন দেশৰ পৰা সন্মতি ইতিমধ্যে আহিল, গতিকে  গুৱাহাটীৰ পৰা ঢাকা, গুৱাহাটী-  য়াংগল, গুৱাহাটী- মেন্দেলে,  গুৱাহাটী- কাঠমাণ্ডু,  গুৱাহাটী- কুৱালালামপুৰ, এনেকৈ ৬ টা স্থানৰ লগত অসমৰ গুৱাহাটী বিমান বন্দৰৰ পৰা connectivity আৰম্ভ হ'ব। গতিকে ৪নংটো হ'ল air ways আৰু ৫ নংটো হ'ল I ways . I ways মানে আমাৰ ইয়াত  Internet service টো খুব slow. slow এই কাৰণে আমি ভাৰতবৰ্ষৰ  চেন্নাই আৰু বোম্বাইত যি দুটা আই টি গেট আছে, তাৰ পৰা আমি connection পাওঁ আৰু সেই connection টো হয় এনেকুৱা তেওঁলোকে চাউথ ইষ্ট এছিয়াৰ গোটেই দেশ বিলাক ঘূৰি আহি অসমলৈ আহে, আৰু সেই কাৰণে এই দুটা আই টি গেটৰ পৰা আমাৰ connection টো slow হৈ আছে।  গতিকে মাজতে বাংলাদেশ আৰু ভাৰতৰ মিট যেতিয়া হৈছিল আমি ভাৰতৰ পৰা কৈছিলো যে বাংলাদেশৰ কফজ্ বজাৰত এটা আই টি গেট আছে, যিটো আই টি গেট অকল আমেৰিকা হৈ ঘূৰি অসমলৈকে  আহি যায়, তেতিয়া আমাৰ  ইন্টাৰনেটটো খৰতকীয়া হৈ যায়।  গতিকে আমি বাংলাদেশ চৰকাৰক অনুৰোধ কৰিছিলো আৰু বাংলাদেশ চৰকাৰে  সেই কথাখিনি মানি লৈছে আৰু মানি লৈ আমাক তেওঁলোকে

অনুমতি দিলে আমি NEA ক approach কৰিলো আৰু মাজতে আমাৰ ৰেলমন্ত্ৰী যেতিয়া আহিছিল, তেওঁ IT Minister তেখেতক আমি যেতিয়া কলো , আৰু কোৱাৰ পিছত তেখেতে এইটোত সন্মতি প্ৰকাশ কৰিলে। আৰু আজি আপুনি শুনি সুখ পাব কফজ্ বজাৰত অপটিকেল ফাইবাৰৰ জৰিয়তে আমাৰ যিটো ইন্টাৰনেট ব্যৱস্থা অসমলৈ আহিল, net service টো আমাৰ up to the mark হৈ গ'ল। গতিকে আমাৰ যি ৫ টা Way চাউথ ইষ্ট এছিয়াৰ লগত হৈছে, ২য় কথাটো হ'ল যে এতিয়া ভাৰত চৰকাৰে চাউথ ইষ্ট এছিয়াৰ লগত ফেচিনিটেড কৰাৰ কাৰণে

**মাননীয় উপাধ্যক্ষ ঃ** অলপ চমুৱাই দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মই একেবাৰে চমুৱাই দিম, এইখিনি কথা আমি সকলোৰে শ্বেয়াৰ কৰা উচিত। আজি মই ভাল পাইছো, ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই কৈছে , বিষয়টো আনিছে আৰু এইটো যে অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভৱিষ্য হ'ব। কিয়নো বেপাৰ বানিজ্য কৰিবলৈ গলে তাত প্ৰায় ৮০ কোটি মানুহৰ population আছে আৰু সেই মাৰ্কেটখনৰ ওপৰত সকলোৰে চকু আছে। গতিকে এটা দিনত investment অকল অসমতে আহিব, এই কাৰণেই যে আজি মহাৰাষ্ট্ৰ বা গুজৰাট বা অন্যান্য ঠাইৰ পৰা ভাৰতৰ মেপখন কল্পনা কৰি চাওঁক, সাগৰৰে এনেকৈ আহি ইউ আকাৰত চাউথ ইষ্ট এছিয়ালৈ বহুত দেৰি হ'ব। সেয়েহে আমাৰ অসম বা উত্তপূৰ্বাঞ্চলৰ পৰা চাউথ ইষ্ট এছিয়াত আমি বৰ্ডাৰ শ্বেয়াৰ কৰো, আৰু উপাধ্যক্ষ ডাঙৰীয়া আমি ভাৰতবৰ্ষৰ মেইনলেণ্ড ইণ্ডিয়াৰ লগত ১৪ কিঃমিঃ এটা স্পেচ শিলেগুৰিলৈ connected হৈ আছো। কিন্তু চাউথ ইষ্ট এছিয়াৰ দেশ সমূহৰ লগত আমি বৰ্ডাৰ শ্বেয়াৰ কৰিছো আজিৰ দিনটোত ৪৮০০ K.M. border we have sharing with the south east Asian Countries. গতিকে উপাধ্যক্ষ ডাঙৰীয়া আজিৰ দিনটোত আমাৰ কোঁৱৰ ডাঙৰীয়াই যিটো কথা কৈছে আমাৰ কম্বোডিয়া এইবিলাকৰ দেশৰ লগত যি connectivity হ'ব লাগে। গতিকে যিটো আজি ট্ৰাইলেটাৰেল হাইৱেটো টামুমোৰে হৈ গৈছে, মৰে টু মণিপুৰ আৰু ত াামাটো হ'ল ম্যানমাৰ, টামুমৰেহৈ যিটো গৈছে সেইটো এতিয়া থাইলেণ্ডলৈকে সম্পূৰ্ণ হৈছে। আৰু ৬ লেণ্ডযুক্ত হাইৱে আৰু মই অসম বিধান সভাৰ এটা গোট আমাৰ মাননীয় সদস্য সকলক লৈ আৰু bureaucrat কিছুমানক লৈ মই এটা ভ্ৰমণ তাত কৰিছিলো বাই ৰোড। গতিকে আমি টামুমৰে হৈ ক'লে, মেন্দেলে, মেন্দেলেৰ পৰা য়াংগন গতিকে এই গোটেইখিনি লৈকে আমি গৈছো, আৰু বাংলাদেশৰ ছিলেটলৈকেও আমি গৈছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া অলপতে বাংলাদেশলৈ টুৰ এটা কৰিছে। গতিকে সেই ট্ৰাইলেটাৰেল হাইৱেটো লৈ মই নিজে গৈ পাইছো। সেই ৬ লেনযুক্ত হাইৱেটো থাইলেণ্ডলৈকে সম্পূৰ্ণ হৈ গৈছে। সেইটো কোঁৱৰ ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ সেইটোৱে গোটেই এৰিয়াটো কভাৰ কৰিব। যিটো কালাদান প্ৰজেক্ট যিটো চি পি এ পোৰ্ট, এইটো ইতিমধ্যে সম্পূৰ্ণ হৈ গৈছে। আৰু চি পি এ পোটৰ্টো মেণ্ডেলৰ লগত পোনপতীয়াকৈ মিজোৰাম সংযোগ হ'ব। মিজোৰাম সংযোগ হোৱাৰ লগে লগে আমি উত্তৰপূৰ্বাঞ্চল সংযোগ হৈ যাম। গতিকে সেইটো প্ৰজেক্ট আমাৰ সম্পুৰ্ণ হৈ গ'ল। এতিয়া পোৰ্টৰ পৰা মিজোৰামলৈ যিটো ৰাস্তা আহি আছে, সেইটো জুৰিংপুৰ বুলি এটা ঠাইলৈকে সেই ৰাস্তাটো আহি পাইছে। সেইদিনা অলপতে আমাৰ অসম মিজোৰামৰ আলোচনা হওঁতে তাত গৃহমন্ত্ৰীও আহিছিল আৰু তেওঁলোককো অনুৰোধ কৰিছো যে জুৰিংপুৰৰ ৰাস্তাটো অন্ততঃ আইজল লৈকে আপোনালোকে সোনকালে সম্পূৰ্ণ কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেইটো তেওঁলোকে কৰিম বুলি কৈছে। গতিকে এতিয়া প্ৰশ্নটো হৈছে আমাৰ এক্ট ইষ্ট পলিচিৰ জৰিয়তে আমাৰ ৰাজ্যখন অৰ্থনৈতিকভাৱে আগবাঢ়ি যাব পাৰিব। উপাধ্যক্ষ ডাঙৰীয়া মই আৰু দুই

তিনিটামান কথা কৈ শেষ কৰিম। তাৰ পাছত মই এই ষ্টেটমেন্টটো ইয়াত লে' কৰি দিম। প্ৰথম কথা হ'ল ২০১৮ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ লগত আমাৰ দক্ষিণ পূব এছিয়াৰ দেশ সমূহৰ লগত অৰ্থনৈতিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ কাৰণে এখন আলোচনা অনুষ্ঠিত হৈছিল। এই সভাত বাংলাদেশ ,ভূটান আৰু ৩ খন ASEAN দেশে ইয়াতে অংশগ্ৰহণ কৰিছে। নীতি আয়োগৰ মুখ্য কাৰ্য্যবাহী বিষয়ায়ো ইয়াতে অংশগ্ৰহণ কৰিছিল আৰু বিভিন্ন দেশৰ উচ্চ পদস্থ বিষয়াসকলে ইয়াত অংশগ্ৰহণ কৰিছিল। গুৱাহাটীতে এই সভাখন অনুষ্ঠিত হৈছিল। এটা সৌহাৰ্দ্যমূলক আৰু বানিজ্যিক দিশটো কেনেকৈ আগবাঢ়ি যাব পাৰে এই বিষয়ে আলোচনা কৰা হৈছিল। ২য় তে এখন মিটিং হৈছিল ২০১৯ চনৰ ৩ ফেব্ৰুৱাৰী তাৰিখত যিখন অনুষ্ঠানত আমাৰ বিভিন্ন দেশৰ প্ৰতিনিধি আৰু মন্ত্ৰী সকলে অংশগ্ৰহণ কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো তাত উপস্থিত আছিল। তাৰোপৰি ২০১৯ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে মাননীয় মুখ্যমন্ত্ৰীৰ সৈতে চাউথ ইষ্ট এছিয়ান ASEAN আৰু BBIN দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত সমূহৰ লগত এখন আলোচনা হয়। উক্ত বৈঠকত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত আৰু ভূটানৰ consul general ৰ উপৰিও ৮ খন ASEAN দেশৰ ৰাষ্ট্ৰদূত , উচ্চায়ুক্ত আৰু ডেপুটি চিফ দ্য মিচন আৰু এজন সহকাৰী উচ্চায়ুক্তই অংশগ্ৰহণ কৰিছে এই সন্মিলনত উত্তৰপুৰ্ব্বাঞ্চলৰ সৈতে ASEAN আৰু BBIN দেশ সমূহৰ বানিজ্যিক আৰু সাংস্কৃতিক কথা আলোচনা হৈছিল। তাৰ পাছত আমাৰ নেতৃত্বত ১৫ গৰাকী অসম বিধান সভাৰ সদস্য আমি বাংলাদেশলৈকে গৈছিলো বাইৰোড। ইয়াৰ উপৰিও ইন্টাৰনেশ্যনেল উড়ান কথাটো মই ক'লো, যে ৬ খন দেশৰ লগত আমি ইতিমধ্যে ফ্লাইড দিয়াৰ কথা চিন্তা কৰিছো। ভি জি এফ ৰ কাৰণে আমাৰ অসম চৰকাৰে ১০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰক দিব। ইতিমধ্যে তাৰ এটা অংশ দিয়া হৈছে। উপাধ্যক্ষ ডাঙৰীয়া ইন্টাৰনেশ্যনেল উড়ান স্কীম, স্বাভাৰিকতে আমাৰ মাননীয় সদস্য সকলৰ মনত এটা প্ৰশ্ন হ'ব যে ঢাকালৈকে এখন বিমান দিয়া হৈছিল। কিন্তু বন্ধ হৈ গৈছে, এইখন এই কাৰণে বন্ধ হৈছে যে যাওঁতে ইয়াৰ পৰা যাত্ৰী যায় কিন্তু আহোতে যাত্ৰী নাথাকে সেয়ে বিমান যাত্ৰা বন্ধ হৈ গ'ল। এতিয়া আমি বিমানখন চলিবলৈ তাত ৫০ টা চিট লাগে, যদি ৫০ টাৰ তলত আহে ফ্লাইটখন viable নহয়। সেই কাৰণে আমি সিদ্ধান্ত লৈছো যে অসম চৰকাৰে যিখিনি ফ্লাইট অপাৰেচন কৰাৰ কাৰণে ভায়েবোল নহয়। যিখিনি পইচা তেওঁলোকৰ নাটনি হয়, ফ্লাইটখন কন্টিনিউ কৰি ৰখাৰ কাৰণে, তাৰে ৯০ শতাংশ ভাৰত চৰকাৰে দিব আৰু ১০ শতাংশ অসম চৰকাৰে দিব। ১০০ কোটি টকা আমাৰ অসম চৰকাৰে আশ্বাস দিছো, ইয়াৰে এটা অংশ ইতিমধ্যে মুকলি কৰি দিয়া হৈছে আৰু ফ্লাইটখন ইতিমধ্যে আৰম্ভ হ'ব। ইয়াৰ উপৰিও ভাৰতৰ বৈদেশিক মন্ত্ৰী এচ জয় শংকৰ আৰু জাপানৰ ৰাষ্ট্ৰদূতে অসম ভ্ৰমণ কৰে আৰু সেই এক্ট ইষ্ট পলিচিৰ ওপৰত আমাৰ সম্ভাৱনা যিখিনি আছিল সেই বিষয়ে আলোচনা কৰা হয়। আৰু ইয়াত অসমৰ মুখ্যমন্ত্ৰী আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

**মাননীয় উপাধ্যক্ষ ঃ** এই বিষয়টো আপুনি এদিন Speaker initiative লওঁক। গোটেই দিনটো আলোচনা কৰিলে মই ভাবো লাভ হ'ব। আজি আপুনি conclude কৰক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** ইয়াৰ উপৰিও ইণ্ডিয়া ফউণ্ডেশ্যনৰ লগত চাউথ ইষ্ট এছিয়াৰ সকলো দেশৰে তেওঁলোকৰ যুৱক সকল আমাৰ ইয়ালৈকে আহিছিল। যিটো কোঁৱৰ ডাঙৰীয়াই কেছে কালচাৰেলি তেওঁলোকৰ লগত কৰাৰ কাৰণে। শেহতীয়াভাবে উপাধ্যক্ষ ডাঙৰীয়া আজি কেইদিনমান আগতে চিলেট শিলচৰ এখন হৈছিল । চিলেটট বৈদেশিক মন্ত্ৰীও আহিছিল বাংলাদেশৰ আৰু আমাৰো কালচাৰেল বিভাগৰ মন্ত্ৰী তেৰো আছিল, ময়ো আছিলো মিটিংত।

তেওঁলোকৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী কেইবাজনো আমাৰ অসমলৈ আহিছে আমি আলোচনা কৰিছো বিভিন্ন বাণিজ্যিক দিশত। শেহতীয়া ভাবে মই এটা কথা কওঁ যে আমাৰ কোঁৱৰ ডাঙৰীয়াই যিটো কথা কৈছে যে আমৰা সুতাৰকান্দি আৰু বৰমাজি সেই যি কেইটা কাষ্টম ষ্টেচন আছে আমি ধুনীয়াকৈ বনাই দি ভাৰত চৰকাৰক হস্তান্তৰ কৰিছো আৰু আপোনাৰ জৰিয়তে জনাবলৈ সুখী হৈছো যে আমাৰ ১৯৬৭ চনৰ পৰা আমাৰ মহিশাসন ৰেল ষ্টেশ্যনলৈকে এই গোটেই ৰেল লাইন খিনি পাকিস্তানী সৈন্যই উঠাই দিছিল । এতিয়া এক্ট ইষ্ট পলিচিৰ পৰা যেতিয়া টেক আপ কৰিলো তেতিয়া পাকিস্তানে এৰি দিছে আৰু ইতিমধ্যে ৰেলৰে টেণ্ডাৰ কৰিছে। এই মাহৰ ভিতৰত আমাৰ সম্পূৰ্ণ ৰেল লাইনটো হ'ব আৰু হোৱাৰ পিছত বাংলাদেশলৈকে কৰিমগঞ্জৰ পৰা ৰেল যোৱাৰ ব্যৱস্থা আৰু হ'ব । তাৰ উপৰিও আমাৰ গুৱাহাটীৰ পৰা শ্বিলং, ডাউকী তাৰ পিছত চিলেট ঢাকালৈকে বাছ যোৱাৰ বাবে ভাৰত চৰকাৰে অনুমতি দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** মোটামোটি এক্ট ইষ্ট পলিচিয়ে আমাৰ অসমলৈকে বহতো আশাৰ বতৰা লৈ আহিছে ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** গতিকে এনেকুৱা ধৰণৰ কাম খিনি আমি ইতিমধ্যে আৰম্ভ কৰিছো । কোঁৱৰ ডাঙৰীয়াক ধন্যবাদ এই কাৰণেই দিছো যে এই বিষয়টো ভাৰতবৰ্ষৰ ভৱিষ্যত ট্ৰেড আৰু বিনিয়োগৰ ক্ষেত্ৰত এই বিষয়টো বহুত গুৰুত্বপূৰ্ণ। এতিয়া আমাৰ যিখিনি উদ্যোগ আছে এই উদ্যোগ খিনিত যিখিনি চাৰপ্লাচ সেইখিনি ইউৰোপিয়ান কাউনট্ৰি বিক্ৰী কৰিব নোৱাৰে । কাৰণ এখন ইউৰোপিয়ান দেশত যিখিনি জনসংখ্যা হয় আমাৰ ইয়াত যিখিনি জনসংখ্যা আছে ১০ খন ইউৰোপিয়ান দেশত সেইখিনি জনসংখ্যা আছে । গতিকে তাত নোৱাৰে । গতিকে এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা এক্ট ইষ্ট পলিচিত এইখিনি লৈছো । মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যিখিনি সপোন যে ভাৰতবৰ্ষৰ পাচ খন ধনী ৰাজ্যৰ ভিতৰত অসম খন হ'ব লাগিব । গতিকে এক্ট ইষ্ট পলিচিৰ ক্ষেত্ৰত তাত যথেষ্ট খিনি সহযোগ কৰিব লাগিব । মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইক্ষেত্ৰত যথেষ্ট খিনি সহযোগীতা আগবঢ়াই আছে । গতিকে মই এই খিনিয়ে কথা কলো আৰু মোৰ যিখিনি ষ্টেটমেন্ট সেইটো পঢ়া বুলি ধৰি ল'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ৩০১ । শ্ৰী আমিনুল ইছলাম (জেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা বিধি ৩০১ নং নিয়মৰ অধীনত যোৱা ১৭ ডিচেম্বৰ, ২০২২ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "কমিচনৰ অংকত নিম্নমানৰ মাটিমাহৰ বীজযোগান, দলগাওঁৰ চৰকাৰী বীজপামৰ ৭৫ বিঘা মাটিত নোলাল এটাও গজালি, যোগানকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা নোলোৱাকলৈ ৰহস্য" শীৰ্ষক বাতৰিটোলৈ মই মাননীয় কৃষিমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । এই বাতৰিত উল্লেখ কৰা মতে দলগাওঁৰ কৃষি বিভাগৰ চৰকাৰী বীজ ফাৰ্ম খনে নগাওঁৰ এটা যোগানকাৰী প্ৰতিষ্ঠানৰ পৰা ২ কুইন্টল ২৫ কেজি মাটিমাহৰ বীজ ক্ৰয় কৰিছিল আৰু ৭৫ বিঘা মাটিত সেই বীজ সিচিচিল । উদ্দেশ্য আছিল ৭৫ বিঘা মাটিত সিঁচা ২ কুইন্টল ২৫ কেজি বীজ ৰোপণৰ দ্বাৰা নতুন বীজ সংগ্ৰহ কৰা অৰ্থাৎ বীজ উৎপাদনৰ বাবে মাটিমাহৰ সেই বীজ খিনি সিঁচা হৈছে । কিন্তু দুৰ্ভাগ্যবশতঃ সেই বীজৰ পৰা এটাও গজালি নোলাল। তেতিয়া দলগাওঁ বীজ নিগমৰ বিষয়া সকলে উৰ্দ্ধতম কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰে । সেই মৰ্মে উৰ্দ্ধতম বিষয়া সকলেও সেই বীজ ৰোপন ক্ষেত্ৰ পৰিদৰ্শন কৰে আৰু দেখিলে যে ২ কুইন্টল ২৫ কেজি বীজ ৰ পৰা কোনো উৎপাদন নোলাল । তেতিয়া তদন্তৰ ব্যৱস্থা কৰা হৈছিল যদিও আজি পৰ্য্যন্ত তদন্তটো হৈ নুঠিল ।

এইটো দেখা গৈছে যে এই চৰকাৰী বীজ ফাৰ্ম খনে অসমৰ বিভিন্ন জিলাত থকা বিভিন্ন চৰকাৰী বীজ ফাৰ্ম বিলাকত যোগান ধৰাৰ চৰকাৰী বীজৰ পৰা কোনো উৎপাদন নহ'ল । এইটো কিমান জালিয়তি হ'ব পাৰে । তাকো ইয়াত যিমান মাটিমাহৰ খেতি হ'ব তাৰ পৰা আকৌ বীজ সংগ্ৰহ কৰা হ'ব । যেতিয়া ঘটনাটো এনেকুৱা হৈ গ'ল তেতিয়া তাত দলগাওঁ বীজ নিগমৰ যি সকল বিষয়া আছে তেখেত সকলে আকৌ উত্তৰ দিব লাগিব, উৰ্দ্ধতম বিষয়াৰ লগত যোগাযোগ কৰিলে । তেওঁলোকে গৈ আকৌ ক্ষেত্ৰ পৰিদৰ্শন কৰিলে আৰু সচাঁকৈ ২ কুইন্টল ২৫ কেজি বীজৰ ভিতৰত এটাও গজালি নোলাল । তেতিয়া সেই আপত্তি লৈ তেখেত সকলে আহিলে আৰু তদন্ত কৰা ৰ কথা আছিলে আৰু আজিলৈকে নহ'ল। এই কথাটো বাতৰিত প্ৰকাশ পাইছে যে এই বীজ নিগম প্ৰতিষ্ঠানৰ ইয়াতেই নহয় অসমৰ যিমান কেইখন চৰকাৰী বীজ ফাৰ্মত তেওঁলোকে বীজ যোগান দিছে কিন্তু কতো এটাও গজালি নোলাল । এইটো হয়তো বিশ্ব ৰেকৰ্ড হ'ব আৰু গিনিজ বুক অৱ্ ওল্ড ৰেকৰ্ডত এইটো নিশ্চয় সোমাব । গতিকে ৰহস্যৰ কথাটো এইটোৱে হ'ল যে যেতিয়া সেই দলগাওঁৰ বীজ ফাৰ্মৰ বিষয়া সকলে যেতিয়া উৰ্দ্ধতম কৰ্তৃপক্ষক আপত্তি দৰ্শোৱাৰ পিছত তেওঁলোকে যেতিয়া গৈ খেতিত চালে এটাও গজালি নোলাল, তেতিয়া তেওঁলোকে তদন্তত দিব লাগিছিল বা সেই যোগানকাৰী প্ৰতিষ্ঠানটোৰ ওপৰত কাৰ্য ব্যৱস্থা ল'ব লাগিছিল আৰু তেওঁলোকক ব্লেক লিষ্টেড কৰা বা অন্য ধৰণৰ শাস্তিমূলক ব্যৱস্থা ল'ব লাগিছিল । যিহেতুকে উৰ্দ্ধতম কৰ্তৃপক্ষই একো ব্যৱস্থা নললে সেই কাৰণে বাতৰিটো কমিচনৰ অংকত নিম্নমানৰ মাটিমাহৰ বীজ যোগান ধৰা বুলি ওলাইছে । হয়তো বীজৰ ঠাইত শিলগুটি দি দিছে যাৰ কাৰণে এটাও গজালি নোলালে। তেওঁলোকৰ ওপৰত কাৰ্য্যব্যৱস্থা এইটো কাৰণে নল'লে যিহেতুকে তেওঁলোকৰ লগত ভিতৰুৱা বুজাবুজি আছে । গতিকে মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় কৃষিমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো যাতে কৃষি মন্ত্ৰীয়ে এই বিষয়টো হস্তক্ষেপ কৰে আৰু ইয়াত কাৰ কি বুজা বুজি আছে যাৰ কাৰণে ২ কুইন্টল ২৫ কেজি মাটিমাহৰ বীজৰ এটাও গোজালি নোলালে । গতিকে মন্ত্ৰীয়ে যাতে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ শূণ্যসহনশীলতাটো প্ৰমাণ কৰে আৰু ভৰিষ্যতে এনে ধৰণৰ জালিয়াতিৰ ঘটনা সংঘটিত কৰিব নোৱাৰে তাৰ কাৰণে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখি আপোনাক ধন্যবাদ জনায় মোৰ বক্তব্য সামৰণি মাৰিলো ।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ অনুসৰি সন্মানীয় সদস্য গৰাকীয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰা বিষয়টোৰ সম্পৰ্কত মই স্পষ্টীকৰণ দিব বিচাৰিছো। অসম কৃষি বিশ্ববিদ্যালয়ত গৱেষণা কেন্দ্ৰ আছে, Director of Research, Director of Extension আছে আৰু সময়ে সময়ে তাত বহুত নতুন নতুন বীজ কৃষি বিশ্ববিদ্যালয়ে উদ্ভাবন কৰিছে। মই আগতেই কৈ গৈছো যে ৰঞ্জিৎ শ্বাহৰ দৰে ভেৰাইটি আৰু বিভিন্ন ধৰণৰ ভেৰাইটি আৰু পিক'ক ৰাইচ উপলব্ধ হৈছে। এইটো এটা experiment আছিল। অসম বীজ নিগম পৰিসীমিত Assam Seeds Corporation য়ে ২০২২-২৩ বৰ্ষত খাৰিফ বতৰত অন্যান্য বীজ উৎপাদনৰ লগতে মাটি মাহৰ বীজ পৰীক্ষামূলক ভাৱে উৎপাদন কৰিবলৈ অসম কৃষি বিশ্ব বিদ্যালয়ৰ অধীনস্থ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙণি নগাঁৱৰ পৰা SBC 40 জাতৰ ব্ৰীডাৰ চিড আনিছিল। এইটো সত্য। কোনো ব্যৱসায়ীৰ পৰা ক্ৰয় কৰা নাছিল আৰু উক্ত SBC 40 মাটি মাহৰ জাততো অসমৰ কাৰণে অসম কৃষি বিশ্ব বিদ্যালয়ে উদ্ভাৱন কৰা বুলি আমাৰ বিভাগে গম পাইছিল। সেই বাবেই অসম বীজ নিগম পৰিসীমিত আমাৰ দলগাঁৱত যি ৭৫ বিঘা মাটিৰ ফাৰ্ম আছে। দাৰিগজিত ৫২. ৫ মাটিত বীজ উৎপাদনৰ পৰীক্ষামূলক

ভাৱে খেতি কৰা হয়। কিন্তু প্ৰতিকুল বতৰৰ বাবে Yellow Mosiic Virus ৰ দ্বাৰা আক্ৰান্ত হয় আৰু ফলত মাটি মাহৰ গছত গেৰ নধৰিলে। এই বিষয়ে চীড ক'ৰপোৰেশ্যনে যেতিয়া গম পাই ততাতৈয়াকৈ কৃষি বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰে আৰু Regional Agriculture Research Station ৰ বিজ্ঞানীৰ পৰামৰ্শ মতে বিহীত ব্যৱস্থা লোৱা হয়। উক্ত মাটি মাহৰ চিডখিনি মই আগতেই উল্লেখ কৰিছো যে কৃষি বিশ্ববিদ্যালয়ৰ পৰা অনা হৈছিল। তেখেতে যিটো কথা কৈছে যে অসমত যিবিলাক বীজ দিয়া হয় সেই বীজ বিলাকত গুটি নোলায়। কেতিয়াবা এনেকুৱা হ'ব পাৰে কিন্তু যেতিয়াই এনেকুৱা ঘটনা বিলাক আমাৰ দৃষ্টিগোচৰ হয়, বাতৰিতে ওলাওক বা ইলেক্ট্ৰনিক মিডিয়াতে ওলাওক বা কোনোবা আমাৰ সন্মানীয় সদস্যই যদি অভিযোগ কৰে তেতিয়া আমি এইবিলাক অনুসন্ধান কৰো। বেছি ভাগেই আমাৰ ৰাজ্যখনত যিবোৰ বীজ ভাণ্ডাৰ আছে এই বীজভাণ্ডাৰ বিলাকৰ পৰা লয়। মই আগতেও হাউচত কৈছো যে হাইব্ৰীড বিলাকৰ গৰুৱেই হওক, জাৰ্চীয়েই হওক যিধৰণে কেয়াৰ ল'ব লাগে ঠিক তেনেকৈ এই খেতি-বাতি বিলাকতো খেতিয়কে সেইধৰণে যত্ন কৰিব লাগে। নিয়মত পানী দিব লাগে, জোখ মতে পানী দিব লাগে। কেতিয়াবা দেখা যায় যে চৰকাৰে যিবিলাক বীজ দিয়ে সেই বীজ বিলাক ৰাখি দিয়ে। এনেধৰণৰ কাৰণবোৰৰ কাৰণে কেতিয়াবা আশা কৰা ধৰণেৰে আমি তাৰ পৰা ফল নাপাওঁ। এইটোৰ কাৰণে আমি স্পট ঠিক কৰি দিছো যে বিতৰণ কৰাৰ বাবে আমি বীজ ক্ৰয় কৰো সেই বীজ বিলাকৰ গুণগত মানদণ্ড যদি কম হয় তেতিয়াহ'লে যোগানকাৰী প্ৰতিষ্ঠানে নিজৰ ব্যয়ত বীজ সমূহ জিলা সমূহৰ পৰা ঘূৰাই অনাটো বাধ্যতামূলক আৰু নতুন বীজ যোগান ধৰিব লাগিব। খেতিয়কৰ যদি লোকচান হয় তেতিয়াহ'লে যোগানধাৰী যিবিলাক প্ৰতিষ্ঠান আছে সেই প্ৰতিষ্ঠানবোৰে লোকচানৰ পৰিমাণ খেতিয়কক আদায় দিব লাগিব। ইয়াৰ উপৰিও নিম্ন মানৰ বীজ যোগান ধৰা প্ৰতিষ্ঠানৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰাতো নিবিদাৰ সময়তে উল্লেখ কৰা থাকে। বৰ্তমান সময়ত এতিয়ালৈকে নিম্নমানৰ বীজযোগান ধৰা তথ্য আমাৰ হাতত পৰা নাই আৰু বীজ নিগমতো নাই। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে স্পষ্টভাৱে কৈছে যে খেতিয়কে যাতে সময়মতে বীজ বিলাক পায়, লিংক কম্পোনেণ্ট বিলাক যাতে সময়মতে পায় ,ভাল কোৱালিটিৰ যাতে বস্তু পায় আৰু আগতীয়াকৈ যাতে পায়। এতিয়া বহুত খেতিয়ক আছে আগতে তেনেকুৱা হৈছিল যে সময়মতে বস্তু নিদিয়াৰ বাবে নিজে মাটি টুকুৰাত খেতি কৰি দিয়ে আৰু আমি যিবিলাক বীজ দিওঁ সেইবিলাকৰ সদ্ব্যৱহাৰ নহয়গৈ। সেই দিশটোৰ প্ৰতি আমি অত্যন্ত গুৰুত্ব দিছো। আমি দেখিছো যে যোৱাবাৰ আমাৰ খেতিয়ক সকলে সময়তে বীজ পাইছে আৰু ভৱিষ্যতেও এই দিশটোৰ প্ৰতি আমি নজৰ ৰাখিম। মই সন্মানীয় সদনক জনাই থব পালে ভাল পাম যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ড°এইচ. এচ. গুপ্তা, এগৰাকী এনাউণ্ঞ ইণ্টাৰনেশ্যনেল বিজ্ঞানী, তেখেতৰ চেয়ামেনশ্বিপত এখন এগ্ৰিকালচাৰ কমিশ্যন কৰি দিছে। অসমৰ খেতিয়ক সকলৰ অসুবিধা কি, অসমৰ খেতিয়ক সকলে কিয় ডাবল বা ত্ৰিপুল প্ৰফিট নকৰে তেওঁলোকে গৈ এইখিনি চাব লাগে। আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই কৃষক। কৃষি আৰু আনুসংগিক খণ্ডৰ জৰিয়তে আমি আমাৰ জি.ডি.পি বঢ়াব পাৰো, আমি গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰিব পাৰো। সেইকাৰণে এই দিশটোৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কেইদিনমান আগতে আমি ইণ্টাৰনেশ্যনেল যি এগ্ৰি-হৰ্টি শ্বো পাতিছিলো তাতো আমি এই বিষয়টোৰ ওপৰত খুবেই গুৰুত্ব দিছো যে কি ধৰণে আমাৰ নিজা যিবোৰ চিড ফাৰ্ম আছিল তাত আমি ভাল বীজ উৎপাদন কৰিব পাৰো। আমাৰ ৰাজ্যখনৰ ৪০ খন তেনেধৰণৰ বীজ ফাৰ্ম আছিল। সেইখিনি আমি পি.পি.পি

মুডত দিয়াৰ কাৰণে ব্যৱস্থা কৰিছো। বীজ উৎপাদনত যাতে আমি আত্ম-নিৰ্ভৰশীল হ'ব পাৰো তাৰ বাবে আমি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছো। ইয়াৰ উপৰিও আমাৰ বহুত আঁচনি আছে যিবোৰ আঁচনি যেনে - গ্ৰাম্য উন্নয়ণ যোজনা আদি বিভিন্ন আঁচনিৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খেতিয়ক সকলক সকাহ দিবৰ কাৰণে চেষ্টা কৰি আছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ যিবোৰ আঁচনি যেনে - NFSM, BGREI, NMOOP, HMNEH, MOVCD বোৰৰ উপৰিও শেহতীয়াকৈ মিলেট মিশ্যনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা ১৫ নবেম্বৰ তাৰিখে এই মিলেট আঁচনিখন আৰম্ভ কৰিছে। ঠিক তেনেদৰে আমি পুষ্প অভিযান আঁচনি, ফ'ডাৰ মিশ্যন এনে ধৰণৰ আঁচনি সমূহ আমি লৈছো। কৃষি যান্ত্ৰিকৰ কাৰণে বহুতো নতুন নতুন প্ৰচেষ্টা চৰকাৰে লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। পি এম কিষানৰ ক্ষেত্ৰত বহুতো অভিযোগ অহাৰ কাৰণে আমি ৰি-ভেৰিফিকেশ্যন কৰাৰ ব্যৱস্থা কৰিছো। ২০১১ চনৰ চেনচাচ মতে আমাৰ ২৭ লাখ কৃষক আছে আৰু তাৰ ভিতৰত বহুত জেনুইন খেতিয়ক পি এম কিষ্যান আঁচনিৰ পৰা বাদ পৰি আছে। সেই কাৰণে মই সন্মানীয় বিধায়ক সকলক কৈছো যে পি এম কিষানৰ পোৰ্টেল এতিয়া ও খোলা আছে। গতিকে আমাৰ জিলা কৃষি বিষয়াৰ লগত যোগাযোগ কৰি নিজৰ নিজৰ যিসকল জেনুইন খেতিয়ক বাদ পৰি ৰৈছে তেওঁলোকক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। এইবাৰ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত আমাৰ কৃষক সকলে তিনিশ কোটি টকা পাবলৈ সক্ষম হৈছে। গতিকে এই আঁচনি সমূহৰ সুবিধা যাতে আমাৰ খেতিয়ক সকলে পাবলৈ সক্ষম হয় তাৰ ওপৰত গুৰুত্ব দিবলৈ মই অনুৰোধ কৰিলো। ২০২১ চনত আমাৰ অসমৰ পৰা হোৱা উৎপাদন প্ৰায় ২০০ কোটি টকাৰ উৎপাদন আমি বিভিন্ন দেশলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছো। গতিকে আমি ৰপ্তানিৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব দিছো। কিছুদিন আগতে আমি ক্ৰেতা-বিক্ৰেতাৰ মাজত এখন বৈঠক অনুষ্ঠিত কৰিছিলো। তেতিয়া আমাৰ খেতিয়ক সকলে কৈছিল যে আমি উপযুক্ত বজাৰ নাপাওঁ। সেই দিশটোৰ ওপৰতো আমি গুৰুত্ব দিছো। আমি আশা কৰিছো যে আমাৰ সন্মানীয় সদস্য সকলে আমাৰ চৰকাৰৰ যিখিনি আঁচনি আছে সেই আঁচনি সমূহৰ লগত নিজকে জড়িত কৰি অনাগত দিনবোৰত কৃষি কেন্দ্ৰলৈ এক যুগান্তকাৰী পৰিবৰ্তন অনাৰ ক্ষেত্ৰত সহায় কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্য্যসূচী নং ৪।**

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই "The Code of Criminal Procedure (Assam Amendment) Bill, 2022" উত্থাপন কৰিব। মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিলখন উত্থাপন কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Code of Criminal Procedure (Assam Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাব কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "The Code of Criminal Procedure (Assam Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে,

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেখেত সকলে কওক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেখেত সকলে কওক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

<u>এতিয়া কাৰ্য্যসূচী নং ৫</u>

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Maintanance Public Order (Auotonomous Districts) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাব কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "The Assam Maintanance Public Order (Auotonomous Districts) (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে,

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে
তেখেত সকলে কওক 'হয়'
যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে
তেখেত সকলে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Prevention of Begging (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাব কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে "The Assam Prevention of Begging (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে ?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে,
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং ৭, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে "The Assam Lokayukta and Ups - Lokayukta (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ "The Assam Lokayukta and Ups - Lokayukta (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে "The Assam Lokayukta and Ups - Lokayukta (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে ?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং ৮, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহনে "The Assam Land and Revenue Regulation (Second Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Land and Revenue Regulation (Second Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Land and Revenue Regulation (Second Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং ৯, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহনে "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং ১০, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহনে "The Assam Land ( Requisition and Acquisition) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)**ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Land ( Requisition and Acquisition) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Land ( Requisition and Acquisition) (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১১**, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহনে "The Assam ( Temporarily Settled Areas) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam ( Temporarily Settled Areas) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam ( Temporarily Settled Areas) (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১২**, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহনে "The Assam Evacuee Property (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Evacuee Property (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Evacuee Property (Repealing) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১৩**, মাননীয় মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকাই "The Assam Embankment and Drainage (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Em-

bankment and Drainage (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Embankment and Drainage (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১৪**, মাননীয় মন্ত্ৰী শ্ৰী আশোক সিংহল "The Assam Slum Areas (Improvement and Clearance) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী আশোক সিংহল, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Slum Areas (Improvement and Clearance) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Slum Areas (Improvement and Clearance) (Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১৫**, মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষাণে "The Factories (Assam Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী** )ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Factories (Assam Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Factories (Assam Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১৬,** মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰাই "The Assam Industrial Infrastructure Development Corporation (Second Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Industrial Infrastructure Development Corporation (Second Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Industrial Infrastructure Development Corporation (Second Amendment) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্যসূচী নং **১৭,** মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰাই "The Assam Jute (Control of Prices) (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Jute (Control of Prices) (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Jute (Control of Prices) (Repealing) Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',
মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',
বিধেয়কখন উত্থাপন হ'ল।

ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল -

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of "The Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 2022, in the Assam Legislative Assembly.

মই বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে "The Assam Professions,

Trades, Callings and Employments Taxation (Amendment) Bill, 2022, বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মহাশয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 2022, বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Assam Professions, Trades, Callings and Employments Taxation (Amendment) Bill, 2022, বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসূচী নং **১৯**, মই বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীক List of Supplementary Demand for Grants and Supplementary Appropriation for the year 2022-23 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই **২০২২-২৩** চনৰ মঞ্জুৰীৰ বাবে পৰিপুৰক দাবী আৰু পৰিপুৰক বিনিয়োজন সমুহৰ তালিকা সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া Supplementary Demand ৰ কাৰ্য্যসূচী **১**, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Public Gambling (Extension to Mizo District)(Repealing) Bill, 2022 বিধেয়কখন সদনত উত্থানৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে

"The Public Gambling (Extension to Mizo District)(Repealing) Bill, 2022 বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসূচী **২**, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়

মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Assam Darrang and Lakhimpur District (Assimilation of Laws on State Subjects) (Repealing) Bill, 2022 বিধেয়কখন সদনত উত্থানৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে

"The Assam Darrang and Lakhimpur District (Assimilation of Laws on State Subjects) (Repealing) Bill, 2022 বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

এতিয়া কাৰ্য্যসূচী **৩,** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Assam State Youth Commission (Amendment) Bill, 2022 বিধেয়কখন সদনত উত্থানৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে

"The Assam State Youth Commission (Amendment) Bill, 2022 বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছেনে?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়',

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়',

মই ভাৱো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে',

বিধেয়কখন উত্থাপন হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister Shri Ashok Singhal.

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শ্ৰীঅশোক সিংঘল ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Assam Irrigation (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, "The Assam Irrigation (Amendment) Bill, 2022" বিধেয়কখন উত্থাপনৰ কৰি বলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister Shri Ashok Singhal.

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জলসিঞ্চন মন্ত্ৰী শ্ৰী অশোক সিংঘল ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Assam Irrigation (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, "The Assam Irrigation (Amendment) Bill, 2022" বিধেয়কখন উত্থাপনৰ কৰিবলৈ বাবে সদনৰ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা

সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

**শ্ৰী পিয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জলসিঞ্চন শ্ৰীঅশোক সিংঘল ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে "The Assam Farmers (Group Irrigation) (Repealing) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, "The Assam Farmers (Group Irrigation) (Repealing) Bill, 2022" বিধেয়কখন উত্থাপনৰ কৰিবলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister Smti. Nandita Gorlosa.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, with your permission I beg leave to introduce "The Tinsukia and Dibrugarh Electricity Supply Undertakings (Acquisition) (Repealing) Bill, 2022".

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, "The Tinsukia and Dibrugarh Electricity Supply Undertakings (Acquisition) (Repealing) Bill, 2022". বিধেয়কখন উত্থাপনৰ কৰিবলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Hon'ble Minister Smti. Nandita Gorlosa.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, with your permission I beg leave to introduce "The Assam Regulated and Licensed Warehouses ( Amendment) Bill, 2022."

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, "The Assam Regulated and Licensed Warehouses ( Amendment) Bill, 2022."বিধেয়কখন উত্থাপনৰ কৰিবলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Hon'ble Minister Shri Ranjeet Kumar Dass.

**শ্ৰী ৰঞ্জিত কুমাৰ দাস, (মন্ত্ৰী, সাধাৰণ প্ৰশাসন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী হিচাপে আপোনাৰ অনুমতি সাপেক্ষে "The Assam Cinema (Regulation) (Amendment) Bill, 2022" বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, The Assam Cinema (Regulation) (Amendment) Bill, 2022" বিধেয়কখন উত্থাপনৰ কৰিবলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

Hon'ble Minister Shri Ashok Singhal.

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয় আপোনাৰ অনুমতি

সাপেক্ষে জলসিঞ্চন মন্ত্ৰী মই শ্ৰীঅশোক সিংঘল ডাঙৰীয়াৰ হৈ “The Assam Local Authorities Grants (Charged)(Repealing) Bill, 2022” বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল যে, “The Assam Local Authorities Grants (Charged)(Repealing) Bill, 2022” বিধেয়কখন উত্থাপনৰ কৰি বলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ’ল। আমাৰ Supplementary দুই নম্বৰৰ Business ৰ আছে এখন বিল। Hon’ble Minister Shri Sanjay Kishan.

**শ্ৰী সঞ্জয় কিষান, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয় আপোনাৰ অনুমতি সাপেক্ষে “The Assam Shops and Establishment Bill, 2022” বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল যে, “The Assam Shops and Establishment Bill, 2022” বিধেয়কখন উত্থাপনৰ কৰি বলৈ সন্মতি আছেনে? যিসকল সদস্যা/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ’ল।

**সদন ২২ ডিচেম্বৰ ২০২২ তাৰিখে ৯.৩০ বজালৈ স্থগিত ৰখা হ’ল।**